LEGISLATIVE ASSEMBLY LIBRARY
ASSAM, SHILLONG.

सत्यमेव जयते

# বাজেট বক্তৃতা
# ১৯৬৮-৬৯

LEGISLATIVE ASSEMBLY LIBRARY
ASSAM, SHILLONG.

শ্ৰীকামাখ্যা প্ৰসাদ ত্ৰিপাঠী
বিত্তমন্ত্ৰী
অসম

১ মাৰ্চ, ১৯৬৮

মাননীয় অধ্যক্ষ মহোদয়,

১৯৬৮-৬৯ চনৰ বিত্তীয় বছৰটোৰ কাৰণে অসম চৰকাৰৰ আয়-ব্যয়ৰ বিত্তীয় হিচাপ মই সদনৰ আগত দাঙি ধৰিব খুজিছোঁ।

মই যোৱাবাৰ বাজেট উত্থাপন কৰাৰ পাছত আমাৰ অসমৰ যি আঠজন গুণী পুৰুষৰ পৰলোক ঘটিল তেখেতসকললৈ আজি জয়জয়তে আমাৰ শ্ৰদ্ধা নিবেদন কৰাটো একান্ত কৰ্ত্তব্য বুলি বিবেচনা কৰোঁ। তেখেতসকলৰ এজন হ'ল অসমীয়া সাহিত্যলৈ বিৰাট অবিহণা যোগাই সকলোৰে শ্ৰদ্ধা আৰু সন্মানভাজন হোৱা অসম সাহিত্য সভাৰ ভূতপূৰ্ব্ব সভাপতি স্বৰ্গীয় নকুলচন্দ্ৰ ভূঞাদেৱ। আন এজন ব্যক্তি হ'ল ডাঃ মহেন্দ্ৰ নাথ শইকীয়া। ভালেকেইবছৰৰ আগতে তেখেত অসম বিধান সভাৰ এজন সদস্য আৰু এজন মন্ত্ৰীও আছিল। জনসাধাৰণৰ কল্যাণৰ কাৰণে কৰা সেৱাৰ কাৰণে তেখেত স্মৰণীয় হৈ ৰ'ব। আন এজন সন্মানিত ব্যক্তি আৰু অসম বিধান সভাৰ ভূতপূৰ্ব্ব সদস্য কামিনী কুমাৰ সেনৰ মৃত্যুতো আমি শোক প্ৰকাশ কৰোঁ। স্বাধীনতা-সংগ্ৰামত তেখেতে যি বৰঙনি যোগাইছিল তাক ৰাইজে মনত ৰাখিব। অসম মাতৃৰ আন এগৰাকী সুসন্তানেও আমাক এৰি গ'ল। তেখেত হ'ল—বিহগী কবি হিচাবে সুখ্যাত আৰু অসম সাহিত্য সভাৰ ভূতপূৰ্ব্ব সভাপতি স্বৰ্গীয় ৰঘুনাথ চৌধুৰীদেৱ। অসম বিধান পৰিষদৰ এজন ভূতপূৰ্ব্ব সদস্য আৰু অসমৰ ভূতপূৰ্ব্ব মহাধিবক্তা পি, এল, সোমৰ মৃত্যুতো আমি শোক প্ৰকাশ কৰোঁ। মই দুখেৰে সৈতে জনাওঁ যে পাৰ্লামেণ্টৰ অসমৰ ভূতপূৰ্ব্ব সদস্য মৌলবী ৱাজেদ আলি চাহাবো বৰ্ত্তমান আমাৰ মাজত নাই। প্ৰবীন অসমীয়া সাহিত্যিক স্বৰ্গীয় দৈৱ চন্দ্ৰ তালুকদাৰৰ মৃত্যুতো আমি শোক প্ৰকাশ কৰোঁ। আজি ৰূপনাথ ব্ৰহ্ম ডাঙৰীয়াও আমাৰ মাজত নাই। এই সন্মানিত সদনৰ সদস্য হিচাবে আৰু দুই দশকৰো অধিক কাল ধৰি এই ৰাজ্যখনৰ মন্ত্ৰী হিচাবে ব্ৰহ্ম ডাঙৰীয়াই দেশৰ উন্নতিৰ কাৰণে আৰু অসমৰ ভৈয়াম অঞ্চলৰ জনজাতীয় ৰাইজৰ অগ্ৰগতিৰ কাৰণে বহু কাম কৰি গ'ল। মন্ত্ৰী হিচাবে তেখেতে গোটেই দেশৰ ভিতৰতে সৰ্ব্বাধিক কালৰ কাৰণে মন্ত্ৰী হৈ থকাৰ এটা ৰেকৰ্ড স্থাপন কৰে। তেখেতৰ বিয়োগে আমাক এটা নিৰ্ম্মম আঘাত দি গ'ল। এই কেউজনৰে আত্মাৰ চিৰশান্তিৰ কাৰণে প্ৰাৰ্থনা জনাওঁ।

চৰকাৰী আয়-ব্যয়ৰ আনুমানিক হিচাপৰ বিষয়ে কোৱাৰ আগতে মই বিগত বিত্তীয় বছৰটোত ৰাষ্ট্ৰীয় অৰ্থনৈতিক পৰিস্থিতি কেনে আছিল তাৰ এটা থূলমূল আভাস দিব খুজিছোঁ। মাননীয় সদস্যসকলে জানে যে ১৯৬৭-৬৮ চনৰ বছৰটোত ৰাষ্ট্ৰীয় অৰ্থনীতি এটা সঙ্কটপূৰ্ণ অৱস্থাৰ মাজেৰে পাৰ হ'বলগা হয়। দেশৰ বিৰাট অঞ্চলত হোৱা খৰাং বতৰ আৰু তাৰ পৰিণতি স্বৰূপে হোৱা কৃষি-উৎপাদনৰ বিপৰ্য্যয়, উদ্যোগ আৰু বাণিজ্যৰ প্ৰধান প্ৰধান দিশত উদ্ভৱ হোৱা মন্দাভাৱ, বৈদেশিক সাহায্যৰ অনিশ্চয়তা, মুদ্ৰামূল্য হ্ৰাসৰ প্ৰতিক্ৰিয়া আৰু আভ্যন্তৰীণ সম্পদ সংগ্ৰহৰ ক্ষেত্ৰত থকা নানা ধৰণৰ অসুবিধা আদিৰ কাৰণেই অৰ্থনৈতিক বিকাশ অনেক পৰিমাণে বাধাপ্ৰাপ্ত হয়। প্ৰচুৰ পৰিমাণে হোৱা খেতি আৰু অধিক পৰিমাণৰ খাদ্য-শস্যৰ উৎপাদনৰ সম্ভাৱনাই দেশৰ অৰ্থনীতি উন্নত আৰু অধিক শক্তিশালী কৰি তুলিব বুলি আশা কৰা হৈছে। দৰাচলতে ১৯৬৭-৬৮ চনৰ বছৰটোৱে এক মিশ্ৰিত প্ৰতিচ্ছবিৰেই ইঙ্গিত দিয়ে। দেশে অৰ্থনৈতিক বিকাশ লাভ কৰিব পাৰিব বুলি এহাতে যেনেকৈ কিছু সতৰ্কতাৰে আশাবাদী হ'বৰ থল আছে, আনহাতে দেশৰ অৰ্থনৈতিক বিকাশৰ গতি ওভটাব খোজা এনে কিছুমান পৰিস্থিতিৰ উদ্ভৱ হোৱাৰ ফলত দেশত বিশেষকৈ ৰাজনৈতিক ক্ষেত্ৰত গভীৰ উদ্বেগৰ সৃষ্টি হৈছে।

ৰিভেদকামী শক্তিসমূহে পুনঃপুনঃ মূৰ দাঙি উঠি দেশত ধৰ্ম্ম, অঞ্চল আৰু ভাষাৰ নামত যি বাদানুবাদ আৰু সংঘৰ্ষৰ সৃষ্টি কৰিব লাগিছে সি দলীয়-আনুগত্য-নিৰ্ব্বিশেষে আমাৰ সকলোৰে কাৰণে গভীৰ উদ্বেগ আৰু চিন্তাৰ বিষয় নহৈ নোৱাৰে। ৰাজপথৰ ওপৰতেই সিদ্ধান্ত আদায়ৰ উদ্দেশ্যে পৰিচালিত হোৱা হিংসাত্মক ৰাজনীতিৰ সলনি, যুক্তি-পূৰ্ণ তৰ্ক আৰু চিন্তাগধুৰ আলাপ-আলোচনাই যাতে স্থান লাভ কৰিব পাৰে তাৰ বাবে যৎপৰোনাস্তি চেষ্টা কৰিবলৈ মই মাননীয় সদস্যসকলক অনুৰোধ জনাওঁ।

১৯৬৫-৬৬ চনত আমাৰ দেশৰ ৰাষ্ট্ৰীয় আয় (১৯৪৮-৪৯ চনৰ দ্ৰব্যমূল্যত) ১৯৬৪-৬৫ চনৰ আয়ৰ তুলনাত শতকৰা ২·২৭ ভাগ হ্ৰাস পায় যদিও ১৯৬৬-৬৭ চনৰ বছৰ-টোত এই আয় শতকৰা ১·৯৭ হাৰত কিছু বৃদ্ধি পায়। কিন্তু কৃষি-উৎপাদন বৃদ্ধি হোৱা হেতুকে ৰাষ্ট্ৰীয় আয় সন্তোষজনকভাৱে বৃদ্ধি পোৱা দেখা গৈছে আৰু ১৯৬৭-৬৮ চনত এই আয় ১৯৬৬-৬৭ চনতকৈ শতকৰা ১০·৮ ভাগ বৃদ্ধি পাব বুলি আশা কৰা হৈছে। ১৯৬৫-৬৬ চনত শতকৰা ৪·৮ ভাগ হিচাবে হ্ৰাস পোৱাৰ ঠাইত ৰাষ্ট্ৰীয় আয় যদিও শতকৰা ১·৭১ ভাগ বৃদ্ধি পায় তথাপি জনসংখ্যা বৃদ্ধি পোৱাৰ কাৰণে ১৯৬৬-৬৭ চনৰ সময়ছোৱাত জনমূৰি আয় (১৯৬০-৬১ চনৰ দ্ৰব্যমূল্যত) ২·২ টকা হিচাবে কমি যায়।

বছৰটোত ঔদ্যোগিক বিকাশৰ ক্ষেত্ৰত কিছু খেলিমেলি আছিল যদিও ১৯৬৮ চনত কৃষি-উৎপাদনৰ ক্ষেত্ৰত অবিৰাম আৰু দ্ৰুত উন্নতি হোৱাৰ লক্ষণ পৰিলক্ষিত হৈছে। ইটোৰ পিচত সিটোকৈ দুটা খৰাং বতৰৰ পৰিণতিস্বৰূপে ক্ৰয়শক্তি হ্ৰাস পোৱাত, মূলধন লগ্নী নিম্নগামী হোৱাৰ ফলত কোনো কোনো মূলধন-সামগ্ৰীৰ চাহিদা কমি যোৱাত আৰু মৌলিক ভাৰসাম্যহীনতাৰ কাৰণে কিছুমান সামগ্ৰীৰ চাহিদা তাকৰীয়া হোৱাত দেশত যি অৰ্থনৈতিক মন্দাভাৱে দেখা দিয়ে সি উদ্যোগৰ বিভিন্ন ক্ষেত্ৰত বেয়াকৈ আঘাত কৰে। বস্তু কিনিবৰ বাবে ফৰমাচ দি ৰপ্তানি আৰু উৎপাদনৰ পৰিস্থিতি উন্নত কৰিবলৈ যি নীতিমূলক ব্যৱস্থা গ্ৰহণ কৰা হৈছে তাৰ ফলত ১৯৬৮ চনৰ বছৰটোত ঔদ্যোগিক উৎপাদনৰ বেগ বৃদ্ধি হোৱাৰ সম্ভাৱনা আছে। এই ক্ষেত্ৰত সকলো লক্ষণেই প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাত ভাৰতীয় উদ্যোগসমূহৰ সামৰ্থ্যৰ প্ৰতি বাঢ়ি অহা বিশ্বাসৰ ইঙ্গিত দিয়ে। ১৯৬৭ চনত ভাৰতবৰ্ষই বৃহত্তম চাহ-ৰপ্তানিকাৰক হিচাবে পূৰ্ব্বৰ স্থান ঘূৰাই পায়। কিন্তু পাউণ্ডৰ মূল্য হ্ৰাসে চাহ-উদ্যোগৰ ওপৰত বিৰূপ প্ৰতিক্ৰিয়া কৰে। চাহৰ ৰপ্তানি এতিয়া লাহে লাহে বৃদ্ধি পোৱাটো অৱশ্যে শুভ লক্ষণ। অলপতে ঘোষণা কৰা কৰ ৰেহাইৰ ফলত অৱস্থা আৰু উন্নত হ'ব পাৰে।

১৯৬৭ চনৰ প্ৰথম দহ মাহত পাইকাৰী মূল্য-সূচী খৰকৈ বৃদ্ধি পায় আৰু জানুৱাৰী মাহৰ ১৯৪·১ (১৯৫২-৫৩ চন ১০০ বুলি ধৰি)ৰ ঠাইত অক্টোবৰ মাহত ২২১·০ হয় গৈ। অৱশ্যে পাইকাৰী মূল্য-সূচী কমিবলৈ ধৰি যোৱা নবেম্বৰ মাহত ২১৪·৯ হয় আৰু বজাৰলৈ ন-শস্য অহাৰ লগে লগে এই মূল্য-সূচী আৰু কমিব বুলি আশা কৰা হৈছে।

ৰাষ্ট্ৰীয় অৰ্থনীতিৰ এই গতি আমাৰ ৰাজ্যৰ অৰ্থনৈতিক ক্ষেত্ৰতো প্ৰতিফলিত হয়। ১৯৪৮-৪৯ চনৰ বস্তু-মূল্যৰ নিৰিখত ৰাজ্যখনৰ মুঠ আয় ১৯৬৫-৬৬ চনৰ ৩৬৯·৯ টকাৰ ঠাইত ১৯৬৬-৬৭ চনত শতকৰা মাত্ৰ ২·২৭ হাৰত বৃদ্ধি পাই ৩৭৮·৩ কোটি টকা (সাময়িকভাৱে) হয়গৈ। তাৰ আগৰ বছৰত এই বৃদ্ধিৰ হাৰ আছিল শতকৰা ১·৭৬। বৰ্ত্তমানৰ বস্তু-মূল্যৰ নিৰিখত ৰাজ্যখনৰ মুঠ আয় যথেষ্ট পৰিমাণে বাঢ়ে।

এই আয় ১৯৬৫-৬৬ চনৰ ৫৬০·৯ কোটিৰ ঠাইত শতকৰা ২৪·৫৬ হাৰে বৃদ্ধি পাই ১৯৬৬-৬৭ চনত ৬৯৮·৭ কোটি ( সাময়িকভাবে ) হয়গৈ । এই বৃদ্ধিৰ হাৰ তাৰ আগৰ বছৰ আছিল শতকৰা ৯·১৬। স্থিৰ মূল্যৰ নিৰিখত ( ১৯৪৮-৪৯ চনৰ মূল্যৰ লেখত ) ৰাজ্যখনৰ জনমূৰি আয় ১৯৬৬-৬৭ চনত আগৰ বছৰৰ ২৭৫·৮ টকাৰ ঠাইত ২৭৪·৩ টকালৈ কমে । কিন্তু বৰ্ত্তমান মূল্যত জনমূৰি আয় ১৯৬৫-৬৬ চনৰ ৪১৮·২ টকাৰ ঠাইত ১৯৬৬-৬৭ চনত ৫০৬·৭ টকা হয় । খাদ্য-শস্যৰ উৎপাদন ১৯৬৬-৬৭ চনৰ ১৮·১১ লাখ টনৰ ঠাইত চলিত বছৰত ১৯·৬৭ লাখ টনলৈ বৃদ্ধি পাব বুলি আশা কৰা হৈছে । উদ্যোগৰ ক্ষেত্ৰত অৱশ্যে প্ৰগতিৰ বেগ সিমান উৎসাহজনক নহয় । চাহৰ উৎপাদনৰ পৰিমাণ আগৰ বছৰত যিমান আছিল প্ৰায় সিমানেই হব বুলি অনুমান কৰা হৈছে ।

১৯৬৬ চনত অসমত পাইকাৰী মূল্য-সূচী শতকৰা ২০·১ হাৰত তীব্ৰবেগে বৃদ্ধি পায় । সেই সময়ত সৰ্ব্বভাৰতীয় বৃদ্ধিৰ হাৰ আছিল শতকৰা ১৩·৫ । ১৯৬৭ চনত অসমৰ পাইকাৰী মূল্য-সূচী শতকৰা ১২·৯ হাৰত বৃদ্ধি পাই জানুৱাৰী মাহৰ ২২১·৯ ৰ ঠাইত ডিচেম্বৰ মাহত ২৫০·৭ হয়গৈ (মূল বছৰ ১৯৫৩=১০০) । কিন্তু ১৯৬৬ চনৰ তুলনাত অসমত মূল্য-সূচী ১৯৬৭ চনত শতকৰা ১৬·৭ ভাগ বৃদ্ধি পায় । সেই সময়ৰ সৰ্ব্বভাৰতীয় বৃদ্ধিৰ হাৰ আছিল শতকৰা ১৫·৩ ।

নিয়োগৰ ক্ষেত্ৰত বিশেষ একো মনকৰিবলগীয়া উন্নতি পৰিলক্ষিত হোৱা নাই । যদিহে দ্ৰুত অৰ্থনৈতিক সম্প্ৰসাৰণ আৰু ঔদ্যোগীকৰণৰ ব্যৱস্থা কৰা নহয়, অৱস্থা আৰু শোচনীয় হোৱাৰ আশঙ্কা আছে । চাহ-বনুৱাৰ মাজতো নিবনুৱা লোকৰ সংখ্যা বাঢ়িব লাগিছে ।

আগতে কৰি অহা বিশ্লেষণৰ পৰা এইটো প্ৰতীয়মান হৈছে যে কৃষি উৎপাদন বৃদ্ধিয়ে আমাৰ ৰাজ্যৰ অৰ্থনীতিত অনুকূল প্ৰভাৱ পেলাইছে । তথাপিও সম্পৰ্ণ বিপদ-মুক্ত হবলৈ আমাৰ এতিয়াও বহু বাকী । কাৰ্য্যসূচীৰ প্ৰকৃষ্ট গুৰুত্ব নিৰ্ণয় কৰাৰ উপৰিও সম্পদৰ সম্পূৰ্ণ আৰু উচিত ব্যৱহাৰীকৰণ আৰু অৰ্থনীতিৰ সকলো দিশতে দক্ষতা আৰু উৎপাদনশীলতা বৃদ্ধিয়েই হৈছে বৰ্ত্তমান আমাৰ কৰিবলগীয়া আটাইতকৈ প্ৰয়োজনীয় কাম । আমাৰ আভ্যন্তৰীণ সম্পদসমূহৰ পূৰ্ণ ব্যৱহাৰীকৰণৰ ফলত আমি দৈনন্দিন জীৱনত বহু পৰিমাণে নিজকে বঞ্চিত আৰু নিবৃত্ত কৰিবলগীয়া হ'ব । ইয়াৰ অন্যথাই আমি আগুৱাটোও অসম্ভৱ । যদিহে আমি কোন ক্ষেত্ৰত গুৰুত্ব দিয়া উচিত তাক নিৰ্ভুলভাবে নিৰ্ণয় কৰিব পাৰো আৰু উৎপাদনৰ ক্ষেত্ৰত বিনিয়োগ যিমান পৰা যায় সিমান বৃদ্ধি কৰিব পাৰো তেতিয়াহলে আমাৰ অৰ্থনৈতিক গাঁথনি সংগঠন কৰাৰ লগে লগে আমাৰ লভ্য সম্পদখিনি স্থায়ী কৰিবলৈ আৰু ১৯৬৯-৭০ চনৰ পৰা আৰম্ভ হ'ব-লগীয়া এক সাৰ্থক চতুৰ্থ যোজনাৰ কাৰণেও ভালদৰে সাজু হ'বলৈ সমৰ্থ হ'ম বুলি মোৰ একান্ত বিশ্বাস ।

চতুৰ্থ পাঁচবছৰীয়া আঁচনি—

অসমৰ চতুৰ্থ পাঁচ বছৰীয়া আঁচনিত মুঠতে ১৯০ কোটি টকা ধাৰ্য্য কৰা হৈছিল । তাৰে ১৪০ কোটি টকা ৰখা হৈছিল সাধাৰণ আঁচনিৰ বাবে আৰু ৫০ কোটি আছিল পাৰ্ব্বত্য অঞ্চলৰ অখণ্ড আঁচনিৰ বাবে । কিন্তু, ৰাষ্ট্ৰীয় অৰ্থনীতিৰ ওপৰত বিভিন্ন দিশৰ পৰা বৰকৈ হেঁচা পৰাত ৰাষ্ট্ৰীয় উন্নয়ন পৰিষদে ১৯৬৭ চনৰ ডিচেম্বৰ মাহত এই বুলি সিদ্ধান্ত লয় যে ১৯৬৬-৬৭, ১৯৬৭-৬৮ আৰু ১৯৬৮-৬৯ এই বছৰ তিনটা চতুৰ্থ পাঁচবছৰীয়া আঁচনিৰ অন্তৰ্ভুক্ত নকৰি একো একোটা তদৰ্থ বাৰ্ষিক আঁচনিৰ অন্তৰ্ভুক্ত কৰা হ'ব । ইয়াৰ পৰিবৰ্তে চতুৰ্থ পাচ বছৰীয়া আঁচনিয়ে ১৯৬৯-৭০ চনৰ পৰা ১৯৭৩-৭৪ চনলৈকে এই সময়ছোৱাহে সামৰি লব ।

১৯৬৭-৬৮ চনৰ বাৰ্ষিক আঁচনি--

মুঠ ৩০ কোটি টকা ধাৰ্য্য কৰি পৰিকল্পনা আয়োগে আমাৰ ১৯৬৭-৬৮ চনৰ বাবে প্ৰস্তুত কৰা বাৰ্ষিক আঁচনিখন অনুমোদন কৰে। এই গোটেইখিনি টকা কেন্দ্ৰীয় সাহায্য হিচাপে ভাৰত চৰকাৰৰ পৰা পোৱা যাব। অনুমোদিত আঁচনিত ধাৰ্য্য কৰা ৬.৫০ কোটি টকাৰ উপৰিও আৰু ৩ কোটি টকা ৰাজ্যিক বিদ্যুৎ-মণ্ডলীক জীৱন বীমা নিগমৰ পৰা ধাৰে লৈ খৰচ কৰিবলৈ অনুমতি দিয়া হৈছে। এইদৰে ১৯৬৭-৬৮ চনৰ বাৰ্ষিক আঁচনিত খৰচ কৰিবলৈ স্থিৰ কৰা মুঠ ধনৰ পৰিমাণ ৩৩ কোটি টকা হবগৈ।

১৯৬৮-৬৯ চনৰ বাৰ্ষিক আঁচনি—

আমাৰ চলিত বছৰৰ খচৰা বাৰ্ষিক আঁচনিত মুঠতে ৪২.২৭ কোটি টকা ধাৰ্য্য কৰা হৈছিল। আলোচনাৰ অন্তত ৱাৰ্কিং গ্ৰুপসমূহে মুঠতে ৩৮.৯২ কোটি টকা খৰচ কৰাটো অনুমোদন কৰে; ইয়াৰে ২৭.৩৫ কোটি সাধাৰণ আঁচনি আৰু ১১.৫৭ কোটি পাহাৰ অঞ্চলৰ আঁচনিৰ বাবে। আঞ্চলিক উন্নয়নৰ বাবে বাধ্যতামূলকভাবে কৰিব-লগীয়া কাম আৰু পাহাৰ অঞ্চলৰ উন্নয়নৰ বুনিয়াদ নিৰ্ম্মাণ কৰাৰ লগতে ইতিমধ্যে হাতত লোৱা অতি লাগতিয়াল আঁচনিৰ কামবোৰ শেষ কৰিবলৈ আমাক অধিক পৰিমাণৰ কেন্দ্ৰীয় সাহায্য লাগে আৰু তাৰ ব্যৱস্থা কৰা নিতান্ত প্ৰয়োজন বুলি মুখ্যমন্ত্ৰী আৰু মই জোৰেৰে দাবী জনাইছিলো। কিন্তু কেন্দ্ৰত সাহায্য যোগোৱা সম্বলৰ টনাটনি হোৱাত আৰু বিদেশৰ পৰা তেনে সম্বল আহৰণৰ কোনো নিশ্চয়তা নথকাত পৰিকল্পনা আয়োগে পাহাৰ অঞ্চলৰ আঁচনিত খৰচ কৰিবলগীয়া ৭ কোটি টকাকে ধৰি মাত্ৰ ২৯.৪ কোটিহে ধাৰ্য্য কৰিলে। ৰাজ্যৰ বহু পৰিমাণৰ বিত্তীয় ঘাটিৰ কাৰণে এই বছৰৰ দৰে অহা বছৰো এই সমুদায় ২৯.৪ কোটি টকা ভাৰত চৰকাৰে দিব লাগিব। ১৯৬৮-৬৯ চনৰ বাবে বিভিন্ন খণ্ডত বণ্টন কৰা ধনৰ পৰিমাণ "খ" পৰিশিষ্টত দেখুৱা হৈছে।

পাহাৰ অঞ্চলৰ উন্নয়ন—

বাৰ্ষিক আঁচনিৰ কালছোৱাত পাহাৰ অঞ্চলত কি কি কাম হাতত লোৱা হ'ব মই এতিয়া সেই বিষয়ে চমুকৈ ক'ম। মাননীয় সদস্যসকলক দিয়া বাজেট-বক্তৃতাৰ পৰি-পূৰকত ইয়াৰ বিশদ বিৱৰণ পাব।

অসমৰ পাহাৰ অঞ্চলৰ খৰতকীয়া উন্নয়ন কল্পে নিয়োজিত কেন্দ্ৰ আৰু ৰাজ্যৰ যুটীয়া অধ্যয়ন দলটোৰ পৰামৰ্শ-মতে ১৯৬৬ চনৰ নৱেম্বৰ মাহত পাহাৰ অঞ্চলৰ বাবে এখন পৰিকল্পনা মণ্ডলী গঠন কৰা হয়। ১৯৬৭-৬৮ চনত বহা এই পৰিকল্পনা মণ্ডলীৰ চাৰিখন বৈঠকত এবছৰীয়া আঁচনিৰ কাম-কাজৰ অগ্ৰগতি সম্বন্ধে পৰ্য্যালোচনা কৰা হয় আৰু মণ্ডলীয়ে ১৯৬৮-৬৯ চনৰ আঁচনি প্ৰস্তুত সম্পৰ্কে পৰামৰ্শ আগবঢ়ায়। সংসদ আৰু বিধানসভালৈ পাহাৰ অঞ্চলৰ পৰা নিৰ্ব্বাচিত সদস্য আৰু জিলা পৰিষদৰ মুখ্য কাৰ্য্যনিৰ্ব্বাহক সভ্যৰে গঠিত স্বায়ত্ত শাসিত জিলাসমূহৰ উপদেষ্টা পৰিষদে ১৯৬৮-৬৯ চনৰ বাৰ্ষিক আঁচনিখনৰ বিষয়ে খৰচি মাৰি আলোচনা কৰে আৰু এই পৰিষদৰ পৰামৰ্শ-মতেই বিভিন্ন বিভাগৰ বাজেট প্ৰস্তুত কৰা হয়।

পাহাৰ অঞ্চলৰ বাবে ১৯৬৮-৬৯ চনত খৰচ কৰিবলৈ ধাৰ্য্য কৰা ধনৰ পৰিমাণ ৭ কোটি টকা। ১৯৬৯-৭০ চনৰ পৰাহে চতুৰ্থ পৰিকল্পনাৰ কাম আৰম্ভ হ'ব কাৰণে ইয়াক দৰাচলতে "সংৰক্ষণ আঁচনি" বুলিহে গণ্য কৰা উচিত। পাহাৰ অঞ্চলৰ বাবে চতুৰ্থ পাঁচ বছৰীয়া আঁচনি সেয়েহে নতুনকৈ প্ৰস্তুত কৰা হ'ব। ইতিমধ্যে যোজনা আঁচনি কাৰ্য্যকৰী কৰিবৰ বাবে প্ৰয়োজনীয় কাৰ্য্যপালিকা আৰু প্ৰশাসনীয় ব্যৱস্থাদি

সক্ৰিয় কৰি তোলা হৈছে। জিলা পৰিষদসমূহে আঁচনি কাৰ্য্যকৰী কৰাত সহযোগ কৰিছে আৰু আৱশ্যকীয় মঞ্জুৰী দিয়া প্ৰথা পোনপটীয়া আৰু সহজ কৰা হৈছে। ১৯৬৬-৬৭ চনতকৈ ১৯৬৭-৬৮ চনত আঁচনি কাৰ্য্যকৰীকৰণ বেছি উন্নত হ'ব।

১৯৬৭-৬৮ চনৰ কালছোৱাত পাহাৰ অঞ্চলত এটি সমবায় উন্নয়ন নিগম আৰু ক্ষুদ্ৰ শিল্প উন্নয়ন নিগম প্ৰতিষ্ঠা কৰিবলৈ লোৱা হয়। মিকিৰ পাহাৰ জিলাত ৰাজ্যিক পৰ্য্যায়ৰ এখন বৃহৎ পাম মুকলি কৰা হ'ব। এই ধৰণৰ আৰু দুখন পাম খাছী পাহাৰ আৰু গাৰো পাহাৰ জিলাত মুকলি কৰাৰ কথা আছে। খাছী পাহাৰ জিলাৰ বাবে ৰোগমুক্ত ভাল সঁচৰ আলুবীজ উৎপাদন কৰাৰ বাবে এখন বিশেষ আঁচনি হাতত লবলৈকো যো-জা কৰা হৈছে। উপযুক্ত অঞ্চলবোৰত ভূমি আবাদীকৰণ আৰু ক্ষুদ্ৰ জলসিঞ্চন আঁচনিৰ কাম হাতত লোৱা হৈছে। বৃজন পৰিমাণৰ বিত্তীয় ব্যৱস্থাৰে বিজুলী শক্তি উৎপাদন আঁচনিও কাৰ্য্যকৰী কৰা হৈছে। পৰিকল্পনা আয়োগৰ উপদেষ্টা শ্ৰীআৰ, ৰালৰ নেতৃত্বত মিজো পাহাৰ জিলালৈ যোৱা দলটিৰ পৰামৰ্শমতে সংৰক্ষিত আৰু প্ৰগতিশীল গাওঁ উন্নয়নৰ এখন বিশেষ আঁচনি হাতত লোৱা হৈছে।

## কৃষি—

ৰাজ্যৰ কৃষি উৎপাদন ধীৰ গতিত আগবাঢ়িব ধৰিছে। ক্ষিপ্ৰ ফলপ্ৰসূ আঁচনি আৰু অধিক উৎপাদনক্ষম জাতৰ সঁচৰ ওপৰত গুৰুত্ব দি আমি সুফল পাইছোঁ। ১৯৬৭-৬৮ চনত বৰপেটা, নলবাৰী, নগাওঁ, হাজো আৰু ধুবুৰী আদি কেতবোৰ ঠাইৰ বাহিৰে বানপানীয়ে আন ঠাইত ব্যাপক ক্ষতি কৰা নাছিল। গোৱালপাৰা জিলাত আৰু কামৰূপ আৰু নগাওঁ জিলাৰ কোনো কোনো অঞ্চলত অভাৱনীয়ভাৱে হোৱা শিলাবৃষ্টিৰ ফলত খেতি বিনষ্ট হয়। ১৯৬৬-৬৭ চনৰ ১৭.৫৬ লাখ টনৰ তুলনাত সাম্প্ৰতিক নিৰ্দ্ধাৰণমতে ১৯৬৭-৬৮ চনত চাউলৰ মুঠ উৎপাদন ১৯.০৮ লাখ টন হ'ব। মৰাপাটৰ উৎপাদন ১৯৬৫-৬৬ চনৰ ৮.৪ লাখ গাঁথ, ১৯৬৬-৬৭ চনৰ ৯.৯ লাখ গাঁথৰ পৰা ১৯৬৭-৬৮ চনত ১০.৪ লাখ গাঁথলৈ বাঢ়িছে। সৰিয়হ, দাইল আৰু ঘেঁহুৰ দৰে ৰবিশস্যৰ ফচলো বাঢ়িব বুলি আশা কৰা হৈছে।

অধিক ফচল পোৱা সঁচৰ খেতি কৰা অঞ্চলৰ পৰিমাণ যথেষ্ট বাঢ়িছে। আশা কৰা গৈছে যে ১৯৬৭-৬৮ চনত টাইচুং নেটিভ—১ আৰু মনোহৰ শালি খেতি কৰা মাটিৰ মুঠ পৰিমাণ ৫৪,০০০ একৰ হবগৈ। টাইচুং নেটিভ—১ তকৈও ভাল বুলি গণ্য হোৱা আন এবিধ সঁচ আই আৰ ৮ ৰ পৰীক্ষামূলকভাৱে অসমৰ বিভিন্ন ঠাইত ব্যাপক খেতি কৰি সন্তোষজনক ফল পোৱা হৈছে। ১৯৬৮-৬৯ চনত আই আৰ ৮ ৰ খেতি আৰু বেছি ব্যাপকভাৱে কৰাৰ কথা ভবা হৈছে আৰু সময়মতে যাতে সঁচৰ যোগান ধৰিব পৰা যায় তাৰ বাবেও আৱশ্যকীয় ব্যৱস্থা লোৱা হৈছে। ১৯৬৬-৬৭ চনৰ ৯ হেজাৰ একৰ আৰু ১৯৬৭-৬৮ চনৰ ৫৪ হেজাৰ একৰৰ ঠাইত ১৯৬৮-৬৯ চনত ১০০ হেজাৰ একৰ মাটিত অধিক ফচল পোৱা সঁচৰ খেতি কৰিবলৈ স্থিৰ কৰা হৈছে। আপাৰ শ্বিলং-১ বোলা এবিধ নতুন সঁচ ৪,০০০ ফুটৰ ওপৰৰ ঠাইবোৰলৈ আৰু ভৈয়ামৰ উপযোগী সঁচ ৩,০০০ ফুটতকৈ নামনিৰ অঞ্চলবোৰলৈ পঠোৱা হৈছে।

দ্বিজাতীয় গোমধানৰ (হাইব্ৰিড মেইজ) খেতি কৰা অঞ্চল ১৯৬৬-৬৭ চনৰ ৪,০০০ একৰৰ ঠাইত ১৯৬৭-৬৮ চনত ৯,৫০০ একৰলৈ বাঢ়িছে। এই ক্ষেত্ৰত মিকিৰ পাহাৰত লাভ কৰা প্ৰগতি বৰ উৎসাহজনক। ১৯৬৮-৬৯ চনত ২০,০০০ একৰ মাটিত এনে খেতি কৰাৰ কথা।

বছৰটোত পৰীক্ষামূলকভাবে কৰা মেক্সিকান ঘেঁহুৰ খেতিৰ উৎপাদনো সন্তোষজনক। ১৯৬৮-৬৯ চনত প্ৰায় ৬,০০০ একৰ মাটিত এই খেতি কৰা হ'ব।

দহটা বছা বছা খণ্ডত ব্যাপক আকাৰত মৰাপাট উন্নয়ন আঁচনি আৰম্ভ কৰা হৈছে। ভাল জাতৰ মৰাপাট পোৱাৰ উদ্দেশ্যে নগাওঁ জিলাত ১,০০০ একৰ মাটিত খেতি কৰাৰ এখন বিশেষ আঁচনি হাতত লোৱা হৈছে। ১৯৬৭-৬৮ চনত ৪১৫ কুইণ্টল উন্নত বীজ বিতৰণ কৰা হৈছে। তদুপৰি ২৬,২৮০ একৰ মাটিত ৰাসায়নিক সাৰ ছটিওৱা হৈছে।

শস্য-সংৰক্ষণৰ ব্যৱস্থাও জোৰেৰে কাৰ্য্যকৰী কৰা হৈছে। কৃষি বিভাগৰ হাতত বৰ্ত্তমানে ৭০০টা শক্তিচালিত "স্প্ৰেয়াৰ" আছে আৰু পাঁচখন জিলাক সময়োপযোগী আৰু কাৰ্য্যকৰী ব্যৱস্থা লবলৈ পাচখন চলন্ত "ভান" দিয়া হৈছে। ভৈয়ামৰ আন দুখন জিলাকো অধিক ফচল পোৱা সঁচৰ খেতি কৰাৰ সুবিধাৰ্থে চলন্ত "ভান" দিয়া হ'ব।

১৯৬৬-৬৭ চনত ব্যৱহৃত ৰাসায়নিক সাৰৰ পৰিমাণ আছিল ১৪,০০০ টন। বানপানীৰ বাবে সেই বছৰ ৰাসায়নিক সাৰ ব্যৱহাৰত বাধা জন্মিছিল। কিন্তু ১৯৬৭-৬৮ চনত ব্যৱহৃত ৰাসায়নিক সাৰৰ পৰিমাণ পুনৰ বাঢ়ি গৈ ১৭,০০০ টন হয় গৈ। ১৯৬৫-৬৬ চনত বিভাগীয় ট্ৰেক্টৰৰ সংখ্যা আছিল ৯৬ খন। ১৯৬৭-৬৮ চনত এনে ট্ৰেক্টৰৰ সংখ্যা হয় ১৭৮ খন। মাটি চাহ কৰা যন্ত্ৰৰ চাহিদা পূৰণৰ বাবে ইয়েন ঋণ আঁচনি অনুযায়ী ভাৰত চৰকাৰৰ পৰা ৩০০ খন জাপানী যান্ত্ৰিক হাল কিনাৰ ব্যৱস্থা কৰা হৈছে। ট্ৰেক্টৰ আৰু আন যন্ত্ৰ-পাতি কিস্তিত মূল্য দি (hire purchase) কিনিব পৰাৰ আঁচনিও প্ৰৱৰ্ত্তন কৰা হৈছে।

নলা কাটি খেতি-পথাৰলৈ পানী অনা আঁচনি কাৰ্য্যকৰী কৰিবলৈ পঞ্চায়তবোৰক অনুদান দিয়া হৈছে আৰু নাদ বা নলীনাদ আদিৰ পানী তুলি খেতি পথাৰলৈ নিবলৈ পাম্প ভাৰালৈ দিয়া নাইবা কিস্তিত মূল্য দি (hire purchase) কিনাৰ সুবিধা আগবঢ়োৱা হৈছে। মায়াং খণ্ডত এই বিভাগে যোগোৱা ৫৩টা পাম্পেৰে ৫০০০ একৰ মাটিত জলসিঞ্চনৰ ব্যৱস্থা কৰা হৈছে। ৰাজ্যিক বিদ্যুৎ মণ্ডলীৰ সহযোগত বিজুলী শক্তিৰে পানী তুলি জলসিঞ্চনৰ ব্যৱস্থা কৰিবলগীয়া অঞ্চল বাছি উলিওৱাৰ বাবে এখন আঁচনিৰ কামো হাতত লোৱা হৈছে।

অসম বীজ নিগম আৰু কৃষি-উদ্যোগ নিগম—

খেতিয়কক কৃষিৰ সা-সঁজুলি যোগান ধৰা ব্যৱস্থাৰ উন্নতি সাধিবৰ কাৰণে "অসম বীজ নিগম" (Assam Seed Corporation) আৰু "কৃষি-উদ্যোগ নিগম" (Agro-Industries Corporation) প্ৰতিষ্ঠা কৰা হৈছে। বীজ নিগমৰ কাম ১৯৬৭ চনৰ এপ্ৰিল মাহৰ পৰা আৰম্ভ কৰা হৈছে আৰু এই নিগমে ইতিমধ্যে ৮,০০০ কুইন্টল আলু বীজ আৰু ৮০০ কুইন্টল মেক্সিকো জাতীয় ঘেঁহু বীজকে আদি কৰি বিভিন্ন বীজৰ যোগান ধৰাৰো ব্যৱস্থা কৰিছে। বীজ পামসমূহৰ (Seed Farm) কাম-কাজ উন্নত কৰিবলৈ আৰু উন্নত বীজ উৎপাদন কৰাৰ অৰ্থে ব্যৱস্থা হাতত লোৱা হৈছে।

কৃষি-উদ্যোগ নিগমৰ কাম ১৯৬৭ চনৰ নৱেম্বৰ মাহতে আৰম্ভ হৈছে। এই নিগমে সাৰ, কীট-পতঙ্গনাশক ঔষধ আৰু সা-সৰঞ্জাম বিলোৱাৰ উপৰিও কিস্তিত মূল্য দি কিনাৰ (hire purchase) যোগেদি ট্ৰেক্টৰ, পাম্প আদি খেতিয়কসকলক যোগান ধৰিব। ১৯৬৭-৬৮ চনৰ সময়ছোৱাত কিস্তিৰ মূল্য দি কিনা আঁচনিৰ ক্ষেত্ৰত নিগমক ১৫ লাখ টকা দিয়া হৈছে আৰু আনহাতে অংশ মূলধনত ৰৰঙনি যোগোৱা হিচাপে ১৯ লাখ টকা দিয়া হব।

সমবায়—

সমবায় আন্দোলনৰ অন্যতম প্ৰধান কাম হ'ল কৃষি-ঋণ দান। কৃষিজাত দ্ৰব্যৰ প্ৰচেচিং (processing) আৰু বেচা-কিনাৰ বাহিৰেও দীৰ্ঘ-কালীন (long-term) আৰু বতৰ সাপেক্ষ (seasonal) কৃষি-ঋণ দানত যথেষ্ট উন্নতি পৰিলক্ষিত হৈছে। ঋণ পুনৰ সঞ্জীৱন কাৰ্য্যসূচী আৰু চাৰিখন জিলা, যেনে কামৰূপ, গোৱালপাৰা, শিৱসাগৰ আৰু লক্ষীমপুৰলৈ সম্প্ৰসাৰণ কৰা হৈছে। ইয়াৰ পূৰ্ণ ফলাফল ১৯৬৮-৬৯ চনৰ পৰাহে অনুভৱ কৰিব পৰা হব।

সমবায় কেন্দ্ৰীয় বেঙ্কসমূহ শক্তিশালী কৰা হৈছে। কেন্দ্ৰীয় বেঙ্কৰ অংশ মূলধন ৩০।৬।৬৭ লৈকে ৫৪·৪৪ লাখ টকা হয় গৈ। আগৰ বছৰটোত অংশ মূলধনৰ পৰিমাণ আছিল ৪৩·৩৭ লাখ টকা। সেই একেদৰেই এই কালছোৱাত জমাৰ পৰিমাণো ৭৮·৩৪ লাখ টকাৰ পৰা ৯২·০৪ লাখ হয় গৈ।

শিলঘাটত সমবায় খণ্ডত স্থাপন কৰা অসম মৰাপাট কলৰ (Assam Jute Mills) নিৰ্ম্মাণ কাৰ্য্য আৰম্ভ কৰা হৈছে আৰু যন্ত্ৰসমূহ আমদানি কৰাৰ ফৰমাচ দিয়া হৈছে।

কেন্দ্ৰীয় পৃষ্ঠপোষকতাত হাতত লোৱা গ্ৰাহক সমবায়সমূহৰো ক্ৰমাগত উন্নতি পৰিলক্ষিত হৈছে। বৰ্ত্তমানে এই আঁচনিৰ অন্তৰ্গত ৮ খন পাইকাৰী ভাণ্ডাৰ আৰু ৬৭ খন প্ৰাথমিক ভাণ্ডাৰ আছে। চহৰ অঞ্চলৰ জনসংখ্যাৰ শতকৰা ২০ ভাগ আৰু নিৰ্দ্ধাৰিত আয়বিশিষ্ট লোকৰ শতকৰা ১০০ ভাগ সামৰি লোৱাই হৈছে এই আঁচনিৰ উদ্দেশ্য। ৪·৪ লাখ টকা চৰকাৰী সাহায্যৰে গুৱাহাটীত সহায়িকা নামৰ এক বিভাগীয় ভাণ্ডাৰ প্ৰতিষ্ঠা কৰা হৈছে। তেনে ধৰণৰ ভাণ্ডাৰ এটা শ্বিলঙত স্থাপন কৰাৰ প্ৰস্তাৱ এটি বিবেচনাধীন হৈ আছে।

কৃষিপাম সমিতি আৰু তাঁতশাল আৰু শক্তিচালিত শালসমূহৰ কাম-কাজ সন্তোষ-জনকভাবে চলি আছে। সমিতিসমূহৰ ভালেমান বিভাগীয় বিষয়া, কৰ্ম্মচাৰী আৰু বিষয়ববীয়াক অসম আৰু অসমৰ বাহিৰতো প্ৰশিক্ষিত কৰি অনা হৈছে।

কাৰিকৰী সাহায্য আৰু অভিজ্ঞ দিহা-পৰামৰ্শ যোগোৱাৰ উপৰিও পাৰ্ব্বত্য এলেকাৰ সমবায় সমিতিসমূহৰ কাম-কাজৰ সমন্বয় সাধন, তদাৰক আৰু নিয়ন্ত্ৰণৰ বাবে অসম পাৰ্ব্বত্য সমবায় উন্নয়ন নিগম প্ৰতিষ্ঠা কৰা হৈছে।

পশুপালন—

পশুপালন আৰু পশু-চিকিৎসা বিভাগে ৰাজ্যখনৰ পশু আৰু হাঁহ-কুকুৰা সম্পদ উন্নয়নৰ অৰ্থে প্ৰচেষ্টা চলাই আহিছে। ১৯৬৭-৬৮ চনৰ শেষলৈ এই বিভাগে ২৫টা ষাঁড়, ৫০টা কুকুৰা আৰু ১·৫ লাখ মুগী পোৱালী থলুৱা সঁচৰ উন্নয়নৰ বাবে বিতৰণ কৰিছিল। ইয়াৰ উপৰিও ২৫ হেজাৰ গাই-গৰু কৃত্ৰিম প্ৰজনন আঁচনিৰ অন্তৰ্ভুক্ত হৈছে।

অসম পশু-চিকিৎসা কলেজ আৰু পশু-গৱেষণা কেন্দ্ৰ শক্তিশালী কৰা হৈছে আৰু এম-ভি-এচ্ চি আৰু পি-এইচ-ডিৰ বাবে স্নাতকোত্তৰ পাঠ্যক্ৰম খোলা হৈছে।

বহু অসুবিধা সত্বেও গুৱাহাটী, শ্বিলং আৰু যোৰহাটত গাখীৰ যোগান আঁচনিয়ে ক্ৰমাগত প্ৰগতি লাভ কৰা দেখা গৈছে।

বানপানী-নিয়ন্ত্ৰণ আৰু জলসিঞ্চন—

১৯৬৭-৬৮ চনৰ কালছোৱাত সৰু-সুৰা ক্ষতিসাধনৰ বাহিৰে ৰাজ্যখন প্ৰলয়ঙ্কৰী বানপানীৰ গৰাহৰ পৰা ৰক্ষা পৰে। বানপানীৰ পৰা সৃষ্টি হোৱা বিপৰ্য্যয় প্ৰতিৰোধ কৰিবলৈ ঘাই ঘাই নদী আৰু উপনদীসমূহত বান্ধ আৰু সঞ্চিত জলাধাৰ নিৰ্ম্মাণৰ আকাৰত দীৰ্ঘ-ম্যাদী বান-নিয়ন্ত্ৰণ ব্যৱস্থাৰ প্ৰয়োজন আছে। কিন্তু ধনৰ নাটনিয়ে আমাৰ আঁচনিৰ উদ্দেশ্য সাধনত কঠোৰ ভাবে বাধা প্ৰদান কৰিছে।

১৯৬৮-৬৯ চনত বান-নিয়ন্ত্ৰণ আঁচনিৰ কাৰণে ৩ কোটি টকা ধাৰ্য্য কৰা হয়। বৰাক নদীত বান্ধ বন্ধা আঁচনিৰ প্ৰাৰম্ভিক অনুসন্ধানৰ কাম সম্পূৰ্ণ হৈছে আৰু প্ৰতিবেদনত শিলচৰলৈকে যথোচিত বান-প্ৰতিৰোধ ব্যৱস্থা আৰু শিলচৰৰ সিফাললৈ সীমিত বান-প্ৰতিৰোধৰ ব্যৱস্থাৰে ৪০ কোটি টকা ব্যয় সাপেক্ষে ৭৬ মেগাৱাট বিজুলীশক্তি উৎপাদনৰ কথা উল্লেখ কৰা হৈছে।

খনন-যন্ত্ৰৰ কোনো নিৰ্দ্দিষ্ট ধৰণ কেন্দ্ৰীয় চৰকাৰে সম্পূৰ্ণৰূপে উলিয়াব নোৱাৰা হেতুকে পৰীক্ষামূলকভাবে ঠাইবিশেষে ব্ৰহ্মপুত্ৰৰ তলিখন্দা আঁচনিৰ কাম স্থগিত ৰখা হৈছে।

পাৰ্ব্বত্য অঞ্চলৰ দহ লাখ টকাকে ধৰি ১৯৬৮-৬৯ চনত মজলীয়া জল-সিঞ্চন আঁচনিৰ বাবে ৮৩ লাখ টকা বণ্টন কৰা হয়। অৱশ্যে যমুনা আঁচনিৰ কাম সম্পূৰ্ণ কৰাৰ কাৰণে ৬৮ লাখ টকা বেলেগে ৰখা হৈছে। ১৯৬৮-৬৯ চনত সাধাৰণ আৰু পাৰ্ব্বত্য অঞ্চলৰ ক্ষুদ্ৰ জল সিঞ্চনৰ বাবে কৃষি খণ্ডৰ অধীনত যথাক্ৰমে ৪৫ লাখ আৰু ১২ লাখ টকা বণ্টন কৰা হৈছে। এই বণ্টনৰ পৰিমাণ অতি তাকৰীয়া। কেন্দ্ৰীয় চৰকাৰে অধিকতৰ সাহায্য নিদিলে আমাৰ বান-নিয়ন্ত্ৰণ আৰু জলসিঞ্চন আঁচনিৰ কাম সম্পূৰ্ণৰূপে চলাই যাব পৰা নহব।

ভূমি সংস্কাৰ আৰু ৰাজহ—

জনসংখ্যা বৃদ্ধি, ব্ৰহ্মপুত্ৰৰ ব্যাপক গৰা-খহনীয়া আৰু প্ৰতিৰক্ষা, ৰেল বিভাগ আৰু অন্যান্য কৰ্তৃপক্ষই উন্নয়নমূলক কামৰ বাবে বহু পৰিমাণৰ মাটি অধিগ্ৰহণ কৰা হেতুকে মাটিৰ চাহিদা বহু গুণে বৃদ্ধি পোৱা কথাটো মাননীয় সদস্যসকলে জানে। পাবপৰা পতিত মাটিৰ সমীক্ষাৰ পৰা দেখা যায় যে ১.৭৪ লাখ বিঘা মাটি যান্ত্ৰিক উপায়েৰে আৰু এক লাখ বিঘা মাটি কায়িক শ্ৰমেৰে আবাদ কৰিব পৰা যায়। পট্টন দিবৰ বাবে এই মাটি সমূলি তাকৰ। ভূমিহীন খেতিয়কক পট্টন দিয়াৰ বাবে সহজতে পাবপৰা মাটিৰ ভিতৰত সম্প্ৰতি কেৱল ৭৪,০০০ বিঘাহে মাটি আছে। সকলো কথা বিবেচনা কৰি অসম চৰকাৰে অলপতে এটা নতুন ভূমি-পট্টন নীতি গ্ৰহণ কৰিছে। ১০০ বিঘাৰো অধিক আয়তনৰ মাটি পট্টন দিয়াৰ ক্ষেত্ৰত যাতে গাওঁ-সভাৰ অনুমতি বিনে মাটি হস্তান্তৰিত কৰিব নোৱাৰে সেইটো ঠাৱৰ কৰাৰ অৰ্থে মাটি পৰিচালনা কৰিবলৈ গ্ৰামদান আইন অনুসৰি গাওঁ সভাৰ আৰ্হিত একোখনকৈ গাওঁ-সভা গঠন কৰা হব। সমবায় নাইবা সামূহিক ভিত্তিত খেতি কৰা কামত উৎসাহ যোগোৱা হ'ব। কোন কোন সংৰক্ষিত ব্যৱসায়িক চৰণীয়া পথাৰ আৰু সংৰক্ষিত গৰু চৰণীয়া পথাৰ দখল নিদিয়াকৈ ৰখা হ'ব সেই কথা নিৰূপণ কৰিব ভূমি পট্টন উপদেষ্টা সমিতিয়ে। অন্যান্য ব্যৱসায়িক আৰু সংৰক্ষিত গৰু চৰণীয়া পথাৰবোৰ ভূমিহীন আৰু খহনীয়া প্ৰপীড়িত লোকৰ মাজত

পট্টন দিয়া হ'ব। এই সংৰক্ষিত অঞ্চলসমূহত বেদখল কৰা লোকসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লোৱা হ'ব আৰু ততালিকে তেওঁলোকক উচেছদ কৰা হ'ব। প্ৰকৃত কৃষককহে মাটি পট্টন দিয়া হ'ব আৰু কোনো লোককে ১০ বিঘাতকৈ অধিক মাটি দিয়া নহব।

ভূমিৰ সৰ্ব্বোচচ পৰিমাণ নিৰ্দ্ধাৰণ আইন অনুসৰি ইতিপূৰ্ব্বে অধিগ্ৰহণ কৰা ১,৩৯,০০০ বিঘা মাটিৰ উপৰিও ১৯৬৭-৬৮ চনত ৬৩,১৬২ বিঘা অতিৰিক্ত মাটি অধিগ্ৰহণ কৰা হৈছে। সাম্প্ৰতিক ভূমি সমস্যা, কৃষি-বাতাবৰণ আৰু অন্যান্য সংশ্লিষ্ট বিষয় বিবেচনা কৰি আৰু সংস্কাৰ-কাৰ্য্য অধিক সক্ৰিয় ভাবে প্ৰয়োগ কৰাৰ উদ্দেশ্যে চৰকাৰে ভূমিৰ সৰ্ব্বোচচ পৰিমাণ ১০০ বিঘালৈ কৰ্ত্তন কৰাৰ সিদ্ধান্ত লৈছে। ১৯৬৭-৬৮ চনত সাৰ্ব্বজনীন ধৰণৰ ধৰ্ম্মীয় আৰু দাতব্য অনুষ্ঠানৰ মাটি অধিগ্ৰহণ আইন অনুসৰি ৫৪ টা অনুষ্ঠানৰ ১,৪০,২০০ বিঘা মাটি অধিগ্ৰহণ কৰা হয়। ১৯৫১ চনৰ অসম ৰাজ্যিক জমিদাৰী অধিগ্ৰহণ আইন অনুসৰি প্ৰাক্তন জমিদাৰসকলক ১৭ লাখ টকাৰ ব'ণ্ড দিয়া হয়। আধি খাওঁতাসকলক মাটিৰ ওপৰত অধিক স্বত্ব দিয়াৰ উদ্দেশ্যে চৰকাৰে ৰায়তী স্বত্ব আইনখন সংশোধন কৰিবলৈ প্ৰস্তাৱ কৰিছে।

১৯৬৭ চনৰ নৱেম্বৰ মাহত হোৱা শিলাবৃষ্টিয়ে অন্যান্য সা-সম্পত্তি নষ্ট কৰাৰ উপৰিও শালি ধান আৰু ৰ'বি শস্যৰ যথেষ্ট ক্ষতিসাধন কৰে।

বানপানীৰ পৰা হোৱা ক্ষতিৰ পৰিমাণো কিছু অনুৰূপায়। প্ৰাকৃতিক দুৰ্যোগত প্ৰপীড়িত লোকসকলক সহায় কৰিবলৈ সাহায্য-ব্যৱস্থা হিচাপে ২৭,৬৪,০৮৩ টকা ব্যয় কৰা হয়।

ভূমি অভিলেখ কৰ্ম্মচাৰীসকলৰ কাম-কাজ সুচাৰুৰূপে তদাৰক কৰাটো সুচল কৰিবলৈ ১৯৬৭ চনৰ ডিচেম্বৰ মাহত ভূমি অভিলেখ আৰু সমীক্ষা আদিৰ অধিকৰ্ত্তাৰ কাৰ্য্যালয়টো গুৱাহাটীলৈ স্থানান্তৰিত কৰা হয়। লক্ষীমপুৰ আৰু নগাওঁ জিলাৰ পুনৰ-বন্দোৱস্তিৰ কাম আগবাঢ়ি আছে।

## বনাঞ্চল

বন বিভাগে গছ-গছনি ৰোৱা আৰু নতুনকৈ বননিৰ সৃষ্টি কৰা আঁচনিসমূহ চলাই আহিছে। কোনো কোনো অঞ্চলত সোনকালে ডাঙৰ হোৱা জাতৰ গছ-গছনি ৰোৱা হয়। মুঠতে ২,১৮২ হেক্টৰ মাটিত বননি পুনৰ সৃষ্টি কৰা কাম হাতত লোৱা হয়। ১৯৬৬-৬৭ চনৰ ৮৪ কিলোমিটাৰৰ ঠাইত ১৯৬৭-৬৮ চনত ১০৫ কিলো-মিটাৰ আলিবাট নিৰ্ম্মাণৰ কাম সম্পূৰ্ণ হ'ব বুলি আশা কৰা হৈছে।

ৰাজ্যখনত বনভিত্তিক উদ্যোগ স্থাপন কৰাৰ কাৰণে কেঁচা মাল প্ৰাপ্তি নিৰ্ণয় কৰিবলৈ এটা বনজ সম্পদ সমীক্ষা সংমণ্ডল স্থাপন কৰা হয়। অসম বন-বিদ্যালয়তো প্ৰশিক্ষণৰ সুবিধা বঢ়োৱা হয়।

কাজিৰঙা বন্যপ্ৰাণী অভয়াৰণ্যখনত ৰাষ্ট্ৰীয় গুৰুত্ব আৰোপ কৰা আৰু আন্তঃ-ৰাষ্ট্ৰীয় আকৰ্ষণ বঢ়োৱাৰ উপৰিও যথোপযুক্ত ধৰণে বন্যপ্ৰাণী সংৰক্ষণৰ সুবিধাৰ্থে এই অভয়াৰণ্যখন ৰাষ্ট্ৰীয় পাৰ্কত পৰিণত কৰা হব। জিলা পৰিষদৰ অধীনস্থ বনাঞ্চল-সমূহ উন্নত কৰিবৰ কাৰণে যাৱতীয় কাৰিকৰী সাহায্য যোগোৱা হ'ব।

## সংগ্ৰহ

চৰকাৰে একচেটিয়া সংগ্ৰহ-নীতি অব্যাহত ভাবে চলাই আহিছে। নগাওঁ আৰু দৰং জিলাত অসম সমবায় এপেক্স কিনা-বেচা সমিতি লিমিটেডে সংগ্ৰহৰ কাম কৰিছে আৰু ৰাজ্যৰ বাকী অংশত সংগ্ৰহৰ কাম কৰিছে ভাৰতীয় খাদ্য নিগমে। সংগ্ৰহৰ কামো উৎসাহজনক ; কিন্তু মুকলি বজাৰত ধান-চাউলৰ চৰা দামে সংগ্ৰহৰ লক্ষ্যত উপনীত হোৱাত গুৰুতৰ ভাবে প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিছে। চাহ বাগিছাসমূহত উৎপাদন কৰা ধান বাগিছা-পৰিচালনা কৰ্তৃপক্ষক যোগান ধৰাৰ বাবে সংগ্ৰহ কৰা হ'ব।

স্থলপথ আৰু জলপথেৰে নিশা ধান-চাউল অনা-নিয়া কৰাটো নিষিদ্ধ কৰা হৈছে আৰু ধান-চাউলৰ চোৰাং ব্যৱসায় বন্ধ কৰাৰ উদ্দেশ্যে ভালেমান ব্যৱস্থা গ্ৰহণ কৰা হৈছে। গোৱালপাৰা জিলাৰ অন্তৰ্গত ৰেল-আলি ছোৱাত তালাচী চকী স্থাপন, দণ্ডাধিকাৰী নিয়োগ আৰু ভ্ৰাম্যমান আদালতৰ ব্যৱস্থাও কৰা হৈছে। ১৯-২-৬৮ তাৰিখলৈকে ১০,৪৭,০০০ কুইণ্টল সংগ্ৰহ কৰা হয় আৰু যোৱা বছৰ এই অনুৰূপ সময়ছোৱাত ৬,৪২,৮৩২ কুইণ্টল সংগ্ৰহ কৰা হৈছিল। কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰলৈ চাউলৰ যোগান ধৰাৰ সম্ভাৱনা নাই আৰু ১৯৬৭ চনৰ নৱেম্বৰ মাহৰ ২০,০০০ টনৰ পৰা ১৯৬৭ চনৰ ডিচেম্বৰ মাহত ১৬,৪০০ টন আৰু ১৯৬৮ চনৰ জানুৱাৰী মাহত ১২,৪০০ টনলৈ ঘেঁহুৰ পৰিমাণো হ্ৰাস কৰে। প্ৰকৃতপক্ষে পঠোৱা বস্তুৰ পৰিমাণ যথেষ্ট কমহে হ'ব। ইয়াৰ ফলত ঘেঁহু আৰু ঘেঁহুজাত দ্ৰব্যৰ ক্ষেত্ৰত ভীষণ অনাটনে দেখা দিয়ে। ৰাজ্যৰ ব'লাৰ ময়দা কলবোৰ প্ৰতি মাহে কেইবাদিনো ধৰি বন্ধ ৰাখিবলগীয়া হয় আৰু তাৰ ফলত নানান সমস্যাৰ উদ্ভৱ হয়। এইটো আশা কৰা হৈছে যে কেন্দ্ৰীয় চৰকাৰে আমাৰ অসুবিধা-সমূহৰ কথা উপলব্ধি কৰিব আৰু ঘেঁহু বণ্টনৰ পৰিমাণ বৃদ্ধি কৰি বণ্টন কৰা বস্তুখিনিও সম্পূৰ্ণৰূপে পঠিওৱাটো ঠাৱৰ কৰিব।

## ব্যৱহাৰ্য্য দ্ৰব্য

বিলাতী মাটিৰ যোগান-পৰিস্থিতি যথেষ্ট পৰিমাণে উন্নত হৈছে আৰু অসম বিলাতী মাটিৰ কাৰখানাইও ৰাজ্যখনত বিলাতী মাটিৰ যোগান ধৰা কাম আৰম্ভ কৰিছে। ১৯৬৭ চনৰ ফেব্ৰুৱাৰী মাহৰ পৰা ক'লা টিন-পাতৰ ওপৰত থকা নিয়ন্ত্ৰণ উঠাই লোৱা হৈছে। অৱশ্যে অসম চৰকাৰক অলপতে ২,০৮৪ টন টিন-পাতৰ বণ্টন দিয়া হৈছে আৰু অলপ দিনৰ ভিতৰতে এই টিন-পাত চৰকাৰী হিচাপত অনা হ'ব।

১৯৬৭ চনৰ আগষ্ট মাহৰ পৰা ভাৰত চৰকাৰে চেনিৰ ওপৰত আংশিক নিয়ন্ত্ৰণৰ নীতি অনুসৰণ কৰাৰ ফলত মুকলি বজাৰত চেনিৰ দাম বাঢ়ি যায়। আন হাতে চৰকাৰে সংগ্ৰহ কৰা চেনিৰ দাম একেদৰেই থাকে। অসমৰ চেনি-ব্যৱসায়ীসকলক ৰাজ্যখনলৈ মুকলি বজাৰত বেচাৰ কাৰণে পাৰ্য্যমানে চেনি আনিবলৈ উদগনি দিয়া হৈছে। মুকলি বজাৰৰ চেনিৰ দাম নিয়ন্ত্ৰিত মূল্যৰ চেনিতকৈ বেছি হ'লেও দুমাহমানৰ ভিতৰতে অধিক পৰিমাণে চেনি পাবপৰা হ'ব বুলি আশা কৰা হৈছে।

## বিজুলী-শক্তি

সন্মানিত সদস্যসকলে জানে যে ৰাজ্যিক বিদ্যুৎ-মণ্ডলীৰ কাম-কাজৰ সম্প্ৰসাৰণ ঘটিছে। সম্প্ৰতি নগালেণ্ডলৈ বিজুলী-শক্তি যোগাবলৈ ব্যৱস্থা কৰা হৈছে। লাইন নিৰ্মাণৰ কাম সম্পূৰ্ণ হলে ১৯৬৮-৬৯ চনৰ কালছোৱাত ত্ৰিপুৰালৈ বিজুলী-শক্তি যোগান ধৰা হ'ব। দক্ষিণ পাৰৰ পৰা ব্ৰহ্মপুত্ৰৰ মাজেদি উত্তৰ পাৰৰ তেজপুৰ আৰু ৰঙিয়ালৈ বিজুলী-শক্তি প্ৰেৰণৰ বাবে ভাৰতৰ ভিতৰতে অন্যতম সুদীৰ্ঘ বিজুলী-শক্তি লাইনৰ যোগেদি ৪,৫০০ ফুটতকৈ অধিক দৈৰ্ঘ্যৰ লাইনেৰে জলবিদ্যুৎ-শক্তি প্ৰেৰণ কৰা হৈছে।

উমক্ৰ আঁচনিৰ দ্বিতীয় পৰ্য্যায়, গাৰো পাহাৰ আৰু ৩০ মেগাৱাট শক্তিসম্পন্ন গুৱাহাটীৰ থাৰ্মেল পাৱাৰ ষ্টেশ্যনৰ নিৰ্ম্মাণ-কাৰ্য্যও নিয়াৰিকৈ চলি আছে। উমিয়াম আঁচনিৰ দ্বিতীয় পৰ্য্যায় আৰু গুৱাহাটীৰ ৩০ মেগাৱাট থাৰ্মেল ষ্টেশ্যনৰ সকলোবোৰ যন্ত্ৰপাতি পোৱা হৈছে।

কপিলী জলবিদ্যুৎ আঁচনিৰ উপদেষ্টা-মণ্ডলীয়ে এই বুলি অভিমত দিছে যে এই আঁচনিখন অকল সম্ভৱপৰেই নহয়, আকৰ্ষণীয়ও। ইয়াৰ পৰা বান-নিয়ন্ত্ৰণ আৰু জলসিঞ্চনতো ভালেখিনি সুবিধা পোৱাৰ সম্ভাৱনা আছে। এই বিষয়ে সম্প্ৰতি আৰু অধ্যয়ন চলাই থকা হৈছে। যোজনা আয়োগে ৩০ মেগাৱাট ষ্টীম টাৰবাইন এটাৰে নামৰূপ থাৰ্মেল আঁচনিৰ সম্প্ৰসাৰণ অনুমোদন কৰিছে আৰু ১৯৬৮-৬৯ চনত ইয়াৰ কাম আৰম্ভ কৰা হ'ব।

## গ্ৰাম্য বৈদ্যুতিকৰণ

ধনৰ নাটনিৰ হেতুকে অসমত গ্ৰাম্য বৈদ্যুতিকৰণৰ কাম-কাজে বিশেষ অগ্ৰগতি লাভ কৰিব পৰা নাই। অসমত বিজুলী সৰবৰাহ কৰা গাৱঁৰ মুঠ সংখ্যা হ'ল ১৪০। অৱশ্যে বিদ্যুৎ-মণ্ডলীয়ে অলপতে ক্ৰমাগত গ্ৰাম্য বৈদ্যুতিকৰণৰ আঁচনি এখন প্ৰৱৰ্ত্তন কৰিছে আৰু ১৯৬৮-৬৯ চনত ১৬০ টা কৃষি-পাম্প যন্ত্ৰ সক্ৰিয় কৰাৰ উপৰিও ৭৫ খন গাৱঁত বিজুলী-শক্তি যোগাবলৈ প্ৰস্তাৱ কৰা হৈছে। মায়ঙত পৰীক্ষামূলকভাবে ওখ ঠাইলৈ পানী তুলি কৰা জলসিঞ্চনৰ ব্যৱস্থাত সুফল পোৱা গৈছে আৰু জলসিঞ্চনৰ বাবে পানীৰ যোগান নিশ্চিত কৰাৰ অৰ্থে ৪১ টা অতিৰিক্ত পাম্প বহুৱাবলৈও প্ৰস্তাৱ কৰা হৈছে। অলপতে বেঙ্কৰ পৰা ঋণ লৈ চাহ- বাগিছা সমূহত বিজুলী-শক্তিৰ যোগান ধৰা কামো আৰম্ভ কৰা হৈছে আৰু গ্ৰাম্য বৈদ্যুতিকৰণত ই যথেষ্ট প্ৰভাৱ পেলাব বুলিও আশা কৰা হৈছে।

পাৰ্ব্বত্য জিলা কেইখনৰ বিজুলী-যোগান আঁচনিত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। আইজাল নগৰৰ পানী-যোগান আঁচনিৰ কাৰণে বিজুলী-শক্তিৰ যোগান ধৰিবলৈ আইজাল বিজুলী-শক্তি উৎপাদন-কেন্দ্ৰৰ সামৰ্থ্য বৃদ্ধি কৰাৰ উপৰিও মিজো পাহাৰ জিলাৰ লুংলে আৰু কলোশিবকে ধৰি কেতবোৰ চহৰ আৰু গাৱঁত বিজুলী-শক্তি যোগানৰ প্ৰস্তাৱ কৰা হৈছে। সংযুক্ত খাচী আৰু জয়ন্তীয়া পাহাৰ আৰু মিকিৰ আৰু উত্তৰ কাছাৰ পাহাৰৰ গ্ৰাম্য বৈদ্যুতিকৰণৰ বাবেও আঁচনি হাতত লোৱা হৈছে।

চেৰাপুঞ্জীৰ অসম বিলাতী মাটিৰ কাৰখানাটোৰ উৎপাদন বৃদ্ধি কৰিবলৈ মনস্থ কৰা হেতুকে শ্বিলঙৰ পৰা চেৰাপুঞ্জীলৈ ১৩২ হেজাৰ ভল্টৰ লাইন নিয়াৰ প্ৰস্তাৱ কৰা হৈছে। ৩৩ কিলোৱাটৰ এটা লাইনেৰে বোকাজানৰ লগত মিকিৰ পাহাৰৰ ডিফু আৰু আন এটা ৩৩ কিলোৱাটৰ লাইনেৰে বদৰপুৰৰ লগত উত্তৰ কাছাৰৰ হাফ্লঙ সংযোগ কৰাৰো আঁচনি গ্ৰহণ কৰা হৈছে। সন্মানিত সদস্যসকলে শুনি সুখ পাব যে নাঙ্গল-বিব্ৰাত কয়লাৰ ওপৰত ভিত্তি কৰি স্থাপন কৰা থাৰ্মেল বিজুলী-শক্তি কেন্দ্ৰৰ পৰা ইতিমধ্যে তুৰালৈ বিজুলী-শক্তি অনা হৈছে।

## উদ্যোগ

১৯৬৫ চনৰ মাৰ্চ্চ মাহত স্থাপন কৰা অসম বৃহৎ ঔদ্যোগিক প্ৰচেষ্টা নিগমে কৃষি-বিষয়ক সাজ-সৰঞ্জাম (শক্তিচালিত মাটি চহোৱা যন্ত্ৰ), কীট-পটঙ্গ নিধন কৰা দৰব, অগ্নি আৰু বিস্ফোৰণ নিবাৰণ সাজ-সঁজুলি, বৈদ্যুতিক ট্ৰেন্স্ফৰমাৰ, পি-ভি-চি পাইপ আৰু অন্যান্য সঁজুলি আদি তৈয়াৰ কৰা সম্পৰ্কত প্ৰচেষ্টা-প্ৰতিবেদন প্ৰস্তুত কৰে। এই প্ৰচেষ্টাসমূহ বৰ্ত্তমান পৰীক্ষাধীন হৈ আছে।

১৯৬৭ চনৰ আগষ্ট মাহত উদ্যোগপতি, ভাৰত চৰকাৰৰ অভিকৰণ আৰু কাৰিকৰী বিশেষজ্ঞসকলৰ সন্মিলন এখন শ্বিলঙত অনুষ্ঠিত হয়। এই সন্মিলনৰ চুপাৰিচ অনুযায়ী চৰকাৰে ঔদ্যোগিক বিকাশৰ অৰ্থে কেতবোৰ সা-সুবিধা আৰু উদগনি দিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে।

ৰাস্তা নিৰ্ম্মাণ

ৰাষ্ট্ৰীয় ৰাজপথ নং ৩১, ৩১-খ, ৩৭ আৰু ৩৮ৰ উন্নয়ন-কাৰ্য্য সন্তোষজনক–ভাৱে আগবাঢ়িছে। ৪০ কিলোমিটাৰ ৰাস্তা পকা কৰাৰ উপৰি ৬০ কিলোমিটাৰ নতুন ৰাস্তা নিৰ্ম্মাণ, ১৫০ কিলোমিটাৰ অন্যান্য ৰাস্তাৰ উন্নতি সধা, দুৰ্ব্বল দলং আৰু পুলৰ পুনৰ নিৰ্ম্মাণ, গুৱাহাটী আৰু ডিব্ৰুগড়ৰ 'অভাৰ-ব্ৰীজৰ' উন্নতি-সাধনকাৰ্য্য গ্ৰহণ কৰা হয়।

চেৰাপুঞ্জী আৰু শ্বিলঙৰ মাজৰ ৰাস্তাটো ১৯৬৮-৬৯ চনৰ ভিতৰত উন্নত কৰা হব যাতে অসম বিলাতী মাটি কাৰখানাৰ পৰা বিলাতী মাটি অনাৰ বাবে গধুৰ যান-বাহন চলাচল কৰাত অসুবিধা নহয়। বেৰিলীৰ পৰা আমিনগাওঁলৈ যিটো ৰাস্তা আছে তাৰ প্ৰায় ৬০ মাইল অসমৰ ভিতৰত পৰিছে। এইখিনি ৰাস্তাৰ উন্নয়ন কাৰ্য্য সন্তোষজনকভাৱে আগবাঢ়িছে। ভাৰত চৰকাৰে মঞ্জুৰ কৰা ৬২·৬০ লাখ টকাৰে বদৰপুৰত বৰাক নদীৰ ওপৰত দলং এখনৰ নিৰ্ম্মাণ-কাৰ্য্যও অনতিপলমে আৰম্ভ কৰা হ'ব। এই বছৰটোৰ ভিতৰত অন্যান্য সীমান্তৱৰ্ত্তী ৰাস্তা-উন্নয়ন কাৰ্য্যও চলাই থকা হয়।

পৰিবহন

কৰ আদায়ৰ ক্ষেত্ৰত সামান্য উন্নতি পৰিলক্ষিত হয়। ১৯৬৫-৬৬ চনত আদায় কৰা কৰৰ পৰিমাণ আছিল ১,৩৬,০১,৪৪৩ টকা। ১৯৬৬-৬৭ চনত ইয়াৰ পৰিমাণ হয় ১,৪০,৮০,০৭২ টকা। ১৯৬৭-৬৮ চনত ইয়াৰ পৰিমাণ আগৰ কেইবছৰতকৈ ভালেখিনি বৃদ্ধি পাব বুলি আশা কৰা হৈছে।

ওচৰচুবুৰীয়া ৰাজ্যসমূহ, যেনে—ত্ৰিপুৰা, পশ্চিম বঙ্গ, বিহাৰ, মণিপুৰ আৰু নগা-লেণ্ডৰ লগত পৰিবহন যোগাযোগৰ ক্ষেত্ৰত কৰ আদায়ৰ নিমিত্তে পাৰস্পৰিক চুক্তি এখন কৰা হৈছে। ভৱিষ্যতে যানবাহনৰ উপযুক্ততা সম্পৰ্কে বিচাৰ কৰিব দুজন দায়িত্বশীল বিষয়াই। এওঁলোক হল—জিলা পৰিবহন বিষয়া আৰু এজন পুলিচ বিষয়া। ব্যৱসায়িক যান-বাহনৰ উপযুক্ততাৰ প্ৰমাণ-পত্ৰ দিয়াৰ বাবে জিলা পৰি-বহন বিষয়া, মটৰ গাড়ী পৰিদৰ্শক আৰু ৰাজ্যিক পৰিবহন বিভাগৰ এজন কাৰিকৰী বিষয়াক লৈ এটা মণ্ডলী গঠন কৰা হৈছে।

গুৱাহাটীৰ ওচৰৰ ৰাষ্ট্ৰীয় ৰাজপথত ১ লাখ টকা ব্যয়ত এখন ওজন কৰা দলং ( weigh-bridge) স্থাপন কৰাৰ ব্যৱস্থা কৰা হৈছে।

পাণ্ডুত আভ্যন্তৰীণ জল-বন্দৰৰ দ্বিতীয় পৰ্য্যায়ৰ কামৰ ভিতৰত জাহাজ আদিৰ মেৰামতি কৰিব পৰা কাম অন্তৰ্ভুক্ত কৰিবলৈ স্থিৰ কৰা হৈছে। এই সম্পৰ্কত খৰচৰ বিৱৰণী প্ৰস্তুত কৰি মঞ্জুৰীৰ কাৰণে ভাৰত চৰকাৰৰ ওচৰত দাখিল কৰা হৈছে। কেইখনমান জাহাজ চলাচল কৰিবপৰা নদীৰ জলতত্ত্বৱিষয়ক সমীক্ষা আৰু ব্ৰহ্মপুত্ৰৰ কেইখনমান সুঁতিত 'বটম পেনেলিং' কাৰ্য্য গ্ৰহণ কৰা হয়। ব্ৰহ্ম-পুত্ৰত চলি থকা ৬খন ঘাই ফেৰীৰ পৰিচালনা-কাৰ্য্য ১৯৬৮ চনৰ ১ এপ্ৰিলৰ পৰা গড়কাপ্তানি বিভাগে আৱশ্যকীয় উন্নয়ন সাধনৰ অৰ্থে আভ্যন্তৰীণ জল পৰিবহন বিভাগক অৰ্পণ কৰিব।

ৰাজ্যিক পৰিবহন সংগঠনৰ কাৰ্য্য এই বছৰটোৰ ভিতৰত আশানুৰূপভাৱে আগ বাঢ়ে আৰু দুটা ৰাস্তা, যেনে--তিনচুকীয়া-দুলীয়াজান-নাহৰকটীয়া-নামৰূপ ৰাস্তা আৰু ডিফু-গোলাঘাট ৰাস্তা এই বিভাগে গ্ৰহণ কৰে। ৰাজ্যিক পৰিবহন বিভাগৰ অধীনস্থ ১৯৫৯ মাইল পথত দিনে গড় হিচাপত ৩০,০০০ জন যাত্ৰী আৰু ১২,০০০ মোন মাল অনা-নিয়া কৰা হয়। অনতিপলমে এই সংগঠনটো স্বায়ত্ত-শাসিত ৰাজ্যিক পৰিবহন নিগমলৈ ৰূপান্তৰিত কৰাৰ বাবে ব্যৱস্থা লোৱা হৈছে।

## শিক্ষা

ৰাজ্যৰ কঠিন বিত্তীয় পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি শিক্ষাবিষয়ক সা-সুবিধাৰ পৰিসৰ বৃদ্ধিৰ পৰিৱৰ্ত্তে গুণগত উন্নয়নৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। পৰিনিয়ত মঞ্জুৰীৰ ( statutory grant ) উপৰিও গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ কাৰণে যথাক্ৰমে ৮ লাখ আৰু ৯ লাখ টকাৰ ব্যৱস্থা পৰিকল্পনাত ধৰা হয়। বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগৰ চুপাৰিচ অনুযায়ী শিক্ষকসকলক সংশোধিত হাৰত যাতে দৰমহা দিব পাৰে তাৰ বাবে চৰকাৰে গুৱাহাটী বিশ্ববিদ্যালয়লৈ প্ৰয়োজনীয় অৰ্থ সাহায্য দিবলৈ সন্মতি জনায়। তুৰা আৰু ডিফুৰ কলেজ দুখনৰ কাৰ্য্যভাৰ চৰকাৰে গ্ৰহণ কৰে আৰু জোৰাইত প্ৰাক্-বিশ্ববিদ্যালয়ৰ শ্ৰেণীসহ এখন চৰকাৰী কলেজ স্থাপন কৰা হয়। ঘাটি পূৰণৰ অনুদান লাভ কৰা সাহায্য-প্ৰাপ্ত কলেজ সমূহৰ তৃতীয় শ্ৰেণীৰ কৰ্ম্মচাৰীসকলৰ কাৰণে নিয়মীয়া বেতনৰ নিৰিখ মঞ্জুৰ কৰা হয়।

মাধ্যমিক স্কুলসমূহৰ সংখ্যা যাতে যথে-মথে বাঢ়ি নাযায় তাৰ বাবে বিভাগীয় স্বীকৃতিৰ নিয়মাৱলী শিথিল কৰা হয়। ইংৰাজী, গণিত আৰু বিজ্ঞানৰ শিক্ষা-পদ্ধতিৰ উন্নয়নৰ বাবে বহুতো আলোচনা-চক্ৰ পতা হয়। শিক্ষামূলক গৱেষণা আৰু প্ৰশিক্ষণৰ ৰাষ্ট্ৰীয় পৰিষদৰ তত্ত্বাৱধানত শিক্ষাৰ মান নিৰ্ণয়ৰ বাবে বিশেষ প্ৰশিক্ষণৰ ( workshop on evaluation ) ব্যৱস্থা কৰা হৈছে। সৰ্ব্বভাৰতীয় বিজ্ঞান শিক্ষক সংস্থাৰ দ্বাদশ বাৰ্ষিক অধিবেশন গুৱাহাটীত পতা হয় আৰু ইয়াত আমেৰিকা আৰু ছোভিয়েট ৰুছিয়াৰ বিশেষজ্ঞকে ধৰি বহুতো বৈজ্ঞানিকে যোগদান কৰে। বিভাগীয় স্বীকৃতিপ্ৰাপ্ত সকলোবিলাক উচচ আৰু মজলীয়া স্কুলক ভৰণ-পোষণৰ বাবে অনুদান দিয়া হয়। পাৰ্ব্বত্য অঞ্চলত তদৰ্থ (ad hoc) মঞ্জুৰীৰ নিৰিখ বঢ়াই হাইস্কুলসমূহক মাহিলি ৭৫০ টকাৰ পৰা ১,৫০০ টকা আৰু মধ্য ইংৰাজী স্কুলসমূহক ২৫০ টকাৰ পৰা ৭৫০ টকা দিয়া হয়।

চৰকাৰৰ সিদ্ধান্ত অনুযায়ী, শিৱসাগৰ আৰু কাছাৰ জিলাৰ চাহ বাগিছাৰ অঞ্চল-সমূহৰ প্ৰাথমিক স্কুলসমূহ ১৯৬৭-৬৮ চনৰ ভিতৰত ক্ৰমে গ্ৰহণ কৰাৰ ব্যৱস্থা কৰা হয়। ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী আৰু অন্যান্য সহযোগী পাঠ্যক্ৰমণিকাৰ অন্তৰ্ভুক্ত কাৰ্য্যও এই বিভাগৰ দ্বাৰা পৰিচালিত হয়। শিক্ষকসকলৰ প্ৰশিক্ষণৰ সা-সুবিধা ভালেখিনি সম্প্ৰসাৰিত আৰু উন্নত কৰা হয়।

## কাৰিকৰী শিক্ষা

অসমত কাৰিকৰী শিক্ষাই ধাৰাবাহিক গতিত প্ৰগতি লাভ কৰে। দুখন ইঞ্জিনীয়াৰিং কলেজত শিক্ষা লাভ কৰিবপৰা ছাত্ৰৰ সংখ্যা হ'ল ৩০০ জন। আঞ্চলিক অভিযান্ত্ৰিকী কলেজ এখন শিলচৰত প্ৰতিষ্ঠা কৰাৰ বাবে প্ৰাথমিক কাৰ্য্য ইতিমধ্যে আৰম্ভ কৰা হয়।

ডিপ্লোমা পৰ্য্যায়ত ৯১০ জন শিক্ষাৰ্থীক শিক্ষা প্ৰদান কৰিব পৰাকৈ ৭ খন পলি-টেক্‌নিকৰ কাৰ্য্য চলি থাকে। এই অনুষ্ঠান কেইটিত শিক্ষাপ্ৰাপ্ত ছাত্ৰৰ শতকৰা ৩৬ জনে অৰ্থনৈতিক ক্ষেত্ৰত পিছ পৰি থকা আৰু অন্যান্য অনুন্নত শ্ৰেণীৰ কাৰণে ৰাজ্যিক বৃত্তি-মণ্ডলীয়ে প্ৰদান কৰা বৃত্তিৰ বাহিৰেও অন্য বৃত্তি বা বিনামূলীয়া শিক্ষালাভৰ সা-সুবিধা পাইছে।

## শিক্ষকসকলৰ ভৱিষ্যনিধি

প্ৰাথমিক স্কুল, মাধ্যমিক স্কুল আৰু সাহায্যপ্ৰাপ্ত কলেজৰ শিক্ষকসকলৰ বাবে এটা কেন্দ্ৰীভূত ভৱিষ্যনিধি গঠন কৰাৰ অৰ্থে এক আঁচনি প্ৰস্তুত কৰা কাম চৰকাৰে হাতত লৈছে। এই আঁচনি কাৰ্য্যকৰী কৰিলে, অন্যান্য সুবিধা যোগোৱাটো সম্ভৱপৰ কৰি তোলাৰ উপৰিও দাবীসমূহ সোনকালে নিষ্পত্তি কৰা, উপযুক্ত ধৰণে ধন বিনিয়োগ কৰাৰ জৰিয়তে বৰঙনিদাতাসকলৰ স্বাৰ্থ ৰক্ষা কৰিব।

## কথাছবিৰ ষ্টুডিঅ'

১৯৬৮ চনৰ ১৭ জানুৱাৰী তাৰিখে মুখ্যমন্ত্ৰীয়ে কাহিলীপাৰাত কথাছবি ষ্টুডিঅ'টো উদ্বোধন কৰে। এই ষ্টুডিঅ'টোৱে এটা বহুদিনীয়া অভাৱ দূৰ কৰাৰ উপৰিও ৰাজ্যখনত অসমীয়া আৰু অন্যান্য আঞ্চলিক ভাষাৰ কথাছবি নিৰ্ম্মাণত উৎসাহ যোগাব।

## স্বাস্থ্য

চিকিৎসা-শিক্ষা, প্ৰশিক্ষণ আৰু গৱেষণা বিষয়ত যথেষ্ট প্ৰগতি লাভ কৰা হৈছে। ভাৰতীয় চিকিৎসা পৰিষদে ডিব্ৰুগড়ৰ অসম মেডিকেল কলেজত কেতবোৰ বিষয়ত স্নাতকোত্তৰ শ্ৰেণী খোলাৰ অনুমতি দিছে। অস্ত্ৰোপচাৰ, চকু-চিকিৎসা, স্ত্ৰীৰোগ-চিকিৎসা আৰু বিকলাঙ্গ-চিকিৎসা বিষয়ত স্নাতকোত্তৰ ডিগ্ৰীসমূহে স্বীকৃতি লাভ কৰিছে। দিছপুৰত গুৱাহাটী মেডিকেল কলেজৰ নিৰ্ম্মাণ-কাম পূৰ্ণগতিত চলি আছে আৰু ভালেমান ঘৰো নিৰ্ম্মাণ কৰা হৈ গৈছে। শিলচৰ মেডিকেল কলেজৰ ঘৰ-দুৱাৰ নিৰ্ম্মাণৰ কামেও অগ্ৰগতি লাভ কৰিছে। ১৯৬৯-৭০ চনত চৰকাৰে প্ৰাক্-চিকিৎসা শ্ৰেণীসমূহ কলেজ-স্থানত আৰম্ভ কৰিবলৈ প্ৰস্তাৱ কৰিছে যদিও ১৯৬৮-৬৯ চনৰ পৰাই এটা বেচৰকাৰী কলেজত এই শ্ৰেণীসমূহ আৰম্ভ কৰা হ'ব।

ৰাষ্ট্ৰীয় মেলেৰিয়া নিৰ্মূল আঁচনি আৰু ৰাষ্ট্ৰীয় বসন্ত নিৰ্মূল আঁচনিৰ ক্ষেত্ৰত যথেষ্ট কৃতকাৰ্য্যতা লাভ কৰা হৈছে। মেলেৰিয়া ৰোগ প্ৰায় নিৰ্মূল হৈছে আৰু জনসংখ্যাৰ শতকৰা ৯০ ভাগ লোকক বসন্ত-নিবাৰণী ছিটা দিয়া লোকৰ দ্বাৰা ছিটা দিয়া হৈছে। স্বাস্থ্য বিভাগে লোৱা সক্ৰিয় ব্যৱস্থাৰ ফলস্বৰূপে বছৰটোত বিশেষ কোনো মহামাৰীয়ে দেখা দিয়া নাছিল। সংযুক্ত খাচী আৰু জয়ন্তীয়া পাহাৰত ট্ৰেকোমা নিয়ন্ত্ৰণ আঁচনিৰ এটা শাখা খোলা হৈছে। যক্ষ্মাৰোগ নিয়ন্ত্ৰণ আঁচনিৰ অধীনত শ্বিলঙৰ যক্ষ্মাৰোগ চিকিৎসাৰ চিকিৎসালয়খন জিলা পৰ্য্যায়ৰ চিকিৎসালয়লৈ উন্নীত কৰা হৈছে।

যোজনা আঁচনিৰ অধীনত ১৯৬৭-৬৮ চনত পাঁচখন নতুন ডাক্তৰখানা আৰম্ভ কৰা হয় আৰু আনহাতে ১৯৬৬-৬৭ চনত ৩৭ খন ডাক্তৰখানা নিয়মিত কৰা হয়। সাহায্য-প্ৰাপ্ত এলোপেথিক চিকিৎসালয়সমূহক চিকিৎসা বিষয়ৰ বাবে দিয়া অৰ্থ-সাহায্যৰ পৰিমাণ ১০০ টকাৰ পৰা ১৫০ টকালৈ আৰু দৰৱ কিনাৰ কাৰণে দিয়া অৰ্থ-সাহায্যৰ পৰিমাণ ৫০০ টকাৰ পৰা ১,০০০ টকালৈ বৃদ্ধি কৰা হয়। আয়ুৰ্ব্বেদিক পদ্ধতিৰ দৰৱ-জাতি আৰু চিকিৎসালয়সমূহক যথেষ্ট উৎসাহ-উদগনি যোগোৱা হৈছে।

## পৰিয়াল-পৰিকল্পনা

দেশখনৰ ক্ষিপ্ৰ প্ৰগতি আৰু ইয়াৰ জনসাধাৰণৰ জীৱন-নিৰ্ব্বাহৰ মান উন্নত কৰিবলৈ হলে উপযুক্ত পৰিয়াল-পৰিকল্পনাৰ যোগেদি জনসংখ্যা বৃদ্ধিৰ উচচ হাৰ হ্ৰাস কৰিব

লাগিব । মহিলা ডাক্তৰৰ অতিপাত অভাৱৰ কাৰণে পৰিয়াল-পৰিকল্পনাৰ আঁচনিৰ ক্ষেত্ৰত আমি যিমানদূৰ আগবাঢ়ি যোৱাটো কামনা কৰো সিমানদূৰ আগবাঢ়ি যাব পৰা নাই । পৰিয়াল-পৰিকল্পনা কল্যাণ কেন্দ্ৰৰ সংখ্যা ১৮০ খনলৈ বৃদ্ধি পাইছে আৰু এইটো আশা কৰা হৈছে যে অহা বছৰলৈ এই আঁচনিৰ পৰা অধিকতৰ সুফল পোৱা হ'ব ।

## পানী যোগান

গুৱাহাটী, কৰিমগঞ্জ, শিৱসাগৰ, শিলচৰ, বৃহত্তৰ শ্বিলং, আইজাল আৰু তুৰাত পানী যোগান আঁচনিৰ ক্ষেত্ৰত হাতত লোৱা কাম আগবাঢ়ি আছে । গ্ৰাম্য-খণ্ডত খনামুখ-মিছাজান আৰু নগৰীয়া খণ্ডত ৰঙিয়াৰ পানী যোগান আঁচনিৰ কাম ১৯৬৮-৬৯ চনত সম্পূৰ্ণ হব বুলি আশা কৰা হৈছে । অন্যান্য আঁচনিবোৰৰ কামো হাতত লোৱা হৈছে ।

## পঞ্চায়ত আৰু সমূহীয়া উন্নয়ন

অসমৰ সমুদায় গাৱঁলীয়া অঞ্চল ১৬২ টা সমূহীয়া উন্নয়ন খণ্ডৰ অন্তৰ্ভুক্ত কৰা হৈছে । এই খণ্ডবোৰৰ ১২০ টা ভৈয়ামত আৰু ৪২ টা পাৰ্ব্বত্য অঞ্চলত অৱস্থিত । ৰাজ্যখনত মুঠতে ২,৫৮৬ খন গাওঁ পঞ্চায়ত, ১২০ খন আঞ্চলিক পঞ্চায়ত আৰু ১৭ খন মহকুমা পৰিষদ আছে । যিহেতু বিভিন্ন তৰপৰ প্ৰায়বোৰ পঞ্চায়তৰে চাৰি বছৰীয়া কাৰ্য্য-কালৰ ম্যাদ শেষ হোৱাৰ উপক্ৰম হৈছে সেইবাবে ১৯৬৮ চনত পঞ্চায়তসমূহৰ নিৰ্ব্বাচন পাতিবলৈ ইতিমধ্যে প্ৰস্তুতি চলোৱা হৈছে । উপদেষ্টা আৰু তদাৰকী নিকায় হিচাপে এতিয়ালৈকে কাম কৰি অহা মহকুমা পৰিষদবোৰৰ ওপৰত কৃষি-উৎপাদনৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা ন্যস্ত কৰা হৈছে আৰু পঞ্চায়তীৰাজ অনুষ্ঠানসমূহৰ ইয়েই হব যাই কাম ।

## নগৰ অঞ্চল

পৌৰসভাৰ বিত্তীয় বিষয় তদন্ত কৰিবলৈ আৰু তেওঁলোকৰ সম্বল বৃদ্ধিৰ বাবে অৰ্থো-পায়ৰ পৰামৰ্শ দিবলৈ চৰকাৰে গঠন কৰা কমিটীয়ে তেওঁলোকৰ প্ৰতিবেদন দাখিল কৰিছে আৰু এই প্ৰতিবেদন বৰ্ত্তমানে পৰীক্ষাধীন । ১৯৬৭ চনৰ জুলাই মাহত পৌৰ প্ৰশাসনৰ এটা অধিকৰ্ত্তা কাৰ্য্যালয় গঠন কৰা হয় । কিন্তু আৰ্থিক নাটনিৰ কাৰণে কোনো কৰ্ম্মচাৰী নিয়োগ কৰা হোৱা নাই । নগৰৰ পানী যোগান আঁচনিৰ বাবে শিৱসাগৰ, গুৱাহাটী, কৰিমগঞ্জ আৰু শিলচৰ পৌৰসভাক ঋণ দিয়া হয় । গুৱাহাটী পৌৰসভাক নিত্য-নৈমিত্তিক ব্যয় আৰু আবৰ্জ্জনা পেলোৱা ঠাই উন্নত কৰাৰ কাৰণেও ঋণ দিয়া হয় । ১৯৬৭ চনৰ নৱেম্বৰ মাহত দৰঙ্গ জিলাৰ ৰঙ্গাপাৰা নগৰক ঘোষিত অঞ্চল বুলি ঘোষণা কৰা হয় ।

তিনচুকীয়া 'মাষ্টাৰ-প্লেন্'ৰ বিভিন্ন ব্যৱস্থা কাৰ্য্যকৰী কৰিবলৈ তিনচুকীয়া উন্নয়ন কৰ্ত্তৃপক্ষ গঠন কৰা হয় । ৰাইজৰ পৰামৰ্শ আৰু ওজৰ-আপত্তি আহ্বান কৰি ১৯৬৮ চনৰ জানুৱাৰী মাহত ডিব্ৰুগড়ৰ খচৰা 'মাষ্টাৰ-প্লেন'খন প্ৰকাশ কৰা হয় । ১৯৬৮ চনৰ এপ্ৰিল মাহত চূড়ান্ত 'মাষ্টাৰ প্লেন'খন প্ৰস্তুত হৈ উঠিব আৰু ইয়াক নগৰ আৰু উপকণ্ঠ পৰিকল্পনা উপদেষ্টা পৰিষদে অনুমোদন কৰাৰ লগে লগে চূড়ান্ত ভাবে প্ৰকাশ কৰা হ'ব । শিলচৰৰ 'মাষ্টাৰ প্লেন'ৰ খচৰাও অলপ দিনতে প্ৰকাশ কৰিবলৈ প্ৰস্তাৱ কৰা হৈছে ।

## শৰণাৰ্থীৰ পুনৰসংস্থাপন

১৯৬৭-৬৮ চনৰ বছৰটোত ৰাজ্যখনৰ ১৭ টা শিবিৰত পূব পাকিস্তানৰ পৰা অহা ৪০,৭৪৫ জন লোকৰ ১০,৪৭৬ টা শৰণাৰ্থী পৰিয়ালক ৰখা হয়। ৰাজ্যখনৰ ভিতৰত অসম চৰকাৰে সংস্থাপিত কৰিবলৈ স্থিৰ কৰা ১২,০০০ টা পৰিয়ালৰ ভিতৰত ৯,৩৫২ টা পৰিয়ালক পুনৰসংস্থাপন কৰিব খোজা ঠাইলৈ স্থানান্তৰিত কৰা হয়। এই লোক-সকলক যিমানদূৰ সোনকালে পৰা যায় পুনৰসংস্থাপিত কৰাৰ প্ৰচেষ্টা চলিছে। ব্ৰহ্ম-দেশৰ পৰা উভতি অহা ২৬০ টা পৰিয়ালৰ ভিতৰত ১০১ টা পৰিয়ালক পুনৰসংস্থাপনৰ বাবে ঋণ দিয়া হৈছে। বাকী পৰিয়ালসকলৰ ঋণ-আবেদনপত্ৰ চৰকাৰে সক্ৰিয়-ভাৱে বিবেচনা কৰি আছে।

## সমাজ-কল্যাণ

সমাজ-কল্যাণৰ ক্ষেত্ৰত এই বিভাগে যোগোৱা সা-সুবিধা পুনৰসংগঠন, উন্নত আৰু বিস্তাৰিত কৰাৰ বাবে ভালেমান ব্যৱস্থা লোৱা হৈছে। অসম বিধান সভাৰ বাচনি সমিতিয়ে বিলখন যুঁৰাই পঠোৱা আৰু সদনে এইখন অনুমোদন কৰাৰ লগে লগে এই বিভাগে গুৱাহাটীত এটা "বৰষ্টাল" স্কুল আৰম্ভ কৰিবলৈ প্ৰস্তাৱ লৈছে। অসমৰ আটাই কেইখন জিলাতে আৰেক্ষণ সেৱা আৰম্ভ কৰা হৈছে। ৰাজ্যিক গৃহ আৰু জিলা আশ্ৰয়শালা আৰু মগনীয়া গৃহবোৰৰ কাম সন্তোষজনক ভাবে চলি আছে। স্বেচ্ছাসেৱী কল্যাণ সংগঠনবোৰক সাহায্য মঞ্জুৰীও দি অহা হৈছে। গান্ধীস্মাৰক নিধি, ভাৰত সেৱক সমাজ, অসম শিশু-কল্যাণ সদন আদিয়েও এই বিভাগৰ পৰা মঞ্জুৰী পাই আহিছে আৰু প্ৰশংসনীয় কামো কৰি আহিছে।

## অন্যান্য পিছপৰা শ্ৰেণীসমূহ

শিক্ষা আৰু চিকিৎসাৰ সা-সুবিধা বিস্তাৰ আৰু আলি-পদূলিৰ উন্নয়ন আদিৰ আকাৰত ভৈয়ামৰ জনজাতি, অনুসূচীত জাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীসমূহৰ কল্যাণমূলক আঁচনিৰ কাম চলি আছে। কেন্দ্ৰীয় চৰকাৰৰ তৰফৰ পৰা লোৱা আঁচনিৰ অধীনত ১৯৬৭-৬৮ চনত ৰাজ্য চৰকাৰে ৫৬·২৫ লাখ টকা ব্যয় সাপেক্ষে কেতবোৰ আঁচনিৰ কাম হাতত লয়। প্ৰৱেশিকোত্তৰ ছাত্ৰ-বৃত্তি মঞ্জুৰী, ছাত্ৰী-নিবাস নিৰ্মাণ, হৰিজনসকলৰ কাম-কাজৰ পৰিবেশ উন্নয়ন আৰু জনজাতীয় উন্নয়ন খণ্ড স্থাপন আদিৰ দৰে বিভিন্ন কল্যাণমূলক ব্যৱস্থাও হাতত লোৱা হৈছিল।

## শ্ৰম

বহুতো কাৰণত ১৯৬৭-৬৮ চনত বনুৱা পৰিস্থিতি গভীৰ সঙ্কটৰ সন্মুখীন হবলগা হয়। খাদ্য-দ্ৰব্য আৰু অন্যান্য ব্যৱহাৰ্য্য সামগ্ৰীৰ দাম বঢ়াৰ ফলত সাহায্যমূলক ভিত্তিত খাদ্য-দ্ৰব্য আৰু পৰ্য্যাপ্ত পৰিমাণৰ আৰ্থিক ক্ষতিপূৰণ দিয়াৰ দাবী ক্ৰমান্বয়ে বাঢ়িবলৈ ধৰে। আপোচৰ ভিতৰত আনিবলৈ দলসমূহক সৈমান কৰাতো যথেষ্ট অসুবিধাৰ সন্মুখীন হবলগা হয় আৰু ইয়াৰ ফলত বনুৱা সকলে কিছু সৰু-সুৰা ৰেহাই পায়। চাহবাগিছাসমূহলৈ যোগোৱা খাদ্য-দ্ৰব্য অপ্ৰতুল হোৱা হেতুকেও কেতিয়াবা কেতিয়াবা পৰিস্থিতিয়ে বিস্ফোৰক ৰূপ লোৱাৰ উপক্ৰম হয়। চাহবাগিছাসমূহত নিবনুৱা লোকৰ সংখ্যাও বৃদ্ধি পায়। এই নিবনুৱা বনুৱাসকলক ভিন্নমুখী কৰিবলৈ বনুৱাকল্যাণ কেন্দ্ৰসমূহত কাৰিকৰী প্ৰশিক্ষণ আঁচনিৰ কাম হাতত লোৱা হয়। কেতবোৰ ব্যৱস্থাপনাই পুনৰসংগঠন আঁচনি গ্ৰহণ কৰাৰ ফলস্বৰূপে আমাৰ শ্ৰমশক্তিৰ যথেষ্টসংখ্যক লোক বাহি হৈ পৰে।

খাদ্য-দ্ৰব্য প্ৰস্তুত কৰা উদ্যোগ, লো-তীখা নিৰ্ম্মাণ কেন্দ্ৰসমূহত কেঁচামালৰ অসুবিধাৰ বাবে বহু সময়ত বনুৱাসকলক সাময়িকভাৱে কামৰ পৰা বিৰতি দিবলগা হয় নাইবা তেওঁলোকৰ সংখ্যা হ্ৰাস কৰিবলগীয়া হয়। আৰ, এছ, এন কোম্পানীয়ে ব্যৱসায় বন্ধ কৰাত ইয়াৰ কাম-কাজ এটা নিগমৰ হাতলৈ আহে আৰু ইয়াৰ ফলত প্ৰায় ১,০০০ লোক কৰ্ম-সংস্থানহীন হৈ পৰে। ধুবুৰীৰ অসম জুইশলা কাৰখানাত হোৱা এটা দীৰ্ঘ-দিনীয়া ধৰ্ম্মঘটৰ কাৰণে ঔদ্যোগিক সম্পৰ্ক বিষম হৈ পৰে। কম পৰিমাণে হলেও "ঘেৰাও"ৰ প্ৰতিও কিছু আনুগত্য দেখা যায়।

## কাৰখানা—

১৯৬৭-৬৮ চনৰ বছৰটোত ৪৭ টা নতুন কাৰখানা পঞ্জীবদ্ধ কৰা হয় আৰু তাৰ দ্বাৰা পঞ্জীভুক্ত কাৰখানাৰ সংখ্যা ১,৬২০ হয়গৈ। ১৯৬৮-৬৯ চনত নিৰাপত্তা বিনিৰ্ণয় আঁচনি আৰু নিৰাপত্তামূলক পৰামৰ্শ আঁচনিৰ কাম হাতত লবলৈ সিদ্ধান্ত কৰা হৈছে। ১,০০০ টা পঞ্জীবদ্ধ বয়লাৰৰ ভিতৰত প্ৰায় ৬০০ টা বয়লাৰ সক্ৰিয় ভাবে চলি আছে আৰু ৰাজ্যিক বয়লাৰ পৰিদৰ্শক বিভাগে সময়ে সময়ে এইবোৰ পৰিদৰ্শন কৰি আছে।

## নিয়োগ

আগৰ বছৰৰ তুলনাত ১৯৬৭ চনৰ মাৰ্চ মাহলৈ এই বছৰটোত ৰাজ্যখনৰ মুঠ নিয়োগ পৰিস্থিতিৰ ক্ষেত্ৰত এক অশুভ অৱস্থা পৰিলক্ষিত হয়। বছৰটোৰ ভিতৰত চৰকাৰী খণ্ডত ১০,৯৭০ জন লোকক কৰ্ম-সংস্থান যোগোৱা হয় যদিও বেচৰকাৰী খণ্ডত কৰ্ম্ম-চ্যুতিয়ে এই লাভ নাইকিয়া কৰে আৰু ফলত ইয়াৰ মুঠ সংখ্যা ২,৪৫০ জনলৈ হ্ৰাস পায়।

৩১-৩-৬৭ তাৰিখলৈকে অসমৰ বিভিন্ন নিয়োগ বিনিময় কেন্দ্ৰত নাম ভৰ্ত্তি কৰা নিবনুৱা লোকৰ সংখ্যা আছিল ৫৪,১৪৫ জন। আনহাতে ৩১-৩-৬৬ তাৰিখে ইয়াৰ সংখ্যা আছিল ৫৭,৩৩৪ জন। ১৯৬৫ চনৰ ৪৬,০০০ জন নিয়োগ প্ৰাৰ্থীৰ লগত তুলনা কৰি চালে দেখা যায় যে নিয়োগ প্ৰাৰ্থীলোকৰ সংখ্যা যথেষ্ট পৰিমাণে বৃদ্ধি পাইছে। ৩০-৬-৬৫ তাৰিখলৈ ১০,৩৫৪ জন আৰু ৩০-৬-৬৬ তাৰিখলৈ ১২,৬৬৯ জন শিক্ষিত নিয়োগ প্ৰাৰ্থীৰ ঠাইত ৩০-৬-৬৭ তাৰিখলৈ বিভিন্ন নিয়োগ বিনিময় কেন্দ্ৰত নাম ভৰ্ত্তি কৰা শিক্ষিত নিয়োগ প্ৰাৰ্থীৰ সংখ্যা ১৪,৪৩০ জন হয়গৈ। আনহাতে ডাক্তৰ, নাৰ্চ, কাৰিকৰী লোক, বিজ্ঞান শিক্ষক, টাৰ্ণাৰ, মেকানিক, মুচি, ধুবী আদিৰ দৰে কিছুমান জীৱিকাৰ কামত সততে লোকৰ অভাৱ দেখা যায়। ৰাজ্যখনত ন ন উদ্যোগ গঢ়ি নুঠিলে আৰু ক্ষিপ্ৰ অৰ্থনৈতিক উন্নয়নৰ জৰিয়তে কৰ্ম-সংস্থানৰ সা-সুবিধা যোগাব নোৱাৰিলে নিয়োগ পৰিস্থিতি কঠিন হৈ থকাৰ সম্ভাৱনা আছে। উদ্যোগ সম্পৰ্কৰক্ষী বিষয়াই স্থানীয় লোক নিয়োগ কৰাৰ ক্ষেত্ৰত সংশ্লিষ্ট উদ্যোগসমূহৰ সহযোগিতা লাভ কৰিবলৈ চেষ্টা চলাই আহিছে। এইটো আশা কৰা হৈছে যে এই বিষয়ত বেচৰকাৰী উদ্যোগপতিসকলৰ পৰা অধিক সঁহাৰি পোৱা যাব।

## আইন-শৃঙ্খলা

ৰাজ্যখনৰ আইন-শৃঙ্খলাৰ পৰিস্থিতিৰ বহুখিনি অৱনতি হৈছে। ১৯৬৭ চনৰ ছেপ্তেম্বৰ আৰু নৱেম্বৰ মাহত বামপন্থী দলসমূহে অসম বন্ধৰ আয়োজন কৰে। ধৰ্ম্মঘট পালন কৰাৰ ফলত যোগাযোগ-ব্যৱস্থা ব্যাহত হয়। খাদ্য-আন্দোলনৰ সময়ত অক্টোবৰ মাহত ডিব্ৰুগড়ত আৰু নৱেম্বৰ মাহত নগাওঁত বিৰাটসংখ্যক জনতা উন্মত্ত হৈ পৰাত পুলিচে লাঠি চালনা কৰিবলগীয়া হয়। খাদ্য অনাটনৰ হেতুকে ৰেল বিভাগ আৰু চাহবাগিছাৰ কৰ্ম্মচাৰীসকলেও ধৰ্ম্মঘট পালন কৰে।

চৰকাৰী সংৰক্ষিত ভূমি আৰু বননি অঞ্চল বলপূৰ্ব্বকভাবে বেদখল কৰাৰ কেতবোৰ সংগঠিত প্ৰচেষ্টা চলে; কিন্তু বেদখলকাৰীসকলক ততালিকে উচ্ছেদ কৰা হয়। নগাপাহাৰৰ সীমা মূৰিয়লি গাওঁসমূহৰ পৰা নগা বিদ্ৰোহীহঁতে মানুহ অপহৰণ, বলপূৰ্ব্বক কৰ-কাটল আৰু খাদ্যসামগ্ৰী আদায় কৰা কিছুমান ঘটনাও ঘটি থাকে। ১৯৬৭ চনৰ ৮ মে তাৰিখে তেজপুৰৰ এক উন্মত্ত জনতাৰ ওপৰত পুলিচে গুলী চালনা কৰিবলগীয়া হয়। ইয়াৰ ফলত দুজন লোকৰ মৃত্যু হয় আৰু ঘটনাকালত ৫২ জন লোক আহত হয়। উন্মত্ত জনতাই ইটা, শিলগুটি আদি দলিওৱাৰ ফলত প্ৰায় ৬০ জন পুলিচ-কৰ্ম্মচাৰী আহত হয়।

সংগঠিত ভাবে গণৰাজ্য দিৱস উদযাপন বৰ্জ্জন কৰাৰ ফলত ১৯৬৮ চনৰ ২৬ জানুৱাৰী তাৰিখে গুৱাহাটীত অতি গৰ্হিত ঘটনা ঘটে। এই ঘটনা সম্পৰ্কে মাননীয় সদস্যসকল এতিয়া সম্পূৰ্ণ অৱগত আৰু সন্মানিত সদনত এই বিষয়ে আলোচনা হোৱাৰো সম্ভাৱনা আছে। সেইহেতুকে মই সেইবোৰ বহলাই কব নোখোজো। এই ঘটনাসমূহে অসমৰ সুনামত কালিমা সানিলে আৰু অসমৰ অৰ্থনীতিৰো অৱনতি ঘটালে। অসমৰ অৰ্থনীতিত এই ঘটনাসমূহৰ প্ৰভাৱ আৰু গুৰুতৰ প্ৰতিক্ৰিয়া বহু বছৰ জুৰি চলিব। আশু পৰিমাণস্বৰূপে, সাহায্য আৰু পুনৰসংস্থাপন, ন্যায়িক তদন্ত, গুৱাহাটীৰ পুলিচ বাহিনী আৰু প্ৰশাসনীয় যন্ত্ৰ শক্তিশালী কৰাৰ বাবে প্ৰয়োজন হোৱা অতিৰিক্ত ব্যয়ৰ ফলত ৰাজ্যিক ৰাজকোষ দুৰ্ব্বল হৈ পৰাৰ উপৰিও আমাৰ অৰ্থ-প্ৰাপ্তিতো বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি হব। আমাৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক জীৱনত অস্থিৰ অৱস্থাৰ সৃষ্টি কৰা হেতুকে ব্যৱসায়-বাণিজ্য ক্ষতিগ্ৰস্ত হ'ব আৰু ব্যৱসায়ৰ পৰিমাণো হ্ৰাস পাব। বিক্ৰী-কৰ, আমোদ-কৰ, পেট্ৰোলিয়ামজাত দ্ৰব্যৰ ওপৰত লগোৱা কৰ, ব্যৱসায়িক নিয়োগ কৰ আৰু কেন্দ্ৰীয় আয়কৰৰ অংশ হিচাবে ৰাজ্যিক ৰাজকোষলৈ কম পৰিমাণৰ ধন আহিব। ক্ষয়-ক্ষতিৰ পৰিমাণ ততালিকে সঠিক ভাৱে নিৰ্ণয় কৰিব নোৱাৰিলেও ইয়াৰ পৰিমাণ বহু কোটি টকা হলেও মোৰ পক্ষে আচৰিত হবলগা একো নাই। ইয়াৰ অৰ্থনৈতিক আঘাত একমাত্ৰ গুৱাহাটীতে সীমাবদ্ধ নেথাকিব। দৰাচলতে নিৰাপত্তাহীনতা আৰু অস্থিৰতাৰ মনোভাৱে সমগ্ৰ ৰাজ্যখনকে ইতিমধ্যে ক্ষতিগ্ৰস্ত কৰিছে। নিৰ্বিচাৰে পৰিবহনকাৰী আৰু অন্যান্য যানবাহন ধ্বংস কৰাৰ ফলত আমাৰ যানবাহন-কৰ প্ৰাপ্তিত ক্ষতি হোৱাৰ উপৰিও অসমৰ যোগান আৰু পৰিবহন সেৱাও ক্ষতিগ্ৰস্ত হ'ব।

ঔদ্যোগিক উন্নয়নতেই আটাইতকৈ বেছি আঘাত পৰাৰ সম্ভাৱনা আছে; কিয়নো নতুন উদ্যোগ আৰম্ভ কৰাৰ কোনো সম্ভাৱনা নাই আৰু বৰ্ত্তমানৰ উদ্যোগসমূহৰো সম্প্ৰসাৰণ বাধাগ্ৰস্ত হব। ৰাজ্যিক বিত্তীয় অৱস্থাতো এক গভীৰ সঙ্কটে দেখা দিছে। ৰাজ্যিক বিত্তীয় অৱস্থাৰ এই সঙ্কোচনে ৰাজ্যখনত ঔদ্যোগিক আৰু ব্যৱসায়িক প্ৰচেষ্টা হাতত লোৱাত বাধা জন্মোৱাৰ উপৰিও পৰিস্থিতিও আৰু জটিলতৰ কৰি তুলিব। নিয়োগৰ প্ৰয়োজনীয়তা আৰু নিয়োগ প্ৰাপ্তিৰ মাজতো ব্যৱধান বাঢ়ি যাব।

দ্ৰুতগতিৰে স্বাভাৱিক অৱস্থা যাতে ঘূৰাই আনিব পাৰি তাৰ বাবে নিৰাপত্তাহীনতা আৰু ৰাজনৈতিক আৰু অৰ্থনৈতিক অস্থিৰতা দূৰ কৰিবলৈ আৰু আমাৰ অৰ্থনৈতিক অৱস্থা পূৰ্ব্বৰ পৰ্য্যায়লৈ আনিবলৈ দলীয় আনুগত্য নিৰ্ব্বিশেষে সকলোৱে একগোট হৈ কাম কৰাটোহে বৰ্ত্তমান সময়ত প্ৰয়োজনীয় কথা।

দুৰ্ভাগ্যবশতঃ গুৱাহাটীত অশান্তিৰ সৃষ্টি কৰা বুলি অনুমান কৰা শক্তিসমূহে নিৰাপত্তাহীন আৰু হিংসাত্মক পৰিস্থিতি যাতে চলি থাকে তাৰ বাবে পোষ্টাৰ, প্ৰচাৰ-পত্ৰিকা আৰু টেলিফোন-বাৰ্ত্তাৰ জৰিয়তে ভীতি-প্ৰদৰ্শনৰ কাৰ্য্য চলাই থকা যেন

অনুমান হয়। মই এইখিনিতে গুৱাহাটীৰ ঘটনাৱলী চলি থকা সময়ত মুখ্যমন্ত্ৰীয়ে দিয়া বিবৃতি এটা উদ্ধৃত কৰিব খোজোঁ—"অসমৰ শত্ৰুৰ বাহিৰে আন কোনোৱে এনে কাম কৰিব নোৱাৰে।" আমি পাকিস্তান আৰু চীনেৰে পৰিবেষ্টিত হৈ আছোঁ আৰু শত্ৰুবাহিনীৰ লোকো সক্ৰিয় হৈ আছে। পাকিস্তানৰ প্ৰাক্তন বৈদেশিক মন্ত্ৰী মিঃ ভূট্টোৰ বিবৃতিৰ পৰাই পাকিস্তান আৰু চীনৰ কূট চক্ৰান্ত জল্‌জল্ পট্‌পট্‌কৈ ওলাই পৰে :—

"পাকিস্তানে অসম হেৰুৱাটো চূড়ান্ত বুলি মানি লবলৈ অস্বীকাৰ কৰাটো যুক্তিসঙ্গত হব। ভুলৰ শুধৰণি কৰিব নোৱাৰালৈকে পাকিস্তানে অসমৰ অহিন্দী-ভাষী জনসাধাৰণৰ লগত এক বিশেষ সম্পৰ্কৰ নীতি অনুসৰণ কৰা উচিত।"

যি ক্ষেত্ৰত সকলোৰে এইটো বিদিত যে ৰাষ্ট্ৰসমূহক নিয়ন্ত্ৰণাধীন কৰিবলৈ কটাঘাত-মূলক কাম হৈছে এক স্বীকৃতি-প্ৰাপ্ত আন্তঃৰাষ্ট্ৰীয় কৌশল তেনে ক্ষেত্ৰত বিশেষকৈ অসমৰ দৰে শত্ৰু ৰাষ্ট্ৰৰে পৰিবেষ্টিত এক সীমান্ত অঞ্চলত কূটাঘাতমূলক কামত সহায় কৰা আৰু শত্ৰুৰে সুবিধা লব পৰা যি কোনো কামেই পৰিহাৰ কৰা উচিত। এইটো কথা মনত ৰাখিব লাগিব যে নগা আৰু চীনাসকলৰ মাজত কেতবোৰ অবাঞ্চনীয় আলোচনাই ঠাই পাইছে। যি কোনো এদিনাখন ই পুনৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিব পাৰে। হেজাৰ হেজাৰ ভাৰতীয়ই যিখন জাতীয় পতাকাৰ কাৰণে জীৱন আহুতি দিছিল সেইখন জাতীয় পতাকাক অৱমাননা কৰাটোৱেই হৈছে গুৱাহাটীৰ ঘটনাৱলীৰ আটাইতকৈ বেছি পৰিতাপৰ কথা। দেশৰ পতাকাখনৰ কাৰণে কণক-লতাই যেনে ধৰণে জীৱন বলিদান দিছিল সেই উদাহৰণে সমগ্ৰ দেশকে জাতীয় সাহসিকতাৰে উদ্বুদ্ধ কৰি তুলিছিল। পতাকাখন হৈছে ৰাষ্ট্ৰৰ সামূহিক জীৱন আৰু সাৰ্ব্বভৌমত্বৰ প্ৰতীক। মানুহে যে আনকি ৰাষ্ট্ৰীয় পতাকাখন অৱমাননা কৰাৰ কথাও ভাবিব পাৰে সেইটো বৰ পৰিতাপৰ কথা। ইয়াতকৈ জাতীয়তা-বিৰোধী আৰু ৰাষ্ট্ৰদ্ৰোহী কাম আন একোৱে হব নোৱাৰে। এই ঘটনাৱলীৰ পিছৰে পৰা কেতবোৰ স্বাৰ্থজড়িত লোকে পৃথক হৈ অহাৰ অপপ্ৰচাৰো চলাবলৈ লৈছে আৰু আনকি বহিৰাগত লোকসকলক খেদি পঠিওৱাৰো উপক্ৰম কৰিছে যাতে কেৱল ৬০ লাখ জনসংখ্যাৰ লোকহে থাকিব পাৰে। অসমবাসী সকলো লোকে সঙ্ঘবদ্ধ-ভাবে এই মনোবৃত্তিক বাধা দিব লাগিব। আমাক যাতে অসতৰ্ক অৱস্থাত পেলাব পাৰে আৰু পৰস্পৰ-বিৰোধী দলত পৰিণত কৰিব পাৰে তাৰ বাবে সংকীৰ্ণ মনো-ভাৱ আৰু হিংসাৰ অভিযানৰ ভিত্তিত বিভেদকামী আৰু কূটাঘাতমূলক শক্তিসমূহে মূৰ দাঙি উঠিবলৈ চেষ্টা কৰিছে। তেনে অসাৱধান লোকসকলক অসৎ অপপ্ৰচাৰৰ কৱলৰ পৰা ৰক্ষা কৰিবলৈ আমি সকলোৱে ঐক্যবদ্ধভাবে প্ৰচেষ্টা চলোৱা প্ৰয়োজন। কেৱল ঐক্যবদ্ধ ভাৰতবৰ্ষ এখনেহে সীমান্তৰ সিপাৰে দৈনিক সামৰিক-শক্তি শক্তিশালী কৰা পাকিস্তান আৰু চীনৰ যুটীয়া শক্তিৰ সন্মুখীন হ'ব পাৰিব। এইটোৱে এই সীমান্তৰ ক্ষুদ্ৰতৰ গোটসমূহ, বিভেদকামী শক্তি আৰু শত্ৰুৰ কূটাঘাতমূলক কৌশলৰ কৱলত কেনেকৈ পৰিব পাৰে সেইটোও দেখুৱাই দিয়ে। সেই হেতুকে এইটো আশা কৰা হৈছে যে বিভেদকামী শক্তিসমূহ যথাৰ্থতে বন্ধ কৰিব লাগিব আৰু অসমৰ একতা, মৰ্য্যাদা আৰু শক্তি অটুট ৰাখিবলৈ প্ৰচেষ্টা চলাব লাগিব। বৰ্ত্তমান সময়ত প্ৰশ্ন হৈছে—আমি সৰু সৰু পৰস্পৰ-বিৰোধী দলত বিভক্ত হৈ আমাৰ শত্ৰুৰ কৱলত সহজে পৰিম নে এক বিশাল আৰু মহৎ ভাৰতৰ নাগৰিক হিচাবে আমি ঐক্যবদ্ধ হৈ থাকিম ? ইয়াৰ উত্তৰ সুস্পষ্ট।

মিজো পাহাৰ জিলা

মিজো পাহাৰ জিলাৰ পৰিস্থিতি সামান্য ভাবে উন্নত হলেও এই পৰিস্থিতিয়ে আমাক উদ্বিগ্ন কৰি আহিছে। নিৰাপত্তা বাহিনীয়ে বাকীথকা বিদ্ৰোহীহঁতক কৰায়ত্ত

কৰা কাম চলি আছে। বিদ্ৰোহীহঁতে জনসাধাৰণক হাৰাশাস্তি কৰা আৰু নিৰাপত্তা বাহিনীৰ সংযোগ-বিচ্ছেদ কৰা কাম চলাই থকাৰ বাবে পৰিস্থিতি এতিয়াও স্বাভাৱিক অৱস্থালৈ ঘূৰি আহিবলৈ বহু বাকী আছে। জিলাখনত গঠন কৰা সংৰক্ষিত আৰু প্ৰগতিশীল গাওঁসমূহৰ কাম স্বাভাৱিক ভাবেই চলি আছে আৰু ইয়াত কেতবোৰ উন্নয়ন-মূলক আঁচনিৰ কামো হাতত লোৱা হৈছে। পৰিস্থিতিৰ ভু লবলৈ আৰু স্বাভাৱিক অৱস্থা সোনকালে সম্পূৰ্ণৰূপে ঘূৰাই আনিবলৈ যাতে সকলো ব্যৱস্থা লোৱা হয় সেইটো নিশ্চিত কৰিবলৈ মুখ্যমন্ত্ৰীয়ে অলপতে মিজো পাহাৰ জিলা পৰিভ্ৰমণ কৰিছিল। মিজো জিলাৰ পাৱি লাখেৰ অঞ্চলত এটা মহকুমা স্থাপন কৰিবলৈও সিদ্ধান্ত কৰা হৈছে।

## পাকিস্তানী অনুপ্ৰৱেশকাৰী

বছৰটোত পাকিস্তানী অনুপ্ৰৱেশকাৰীসকলৰ বিৰুদ্ধে চলোৱা অভিযানৰ ফলত ৪,৭৪০ জন লোকক ধৰা পেলোৱা হয় আৰু তেওঁলোকৰ বিৰুদ্ধে গোচৰ হাতত লোৱা হয়। ইয়াৰ ভিতৰত ৩,৫২৯ জনৰ ওপৰত ভাৰত ত্যাগৰ আদেশ জাৰি কৰা হয়, ৭০৬ জনৰ বিৰুদ্ধে আদালতত বিচাৰ চলোৱা হয় আৰু সীমান্তত ধৰা পেলোৱা ২৯৭ জনক পূব পাকিস্তানলৈ পোনছাটে বহিষ্কাৰ কৰা হয়। বাকী ২০৮ জনৰ বিৰুদ্ধে বৰ্ত্তমান তদন্ত চলাই থকা হৈছে। ভাৰত ত্যাগৰ আদেশ জাৰি কৰা ৩,৫২৯ জন লোকৰ ভিতৰত ১,৩০৭ জন লোকক পাকিস্তানলৈ ঘূৰাই পঠোৱা হয়, ৪৮৪ জন লোকক দণ্ড বিহা হয়, ৫ জনক খালাচ দিয়া হয় আৰু আনহাতে মোকৰ্দ্দমা ৰজু কৰা ৭০৬ জন লোকৰ ভিতৰত ২১৭ জনৰ বিৰুদ্ধে চলোৱা মোকৰ্দ্দমা বিচাৰাধীন হৈ থাকে।

উদ্বিগ্নতাৰ সৃষ্টি কৰি পাকিস্তানী লোকৰ অনুপ্ৰৱেশ এতিয়াও চলি আছে। ১৯৬৪ চনৰ বিদেশী (ট্ৰিবিউনেল) অধ্যাদেশ অনুযায়ী গঠন কৰা ৯ খন ট্ৰিবিউনেলৰ কাম সন্তোষজনক ভাবেই চলি আছে। ১৯৬৭ চনৰ বছৰটোত ৭১৭ জন লোকৰ ৪০৭টা গোচৰ ট্ৰিবিউনেলক বিচাৰ কৰিবলৈ দিয়া হয়। বছৰটোত এই ট্ৰিবিউনেলসমূহে ২৫,১৪৩ জন লোকৰ ৪,৫৫৫ টা গোচৰৰ ভিতৰত ৯,৮৬৩ জন লোকৰ ১,৯৪৮ টা গোচৰ নিষ্পত্তি কৰে।

## জেইল

মিজো জিলাত বে-আইনী মিজো জাতীয় মৰ্চ্চাৰ কাম-কাজৰ বাবে সমগ্ৰ ৰাজ্যৰ নিৰাপত্তা আটক বন্দীৰ সংখ্যা যথেষ্ট বৃদ্ধি পায়। জেইলসমূহত ঠাইৰ অভাৱ হোৱা হেতুকে কেতবোৰ নিৰাপত্তা আটক বন্দীক ৰাজ্যৰ বাহিৰৰ জেইললৈ পঠোৱা হয়। আত্মীয়-স্বজন আদিৰ শকত নৰিয়া নাইবা মৃত্যুৰ দৰে জৰুৰী কাৰণত ফাটেকিয়ালসকলক মুক্তি দিয়া আৰু ছুটী দিয়াৰ ব্যৱস্থা ৰাখিবলৈ ১৮৮৪ চনৰ কাৰাগাৰ আইনখন সংশোধন কৰাৰ অৰ্থে ১৯৬৭ চনত সদনত উত্থাপন কৰা বিলখনত অসম বিধান সভাই সন্মতি প্ৰদান কৰে। বৰ্ত্তমানে এই বিলখন ৰাষ্ট্ৰপতিৰ বিবেচনাৰ্থে ৰাজ্যপালৰ হাতত আছে।

জেইলৰ ভিতৰৰ বাগিচাসমূহত ব্যাপকভাৱে ধান, কুঁহিয়াৰ আৰু শাক-পাচলিৰ খেতি কৰা হৈছে। বছৰটোৰ ভিতৰত যোৰহাটত মুকলি ভাৱে স্থাপন কৰা কৃষি আৰু ঊদ্যোগিক কলনিৰ কাম সন্তোষজনক ভাবেই চলি থাকে।

## কাৰ্য্যপালিকাৰ পৰা ন্যায়পালিকা পৃথকীকৰণ

ভাৰতৰ সংবিধানৰ বিধায়নী নীতি অনুযায়ী ১৪-৮-৬৭ তাৰিখৰ পৰা অসমৰ ভৈয়ামৰ সকলো জিলাতে অসম চৰকাৰে কাৰ্য্যপালিকাৰ পৰা ন্যায়পালিকা পৃথক কৰাৰ বাবে লোৱা আঁচনি বলৱৎ কৰিছে।

১৯৬৮ চনৰ ১০ জানুৱাৰীৰ পৰা ভাৰত চৰকাৰে ৰাষ্ট্ৰৰ জৰুৰীকালীন অৱস্থা সম্পৰ্কে কৰা ঘোষণা-পত্ৰ প্ৰত্যাহাৰ কৰিছে আৰু এই ঘোষণা-পত্ৰ প্ৰত্যাহাৰ কৰি জৰুৰীকালীন সময়ছোৱাত স্থগিত ৰখা সকলো নাগৰিকৰ মৌলিক অধিকাৰ পুনৰ প্ৰদান কৰিছে।

## নিৰ্ব্বাচন

মিজো পাহাৰ জিলাত আইজাল পূৱ সমষ্টিৰ পৰা শ্ৰীজে, এফ, মানলিয়ানা বিনা প্ৰতিদ্বন্দিতাই সদনলৈ নিৰ্ব্বাচিত হয়। তেওঁক আমাৰ মাজলৈ স্বাগতম জনাবলৈ পাই মই নথৈ সুখী হৈছো।

## পদ্ধতি আৰু সংগঠন বিভাগ

এজন উপ-সভাপতি আৰু দুজন বেচৰকাৰী সদস্যক লৈ ১৯৬৭ চনৰ মে মাহত গঠিত প্ৰশাসনীয় সংস্কাৰ কমিটীয়ে জনসংযোগ, চৰকাৰী চাকৰিয়ালৰ প্ৰশিক্ষণ, পৰিদৰ্শন, মফচল কাৰ্য্য আৰু সচিবালয় সংগঠন সম্পৰ্কীয় পৰামৰ্শাৱলীৰ চূড়ান্ত ৰূপ দিছে। অলপতে সাধাৰণ পৰিপত্ৰৰ সংকলন এটা প্ৰকাশ কৰা হ'ব। প্ৰশিক্ষণৰ আঁচনিয়েও যথেষ্ট অগ্ৰগতি লাভ কৰিছে।

## বিত্তীয় আৰু প্ৰশাসনীয় সংস্কাৰ

মাননীয় সদস্যসকলে জানিবলৈ পাই সুখী হ'ব যে যোৱা বছৰত মোৰ বাজেট বক্তৃতাত উল্লেখ কৰা মতে প্ৰশাসনীয় বিভাগসমূহক বাজেট-উত্তৰ আৰু প্ৰাক্-ব্যয়ৰ সূক্ষ্ম বিচাৰৰ আৰু কেতবোৰ সৰ্ত্ত সাপেক্ষে বিত্তীয় মঞ্জুৰী দানৰ ক্ষমতা অৰ্পণ কৰা হৈছে। ব্যয়বহুল বিভাগসমূহত বিত্তীয় উপদেষ্টাও নিয়োগ কৰা হৈছে। এই বিকেন্দ্ৰীকৰণ ব্যৱস্থাই ব্যয়কাৰী বিভাগসমূহৰ মাজত বিত্তীয় সচেতনতা জগোৱাৰ উপৰিও বিলম্ব পৰিহাৰ আৰু মঞ্জুৰী ক্ষিপ্ৰতৰ কৰাতো অৰিহণা যোগাইছে।

বিভাগীয় মুৰব্বীসকল আৰু তেওঁলোকৰ তলতীয়া বিষয়াসকলক দিয়া বিত্তীয় ক্ষমতা যথোপযুক্ত নোহোৱা হেতুকে যোজনাৰ আঁচনিসমূহ কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত প্ৰায়ে এৰাবপৰা বিলম্বও হোৱা দেখা যায়। চৰকাৰে সেই বাবে কৃষি, চিকিৎসা আদিৰ দৰে ভালেমান গুৰুত্বপূৰ্ণ বিভাগৰ আঁচনি প্ৰকৃত কাৰ্য্যকৰী কৰা পৰ্য্যন্ত, ক্ষেত্ৰ-পৰ্য্যায়ৰ বিষয়াসকলক যথোপযুক্ত বিত্তীয় ক্ষমতা অৰ্পণ কৰিছে। কেতবোৰ বিভাগৰ ক্ষেত্ৰত নিম্নস্তৰলৈ তেনে ক্ষমতা অৰ্পণ কৰাত বাধা জন্মোৱাও দেখা গৈছে। এইটো অৱশ্যে আশা কৰা হৈছে যে অহা বছৰৰ ভিতৰত ক্ষমতা সমৰ্পণৰ কাম সকলো বিভাগতে সম্পূৰ্ণ হ'ব। এই সংস্কাৰে বিলম্ব পৰিহাৰ কৰাত সহায় কৰাৰ উপৰিও আঁচনি কাৰ্য্য-কৰী কৰা কাম ক্ষিপ্ৰ কৰি তোলাৰ সম্ভাৱনা আছে। ইয়াৰ উপৰিও ই ক্ষেত্ৰপৰ্য্যায়ৰ কৰ্ম্মচাৰীসকলৰ মাজত উৎসাহ-উদ্দীপনাৰো সৃষ্টি কৰিব। প্ৰত্যেক বিত্তীয় ক্ষমতা দান কৰা অধিকৰ্ত্তাৰ কাৰ্য্যালয়ে পৰিদৰ্শন আৰু তদাৰকমূলক কাম-কাজৰ যোগেদি ব্যয়ৰ সূক্ষ্ম বিচাৰৰ ব্যৱস্থা কৰাটো এই সংস্কাৰাৱলীৰ অংশবিশেষ। ইয়াক এতিয়াও সু-প্ৰবাহী কৰিব পৰা হোৱা নাই।

চৰকাৰৰ বিভাগসমূহক আৰু তেওঁলোকৰ অধীনস্থ কৰ্তৃত্বশীল মহলক অধিক পৰিমাণে বিত্তীয় ক্ষমতা অৰ্পণ কৰাৰ পাছত বিত্ত বিভাগৰ দ্বাৰা কেৱল হিচাপ পৰীক্ষা কৰাটোৱেই যথোপযুক্ত নহ'ব। সেই হেতুকে গড়কাপ্তানি বিভাগ আৰু বানপানী নিয়ন্ত্ৰণ আৰু জল-সিঞ্চন বিভাগৰ বাবে বিত্ত বিভাগৰ অধীনত এটা কৰ্ম পৰিদৰ্শন কাৰ্য্যালয় থাকিব। ইতিমধ্যে ব্যয়ৰ ক্ষেত্ৰত মিত্যব্যয়িতা আৰু যথাযথ বিচক্ষণতা ৰক্ষা কৰিবলৈ আৰু বিত্তীয় বিষয়ত এই বিভাগসমূহক পৰামৰ্শ দিবলৈ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকৰ পৰা উপমহালেখা পৰীক্ষকৰ সমপৰ্য্যায়ৰ প্ৰবীণ বিষয়াৰ সেৱা পোৱাৰ বাবে ব্যৱস্থা হাতত লোৱা হৈছে।

১৯৬৮ চনৰ ৩ জানুৱাৰী তাৰিখৰ পৰা ক্ৰিয়াশীল আৰু বিজ্ঞানসন্মত ভিত্তিত বিত্ত বিভাগটো পুনৰ গঠন কৰা হৈছে। ভাৰত চৰকাৰে গঠন কৰিবলগীয়া প্ৰস্তাৱিত বিত্তীয় আয়োগৰ বাবে স্মাৰকপত্ৰ প্ৰস্তুত কৰিবলৈ আৰু ৰাজ্যখনৰ সম্পদৰ অৱস্থা অধ্যয়নৰ কাম হাতত লবলৈ এই বিভাগৰ গৱেষণা শাখাটো শক্তিশালী কৰা হৈছে।

ৰাজ্যখনৰ ট্ৰেজাৰিসমূহৰ কাম-কাজ উন্নত কৰাৰ হকে পদেন ট্ৰেজাৰি পৰিদৰ্শক হিচাপে এজন হিচাপ অধিকৰ্ত্তা নিয়োগ কৰা হৈছে। বৰপেটাৰ চাব-ট্ৰেজাৰিটো পূৰ্ণাঙ্গ ট্ৰেজাৰিলৈ উন্নীত কৰি গুৱাহাটী ট্ৰেজাৰিক বৰপেটা চাব-ট্ৰেজাৰিৰ হিচাপ সংকলন কৰা কামৰ পৰা অব্যাহতি দিয়া হৈছে। কাৰ্য্য-দক্ষতা আৰু কামৰ মান উন্নত কৰাৰ হকে ট্ৰেজাৰিসমূহৰ সহকাৰী কৰ্মচাৰীসকলৰ কাৰণে উন্নততৰ বেতন মঞ্জুৰ কৰি ১-১১-৬৭ তাৰিখৰ পৰা সহকাৰীসকলৰ এটা স্বকীয়া শ্ৰেণী খোলা হৈছে।

অনুশাসনমূলক কাৰ্য্যব্যৱস্থাসমূহ সোনকালে নিষ্পত্তি কৰাৰ অৰ্থে চৰকাৰে বিভাগীয় মূৰব্বীৰ পদ-মৰ্য্যাদাৰ এজন ৰাজ্যিক অনুসন্ধানকাৰী বিষয়া (বিভাগীয় কাৰ্য্যবাহী) নিয়োগ কৰিছে। চৰকাৰৰ উপ-সচিব নাইবা কোনো বিভাগৰ যুটীয়া মূৰব্বীৰ পদবী-লৈকে বিভিন্ন বিভাগৰ সকলো গেজেটেড্ বিষয়াৰে তেওঁ অনুসন্ধান চলাব। চৰকাৰে নিয়োগ-কৰ্তৃপক্ষৰ তলতীয়া কেতবোৰ কৰ্তৃপক্ষক অনুশাসনমূলক বিচাৰ চলোৱাৰ পিছত কিছুদূৰ লঘু শাস্তি দিয়াৰ ক্ষমতাও প্ৰদান কৰিছে।

৪,০০০ তকৈয়ো অধিক অস্থায়ী পদবী স্থায়ী কৰা হৈছে আৰু অসম জিলা সহকাৰী কৰ্মচাৰী সেৱাবিধি (Assam Ministerial District Establishment Service Rules) সমূহৰো চূড়ান্ত ৰূপ দিয়া হৈছে। ৫০০ টকালৈকে নিৰিখান্ত দৰ্মহাৰ সকলো চাকৰিৰে মনোনয়নৰ বিষয়টো অসম লোকসেৱা আয়োগৰ বিধানৰ পৰা বহিৰ্ভূত কৰিবলৈ ১৯৫১ চনৰ অসম লোকসেৱা আয়োগ (কাম-কাজৰ সীমাবদ্ধতা) বিনিয়মখন সংশোধন কৰা হয়।

## চৰকাৰী চাকৰিয়ালৰ মৰগীয়া বানচ

চৰকাৰে মৰগীয়া বানচ সম্পৰ্কত দাস আয়োগে দিয়া পৰামৰ্শাৱলী গ্ৰহণ কৰিছে আৰু ১৯৬৭ চনৰ পহিলা এপ্ৰিলৰ পৰা চৰকাৰী কৰ্মচাৰীসকলক বৰ্দ্ধিত হাৰত মৰগীয়া বানচ মঞ্জুৰ কৰিছে। ১৯৬৭ চনৰ পহিলা এপ্ৰিলৰ পৰা ১৯৬৭ চনৰ ৩১ আগষ্ট তাৰিখলৈ দিবলগীয়া মৰগীয়া বানচৰ অনাদায়ী টকা সাধাৰণ ভবিষ্য পুঁজি নাইবা বিশেষ জমাত জমা ৰখা হ'ব আৰু এই টকা ১৯৭১ চনলৈ ঘূৰাই দিয়া নহ'ব। অৱশ্যে এই টকাৰ ওপৰত সুত দিয়া হ'ব। উচচতৰ হাৰৰ দৰমহা পোৱা চৰকাৰী চাকৰিয়াল-সকলে বৰ্দ্ধিত মৰগীয়া বানচৰ কিছু টকা পুনৰ আদেশ নিদিয়ালৈকে বিশেষ জমা পুঁজি কিম্বা সাধাৰণ ভবিষ্য পুঁজি যি কোনো এটাত জমা ৰাখিব লাগিব। চৰকাৰী চাকৰিয়াল,

প্ৰাথমিক স্কুল বৰ্ডৰ কৰ্মচাৰী আৰু ঘাটিপূৰণ সাহায্য মঞ্জুৰী পোৱা শিক্ষানুষ্ঠানসমূহক বৰ্দ্ধিত হাৰত মৰগীয়া বানচ মঞ্জুৰ কৰাৰ ফলত বছৰি ৭ কোটি টকা ব্যয় হ'ব ।

১৯৬৪ চনৰ দৰমহা কমিটীৰ প্ৰতিবেদনত আসোঁৱাহৰ অভিযোগ

১৯৬৪ চনৰ দৰমহা কমিটীৰ প্ৰতিবেদনত আসোঁৱাহ থকা বুলি চৰকাৰী চাকৰিয়াল-সকলৰ পৰা প্ৰায় দুহেজাৰখন আবেদন-পত্ৰ পোৱা হয়। এই আসোঁৱাহসমূহ চোৱাৰ কাৰণে শ্ৰীডি, দাস, আই-এ-এছক লৈ গঠিত এজনীয়া আয়োগলৈ এই আপত্তিসমূহ পঠিওৱা হয় আৰু তেখেতে ইয়াৰে ১,৫০০ তকৈও অধিক আবেদন-পত্ৰ নিষ্পত্তি কৰে।

বাধ্যতামূলক সাধাৰণ ভবিষ্য পুঁজি

চৰকাৰে আৰক্ষণাধীন চৰকাৰী চাকৰিয়াল আৰু অস্থায়ী ভাৱে কাম কৰি থকা চাকৰিয়ালসকলক স্থায়ী কৰাৰ আৰু চৰকাৰী চাকৰিত নতুনকৈ ভৰ্ত্তি হোৱাৰ পাছত সাধাৰণ ভবিষ্য পুঁজিত বৰঙনি যোগোৱাটো বাধ্যতামূলক কৰিছে। এইটোও আশা কৰা হৈছে যে স্থায়ী চৰকাৰী চাকৰিয়ালসকলেও তেওঁলোকৰ নিজৰ স্বাৰ্থৰ খাতিৰতেই স্ব-ইচ্ছাই সাধাৰণ ভবিষ্য পুঁজিলৈ বৰঙনি যোগোৱা আঁচনিৰ সুবিধা গ্ৰহণ কৰিব।

মিতব্যয়ী কমিটী

চৰকাৰী ব্যয়ৰ ক্ষেত্ৰত মিতব্যয়িতা অৱলম্বন কৰি অৰ্থোপায়ৰ পৰামৰ্শ দিবলৈ চৰকাৰে ১৯৬৭ চনৰ নবেম্বৰ মাহত তলত উল্লেখ কৰা সদস্যসকলক লৈ এখন মিতব্যয়ী কমিটী গঠন কৰে—

১। শ্ৰীএন, কে, ৰুস্তমজী অতিৰিক্ত মুখ্যসচিব—চেয়াৰমেন।

২। শ্ৰীডি, দাস কৃষি উৎপাদন আয়ুক্ত—সদস্য।

৩। শ্ৰীজি, চি, ফুকন বিত্ত বিভাগৰ সচিব—সদস্য।

৪। শ্ৰীএছ, চি, শৰ্মা পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ অতিৰিক্ত সচিব আৰু পৰিসংখ্যা বিভাগৰ অধিকৰ্ত্তা—সদস্য।

উক্ত কমিটীয়ে বিভাগীয় ৰবমূৰীয়া আৰু চৰকাৰৰ সচিবসকলৰ লগত আলোচনা-ক্ৰমে চৰকাৰৰ চলিত বছৰৰ সাধাৰণ বাজেটৰ বিভিন্ন শিতানত ধাৰ্য্য কৰা ধনৰ পৰিমাণ তন্নতন্নকৈ পৰীক্ষা কৰে। এই আলোচনাৰ ফলস্বৰূপে কমিটীয়ে বাজেটত ধাৰ্য্য কৰা ধনৰ পৰা ৮·০৫ কোটি টকাৰ ব্যয় হ্ৰাস কৰিবলৈ পৰামৰ্শ দিয়ে। এই কৰ্ত্তনে নতুন চাকৰিৰ সৃষ্টি কৰাটো নিষিদ্ধ কৰাৰ উপৰিও অত্যধিক পৰিমাণে উপনিমিত্ত ব্যয় কৰাটোও কমাই দিয়ে। ইয়াৰ ফলত প্ৰায় ৬·৫০ কোটি টকা প্ৰকৃত সঞ্চয় হ'ব বুলি জনায়। দাস আয়োগৰ চুপাৰিচ অনুযায়ী বৰ্দ্ধিত হাৰত মৰগীয়া বানচ আৰু ১৯৬৭ চনৰ ফেব্ৰুৱাৰী মাহত মঞ্জুৰ কৰা তদৰ্থ বানচৰ বাবে প্ৰয়োজন হোৱা অতিৰিক্ত ৭ কোটি টকা দিবৰ বাবে পুনৰ বিনিয়োজন নাইবা পৰিপূৰক দাবীৰ জৰিয়তে এই সমুদায় ধন ব্যৱহাৰ কৰা হয়। চৰকাৰী ব্যয়ৰ ক্ষেত্ৰত মিতব্যয়িতা অৱলম্বনৰ সম্ভাৱনা সম্পৰ্কে পুনৰ পৰীক্ষা কৰি চোৱা কাম বৰ্ত্তমান চলি আছে।

অনাদায়ী কৰ—

ৰাজ্যখনৰ বিত্তীয় অৱস্থাৰ উন্নতি সাধনৰ অৰ্থে সকলো প্ৰকাৰৰ অনাদায়ী কৰ আৰু ৰাজহৰ টকা খৰতকীয়াভাবে আদায় কৰিবলৈ লোৱা ব্যৱস্থাই হৈছে অন্যতন গুৰুত্বপূৰ্ণ ব্যৱস্থা। মাননীয় সদস্যসকলৰ বোধহয় মনত আছে যে যোৱা বছৰৰ বাজেট বক্তৃতাত মই কৰ সংগ্ৰহৰ ব্যৱস্থা উন্নত কৰিবলৈ অনাদায়ী কৰ সংগ্ৰহৰ ব্যৱস্থা দৃঢ় আৰু সবল কৰাৰ কথা উল্লেখ কৰিছিলো। মই সদনক জনাবলৈ পাই সুখী হৈছোঁ যে আমাৰ এই প্ৰচেষ্টাসমূহে ভাল ফল দিব ধৰিছে। ১৯৬৭ চনৰ পহিলা এপ্ৰিললৈ বিক্ৰীকৰ, কৃষি আয়কৰ, পৰিবহন কৰ, যাত্ৰী আৰু মালবস্তুৰ ওপৰত লগোৱা কৰ আৰু অন্যান্য কৰকে ধৰি সৰ্ব্বমুঠ অনাদায়ী কৰৰ পৰিমাণ আছিল ৪,০৫,৩৩,৯৯৫ টকা। এই অনাদায়ী কৰৰ ভিতৰত ১,৫৫,৯৯,০৭৫ টকাৰ মোকৰ্দ্দমা উচ্চ ন্যায়ালয় আৰু অন্যান্য আদালতত চলি আছে। বাদবাকী ২,৪৯,৩৪,৯২০ টকাৰ ভিতৰত সংগ্ৰহ কৰিব পৰা মুঠ ১,৫৬,৪৯,১০৪ টকা বাদ দি অৱশিষ্ট ৯২,৮৫,৮১৬ টকা আদায় কৰাৰ বাবে বাকীজাই গোচৰ তৰা হৈছে। ১৯৬৭ চনৰ চেপ্তেম্বৰ মাহৰ শেষলৈকে এই ছমাহৰ কালছোৱাত এই ধনৰ ৭৭,৩৭,৬৫৫ টকা সংগ্ৰহ কৰা হয়। বাকীজাই গোচৰ আৰু মোকৰ্দ্দমা চলি থকা টকা বাদে অনাদায়ী কৰ আদায়ৰ ই শতকৰা প্ৰায় ৪৯ ভাগ। এইটো আশা কৰা হৈছে যে বিত্তীয় বছৰটোৰ বাকী থকা ছমাহৰ ভিতৰত বৰ্ত্তমানৰ সঙ্কেত মতে ১ কোটিতকৈও অধিক টকা আদায় কৰিব পৰা হ'ব। ১৯৬৬-৬৭ চনৰ বিত্তীয় বছৰটোত সংগ্ৰহ কৰা মুঠ ৩০·৪৭ লাখ টকাৰ লগত ইয়াক তুলনা কৰিলে, এই সংগ্ৰহ তিনি গুণ বৃদ্ধি পোৱা দেখা যায় আৰু সংগ্ৰহো ভাল হোৱা কথা প্ৰতিপন্ন কৰে। এইটো বৰ সুখৰ কথা যে ১৯৬৭ চনৰ ডিচেম্বৰ মাহলৈ অনাদায়ী কৃষি আয়কৰ হিচাপে অতিৰিক্ত ১৩ লাখ টকা সংগ্ৰহ কৰা হয়।

১৯৬৬ চনৰ পহিলা জুলাইত ভূমি-ৰাজহ আৰু স্থানীয় কৰৰ অনাদায়ী টকাৰ মুঠ পৰিমাণ আছিল ৩৫৮·০৪ লাখ টকা। তাৰ ভিতৰত ১৩৭·৮০ লাখ টকা ১৯৬৭ চনৰ ৩০ জুনত শেষ হোৱা ৰাজহ বছৰৰ ভিতৰত সংগ্ৰহ কৰা হয়। ১৯৬৭ চনৰ পহিলা জুলাইত অনাদায়ী টকাৰ পৰিমাণ ৪০৮·২৪ লাখ টকা দেখা যায়। তাৰে ৭০·১৪ লাখ টকা ১৯৬৭ চনৰ ডিচেম্বৰ মাহলৈ সংগ্ৰহ কৰা হয়। জানুৱাৰী মাহৰ পৰাই সংগ্ৰহৰ সময় আৰম্ভ হোৱা হেতুকে ৰাজহ বিভাগে হাতত লোৱা ব্যৱস্থাৰ ফলস্বৰূপে সংগ্ৰহৰ অৱস্থা বহুখিনি উন্নত হ'ব বুলি আশা কৰা হৈছে। ৰাজহ বিভাগে সকলো অনাদায়ী টকা সোনকালে আদায় কৰাৰ বাবে নিৰ্দ্দিষ্ট আদেশ জাৰি কৰিছে।

মাননীয় সদস্যসকলে জানিবলৈ পাই সুখী হ'ব যে বিত্ত বিভাগে পৰিচালনা কৰা তিনিখন বিক্ৰীকৰ আইন, কৃষি আয়কৰ আইন আৰু অসম আমোদকৰ আৰু পণধৰা কৰ আইন অনুযায়ী কৰ সংগ্ৰহ কৰা ব্যৱস্থাত হোৱা ব্যয়ৰ পৰিমাণ মাথোন সংগ্ৰহৰ শতকৰা দেৰ ভাগ। সংগ্ৰহৰ পৰিমাণ বৃদ্ধি পোৱাৰ লগে লগে এই ক্ষেত্ৰত হোৱা ব্যয়ো আৰু কমি যাব। মই অৱশ্যে এইটো কথা জানো যে আমি আমাৰ কৰদাতাসকলক যথেষ্ট সা-সুবিধা যোগাব পৰা নাই। আমাৰ বিত্তীয় অৱস্থাৰ উন্নতি সাধন কৰিব পাৰিলেই আমি কৰদাতাসকলক তেওঁলোকৰ হিচাপ আৰু অন্যান্য সংশ্লিষ্ট বিষয় পৰীক্ষা কৰাৰ কাৰণে আহোঁতে অপেক্ষা-স্থানৰ ব্যৱস্থা কৰিম। সেই একেদৰেই ভিন্ ভিন্ জিলাৰ কৰ কাৰ্য্যালয়সমূহতো ভীষণ ভাৱে ঠাইৰ নাটনিয়ে দেখা দিছে। আমি আমাৰ কৰ্ম্মচাৰীসকলক উপযুক্ত সা-সুবিধা যোগাব লাগিব।

প্ৰৱৰ্ত্তিত কৰ-ব্যৱস্থা

আমাৰ ৰাজ্যখন কেনে ধৰণৰ কঠিন অৰ্থনৈতিক সঙ্কটৰ মাজেদি আগবাঢ়িব লাগিছে মাননীয় সদস্যসকলৰ সেইটো অবিদিত নহয়। অতিৰিক্ত সম্পদ বৃদ্ধিৰ কাৰণে আমি অকণো চেষ্টাৰ ত্ৰুটি কৰা নাই। এইটো সকলোৱে জানে যে অতিৰিক্ত কৰ লগোৱাৰ সুবিধাও সীমাবদ্ধ। তথাপিও আমি পাৰ্য্যমানে চেষ্টা চলাইছোঁ। যোৱা বাজেট অধিবেশনত এই সন্মানিত সদনে কিছুমান অতিৰিক্ত কৰ প্ৰৱৰ্ত্তন কৰাৰ ব্যৱস্থাত সন্মতি প্ৰদান কৰিছিল। ১৯৪৭ চনৰ অসম বিক্ৰীকৰ আইনখন সংশোধন কৰি টকাই প্ৰতি ৫ পইচাৰ পৰা ৬ পইচালৈ বিক্ৰীকৰ বৃদ্ধি কৰাৰ পৰা কেৱল অতিৰিক্ত ৪০ লাখ টকা ৰাজহ পোৱা যাব বুলি আশা কৰা হৈছে। ঠিক একেদৰেই ১৯৬৭ চনৰ অসম বিত্তীয় (সংশোধিত বিক্ৰীকৰ) আইনখন সংশোধন কৰি বিলাসৰ সামগ্ৰীৰ ওপৰত ১০ পইচাৰ পৰা ১২ পইচালৈ আৰু অন্যান্য সামগ্ৰীৰ ওপৰত ৫ পইচাৰ পৰা ৬ পইচাকৈ কৰ বৃদ্ধি কৰি বাৰ্ষিক প্ৰায় ৬৫ লাখ টকা ৰাজহ পোৱা হ'ব বুলি অনুমান কৰা হৈছে। তাৰোপৰি ১৯৬৭ চনৰ অসম (মটৰ স্পিৰিট আৰু লুব্ৰিকেণ্টকে ধৰি পেট্ৰোল আৰু পেট্ৰোলজাত দ্ৰব্য বিক্ৰী) কৰ আইনখন সংশোধন কৰি মটৰ স্পিৰিট আৰু ডিজেল তেলৰ বিক্ৰীকৰ যথাক্ৰমে ১৩ পইচাৰ পৰা ১৫ পয়চালৈ আৰু ৯ পইচাৰ পৰা ১১ পইচালৈ বঢ়াই বাৰ্ষিক ৪০ লাখ টকা অতিৰিক্ত আয় হ'ব বুলি আশা কৰা হৈছে।

এই সন্মানিত সদনে ১৯৬৭ চনৰ অসম ক্ৰয়কৰ আইনখনো গ্ৰহণ কৰিছিল। এই আইনখনৰ বাবে ভাৰতৰ ৰাষ্ট্ৰপতিৰ সন্মতিৰ প্ৰয়োজন। ভাৰত চৰকাৰে এই সন্দৰ্ভত নানান আপত্তি দৰ্শাইছে আৰু এই বিষয়ত এতিয়াও লিখালিখি চলি আছে। আইনখন এতিয়াও বলবৎ কৰিবপৰা হোৱা নাই। এই প্ৰসঙ্গত উল্লেখযোগ্য যে আৰু বেলিৰ বতৰত মৰাপাটৰ দৰ বহুপৰিমাণে হ্ৰাস পাইছিল। সেয়েহে আইনখন বলৱৎ কৰিব নোৱাৰাৰ বাবে হোৱা ক্ষতি ধৰিবলগীয়া নহয়। সি যি কি নহওক, এইটো আশা কৰা হৈছে যে কেন্দ্ৰীয় চৰকাৰে তোলা সকলো ওজৰ-আপত্তি অনতিপলমে দূৰ কৰিব পৰা হ'ব আৰু আইনখন সংশোধন কৰি বলৱৎ কৰিব পৰা হ'ব।

সদনৰ যোৱা বাজেট অধিবেশনত এই সন্মানিত সদনে মাচুল ৰেহাই দিয়া, ওলোটা দাবী কৰা নাইবা ঘূৰাই দিয়াৰ ভিত্তিত নিৰ্ম্মাণ উদ্যোগবোৰে মাল কিনোতে শোধোৱা কৰৰ সমুদায় টকা নাইবা তাৰ অংশবিশেষ ঘূৰাই দি সহায় কৰাৰ ব্যৱস্থাত সন্মতি প্ৰদান কৰিছিল। এই ব্যৱস্থাই উচচ সমাদৰ লাভ কৰিছে আৰু ৰাজ্যখনৰ ক্ষুদ্ৰ আয়তনৰ উদ্যোগসমূহক অতীব প্ৰয়োজনীয় সাহায্য আগবঢ়াব পাৰিব বুলি আশা কৰা হৈছে।

মই এটা কথা সদনক জনাবলৈ পাই দুখ পাইছো যে অশোধিত তেলৰ ৰয়েলিটি বৃদ্ধি কৰিবলৈ জনোৱা আমাৰ দাবী সম্পৰ্কে কেন্দ্ৰীয় চৰকাৰে খাটাং সিদ্ধান্ত এতিয়াও দিয়া নাই। ১৯৬২ চনত প্ৰতি টনত ৭.৫০ টকাকৈ বান্ধি দিয়া ৰয়েলিটিৰ নিৰিখৰ ম্যাদ ১৯৬৬ চনৰ ১ নবেম্বৰত উকলিছে। আমি ৰয়েলিটিৰ নিৰিখ ১৫ টকালৈ বৃদ্ধি কৰিবলৈ দাবী জনাই আহিছোঁ। শেহান্তৰত বিষয়টো প্ৰধানমন্ত্ৰীৰ চালিচীৰ বাবে পঠোৱা হৈছে। মই দুখেৰে জনাবলগীয়া হৈছোঁ যে আমাৰ অবিৰাম প্ৰচেষ্টা সত্ত্বেও বিষয়টোৰ খাটাং সিদ্ধান্ত এতিয়াও হৈ উঠা নাই।

ইতিমধ্যে ভাৰত চৰকাৰে অশোধিত তেলক কেন্দ্ৰীয় বিক্ৰীকৰ আইনৰ অধীনৰ "ঘোষিত সামগ্ৰী" শ্ৰেণীত অন্তৰ্ভুক্ত কৰিবলৈ এটা প্ৰস্তাৱ উত্থাপন কৰিছে। ইয়াৰ অৰ্থ হ'ল এয়ে যে অশোধিত তেলৰ বিক্ৰীকৰ মূল্য অনুযায়ী শতকৰা ৩ ভাগৰ বেছি

হ'ব নোৱাৰে । বৰ্ত্তমান আমি অসমত বিক্ৰী কৰা অশোধিত তেলৰ বিক্ৰীকৰ মূল্য অনুসৰি শতকৰা প্ৰায় ১০ ভাগ লগাই আছো । প্ৰস্তাৱিত অন্তৰ্ভুক্তিকৰণে আমাক বছৰি ১ কোটিতকৈ অধিক টকা ভৰিবলগীয়া কৰিব । আমি ভাৰত চৰকাৰৰ লগত জোৰেৰে এই বিষয়ে লিখালিখি চলাই আছোঁ । যি ক্ষেত্ৰত আমাৰ ৰাজহ বঢ়োৱাৰ প্ৰয়োজনীয়তা আটাইতকৈ বেছি সেই ক্ষেত্ৰত ভাৰত চৰকাৰে আমাৰ ৰাজহ কমোৱাত অবিহণা যোগোৱা ব্যৱস্থা দাঙি ধৰাটোৰ আমি কোনো যুক্তিযুক্ততা বিচাৰি নেপাওঁ ।

## ১৯৬৬-৬৭ চনৰ হিচাপ

১৯৬৬-৬৭ চনৰ সংশোধিত নিৰ্দ্ধাৰণ ৯৬·৪৮ লাখ টকাৰ ঘাটি উদ্বৃত্তৰে সামৰণি পৰিব বুলি অনুমান কৰা হৈছিল । বছৰটো শেষ হোৱাৰ আগতেই ভাৰত চৰকাৰে ৩·৯০ কোটি টকাৰ অৰ্থোপায়ৰ আগধন দিয়ে । শেহান্তৰত এই টকা তেওঁলোকে হ্ৰস্বকালীন ঋণলৈ ৰূপান্তৰিত কৰে । তেনে কৰা সত্বেও ১৯৬৭ চনৰ ৩১ মাৰ্চ্চ তাৰিখত আমাৰ ১০,৯৮,৯৪ লাখ টকা অ'ভাৰড্ৰাফ্‌ট্‌ আছিল ।

১৯৬৬-৬৭ চনৰ সংশোধিত নিৰ্দ্ধাৰণত ৰাজহ হিচাপত আমাৰ জমা দেখুওৱা হৈছিল ৮৩,৭৬ লাখ টকা । কিন্তু ৰাজহৰ শিতানত ৭০·০০ লাখ টকা, বিক্ৰীকৰ আৰু অন্যান্য শুল্কৰ শিতানত ১০০·০০ লাখ টকা, কৃষি আয়কৰৰ শিতানত ১১·০০ লাখ টকা, যানবাহনৰ কৰৰ শিতানত ৩৯·০০ লাখ টকা, টিকটৰ শিতানত ১৫·০০ লাখ টকা, স্থল আৰু জল পৰিবহনৰ শিতানত ৩·৩৯ লাখ টকা কমকৈ পোৱা আৰু বিভিন্ন হিচাপৰ অধীনত ভাৰত চৰকাৰৰ পৰা পাবলগীয়া ৪৩৪·০০ লাখ টকা নোপোৱা হেতুকে এইটো বাস্তৱত পৰিণত হৈ নুঠিল । অৱশ্যে বিবিধ বিষয়ত ১৫৮·০০ লাখ টকা বেছিকৈ পোৱাৰ কাৰণে ই আংশিক ভাৱে পৰিপূৰ্ণ হয় । অন্যান্য কিছুমান বিষয়ত সাধাৰণ তাৰতম্যৰে বছৰটোত মুঠ ৰাজহ জমা মাত্ৰ ৭৭,৬৯ লাখ টকাত ৰয়গৈ ।

সংশোধিত বাজেটত অনুমিত ৮৭,৫৯ লাখ টকাৰ ঠাইত বছৰটোত ৰাজহ ব্যয় হয় ৯১,৫৮ লাখ টকা ।

সংশোধিত নিৰ্দ্ধাৰণৰ ১,০৩,০০ লাখ টকাৰ ঠাইত মূলধন বাজেটত প্ৰকৃত জমাৰ পৰিমাণ আছিল ৯১,০২ লাখ টকা । ভাৰত চৰকাৰৰ পৰা বৰ্দ্ধিত পৰিমাণে ঋণ আৰু আগধন পোৱাৰ ফলত ই আংশিক ভাৱে প্ৰতিসমতা ৰক্ষা কৰিলেও ভাৰতৰ ষ্টেট বেঙ্কৰ পৰা নগদ ঋণ ব্যৱস্থাত (Cash Credit accommodation) কমকৈ ধন পোৱা আৰু ভাৰতৰ ৰিজাৰ্ভ বেঙ্কৰ পৰা লোৱা অ'ভাৰড্ৰাফ্‌টৰ টকাৰ পৰিমাণ কম হোৱাৰ ফলতেই ঘাইকৈ এই ব্যৱধান দেখা যায় ।

সংশোধিত নিৰ্দ্ধাৰণত ধৰা মাত্ৰ ৯০,৫৩ লাখ টকাৰ ঠাইত বছৰটোত মূলধন ব্যয় হয় ৮৮,৮৫ লাখ টকা । ভাৰতৰ ৰিজাৰ্ভ বেঙ্কক অতিৰিক্ত ভাৱে অ'ভাৰড্ৰাফ্‌ট্‌ পৰিশোধ কৰাৰ ফলত ই আংশিক ভাৱে প্ৰতিসমতা ৰক্ষা কৰিলেও কেন্দ্ৰীয় আৰু অন্যান্য ঋণ কমকৈ পৰিশোধ কৰা আৰু জলসিঞ্চন আৰু নৌ-পৰিবহনত কমকৈ মূলধন ব্যয় কৰাৰ বাবেই মূলধন ব্যয়ৰ ক্ষেত্ৰত কম ব্যয় হোৱা দেখা যায় ।

ৰাজহৱা হিচাপৰ শিতানত হোৱা তাৰতম্য কম-বেছি পৰিমাণে আত্ম-নিৰ্ভৰশীল আৰু ৰাজ্যিক বিত্তত ইয়াৰ ছাপো নাই বুলিব পাৰি ।

## ১৯৬৭-৬৮ চনৰ সংশোধিত হিচাপ

১৯৬৭-৬৮ চনৰ সংশোধিত নিৰ্দ্ধাৰণত আৰম্ভনিৰ উদ্বৃত্ত ধৰা হৈছে (—) ১০,৯৯ লাখ টকা । ই আগৰ বছৰৰ প্ৰকৃত সামৰণিৰ উদ্বৃত্ত ।

মূল বাজেটত ধৰা ৮৬,৭৬ লাখ টকাৰ ঠাইত বছৰটোত সংশোধিত ৰাজহ আয়ৰ পৰিমাণ ধৰা হৈছে ৯০,১৫ লাখ টকা। অন্যান্য কৰ আৰু শুল্কৰ শিতানত ১০ লাখ টকা আৰু যানবাহন কৰৰ ক্ষেত্ৰত ৩০ লাখ টকা কমকৈ পোৱা সত্বেও আপূৰ্ত্তি হিচাপৰ (Recoupment Account) শিতানত অনাদায়ী টকা পৰিশোধ হিচাপে ৩১৪ লাখ টকা, কেন্দ্ৰীয় আবকাৰীৰ শিতানত ৪২ লাখ টকা, বিক্ৰী কৰৰ শিতানত ১১ লাখ টকা আৰু ভূমি-ৰাজহবিষয়ক শিতানত ৩৫ লাখ টকা বেছিকৈ পাবলৈ আশা কৰা বাবেই ঘাইকৈ এই বৃদ্ধি হয়।

অন্যান্য শিতানত হোৱা তাৰতম্যই আংশিক ভাৱে প্ৰতি সমতা ৰক্ষা কৰিলেও ৰাজ্যিক চৰকাৰৰ কৰ্ম্মচাৰীসকলক বৰ্দ্ধিত মৰগীয়া বানচ দিয়া আৰু সুদ দিয়াৰ বাবে ঘাইকৈ অতিৰিক্ত ১৪১ লাখ টকা ৰখাৰ বাবেই ৰাজহ ব্যয় ৮৮,১০ লাখ টকাৰ পৰা ৯০,২৮ লাখ টকালৈ বৃদ্ধি পায়।

মূলধন বাজেটত, মূল বাজেট ব্যৱস্থাত ধৰা ৯৯,১০ লাখ টকাৰ ঠাইত আয় ধৰা হৈছে ১,০৪,২৮ লাখ টকা। অস্থায়ী ঋণ হিচাপে ভাৰত চৰকাৰে ইতিমধ্যে মঞ্জুৰ কৰা ৬০০ লাখ টকাৰ উচ্চতৰ ব্যৱস্থাই হৈছে ইয়াৰ কাৰণ।

মূল বাজেট নিৰ্দ্ধাৰণত ধৰা ১,০৭,৮০ লাখ টকাৰ ঠাইত সংশোধিত বাজেটত মূলধন ব্যয় ধৰা হৈছে ১,০৪,৩০ লাখ টকা। যোগান বিভাগৰ বাজেটত কমকৈ টকা ধৰাটোৱেই হৈছে ইয়াৰ ঘাই কাৰণ।

ওপৰত উল্লেখ কৰা ব্যৱস্থাৱলীৰ ফলত ১৯৬৭-৬৮ চনৰ সামৰণিৰ উদ্বৃত্ত (—)১০,৩৯ লাখ টকা হব বুলি অনুমান কৰা হৈছিল যদিও ই (—)১০,০৮ লাখ টকালৈ উন্নীত হ'ব বুলি আশা কৰা হৈছে।

অৰ্থোপায় অৱস্থা

ভাৰতৰ ৰিজাৰ্ভ বেঙ্কে ৰাজ্য চৰকাৰক অনধিকাৰ অধিবিকৰ্ষ (overdraft) লোৱাৰ সুবিধা দিব নোৱাৰে বুলি কৈছে। ভাৰত চৰকাৰেও আমাক ঘাটি বাজেটৰ ব্যৱস্থা নকৰিবলৈ আৰু অধিবিকৰ্ষ নলবলৈ দঢ়াই দঢ়াই কৈছে। আমিও আমাৰ সম্বল বঢ়াবলৈ আৰু ঘাটি বাজেটৰ হাত সৰাৰ উদ্দেশ্যে খৰচ কমাবলৈ পাৰ্য্যমানে যত্ন কৰিছোঁ। কিন্তু বৰ্ত্তমান পৰিস্থিতিত এনে ব্যৱস্থা সম্পূৰ্ণ ভাবে কাৰ্য্যকৰী কৰিব পৰা নাই। ৰিজাৰ্ভ বেঙ্কৰ অধিবিকৰ্ষ (overdraft) ধাৰ মাৰিবলৈ ভাৰত চৰকাৰে ১৯৬৭ চনৰ ৩১ মাৰ্চ্চ তাৰিখে আমাক অৰ্থোপায়ৰ আগধন হিচাপে ৩.৯ কোটি টকা দিয়ে। চলিত বছৰৰ জুন মাহত আমাৰ অধিবিকৰ্ষৰ পৰিমাণ হয় ৩ কোটি টকা। ভাৰত চৰকাৰে অৰ্থোপায়ৰ আগধন ৩ কোটি টকা দিয়ে। ইয়াৰে ১.৫৭ কোটি টকা অৱশ্যে ভাৰত চৰকাৰে ইতিমধ্যে আদায় কৰিছে। চলিত বিত্তীয় বছৰতে বাকীখিনি টকাও আমি আদায় কৰি দিয়াৰ কথা। ভাৰত চৰকাৰৰ পৰা লোৱা ৯ কোটিতকৈও অধিক টকাৰ ঋণ আদায় দিবলৈ গৈ যোৱা নবেম্বৰ মাহত পুনৰায় আমাৰ টকাৰ নাটনি পৰে। ভাৰত চৰকাৰে অৱশ্যে ৮ কোটি টকাৰ সাহায্য আগবঢ়োৱাত সেই ঋণ পৰিশোধ কৰিবলৈ আমি সক্ষম হওঁ। ভাৰত চৰকাৰে দুবাৰত আগধন ৰূপে দিয়া ৮ কোটি আৰু ৩.৯ কোটি টকা আমি পৰিশোধ কৰাৰ কথা আছিল; কিন্তু আমাৰ বিত্তীয় নাটনিলৈ চাই তেওঁলোকে এই টকাখিনি ঋণ বুলি গণ্য কৰাৰ কথা ভাবিছে। এই সম্পৰ্কত আমি ভাৰত চৰকাৰৰ সিদ্ধান্তলৈ বাট চাই আছোঁ।

সংযোজন হিচাপে ভাৰত চৰকাৰৰ পৰা কিছু ধন পাবলগীয়া আছে বুলি মই যোৱা বছৰৰ বাজেট বক্তৃতাত উল্লেখ কৰিছিলোঁ। মই এতিয়া সদনক জনাবলৈ পাই সন্তোষ পাইছো যে আমাৰ নেৰানেপেৰা চেষ্টাৰ ফলত অৱস্থাৰ বহুতো উন্নতি হৈছে। পুলিচৰ কাম-কাজত ব্যয় কৰিবলৈ ভাৰত চৰকাৰে ইতিমধ্যে আমাক ১ কোটি টকা দিছে ; আমি আৰু ৩৪ লাখ টকা বিচাৰিছোঁ। মিজো পাহাৰত খৰচ কৰিবলৈ ভাৰত চৰকাৰে তদৰ্থ সাহায্য হিচাপে আমাক ১২৫ লাখ টকা ধাৰে দিছে। এই টকা ঋণ হিচাপে নিদি অনুদান হিচাপেহে দিয়াটো উচিত আছিল বুলি আমি ভাৰত চৰকাৰক জনাইছোঁ। তদুপৰি আমি ৪ কোটিতকৈ বেছি টকা বিচাৰি উত্থাপন কৰা বিস্তাৰিত দাবীৰ বিষয়ে ভাৰত চৰকাৰে বৰ্ত্তমানে বিবেচনা কৰি আছে।

সীমান্তৰ আলিবাট বন্ধাত খৰচ কৰিবলগীয়া টকাৰ দাবী সম্পৰ্কত ভাৰত চৰকাৰে সিদ্ধান্ত লৈছে আৰু চলিত বিত্তীয় বছৰত ১০৭ লাখ টকা আমাক দিছে। শৰণাৰ্থীৰ পুনৰ সংস্থাপনত খৰচ হোৱা টকা ভাৰত চৰকাৰে পূৰাই দিয়াৰ ক্ষেত্ৰতো কিছু উন্নতি পৰিলক্ষিত হোৱাটো আনন্দৰ কথা। পাহাৰ অঞ্চলৰ অখণ্ড উন্নয়ন আঁচনিৰ বাবে নতুনকৈ বণ্টন কৰাৰ ক্ষেত্ৰত ভাৰত চৰকাৰে কি ধৰণৰ সাহায্য আগবঢ়াব এতিয়াও তাৰ কোনো ইঙ্গিত দিয়া নাই। এতিয়ালৈকে আৱশ্যকীয় ধনৰ শতকৰা ৯০ ভাগ ঋণ হিচাপে দি এনে সাহায্য আগবঢ়োৱা হৈছে। এই ব্যৱস্থা অনুযায়ী আগতে ২৭৫ অনুচ্ছেদৰ আঁচনিযোগে অনুদান পোৱাৰ যি সুবিধা আমি পাইছিলো তাৰ পৰা বঞ্চিত হলোঁ। আনুমানিক হিচাপত ওলাইছে যে অখণ্ড উন্নয়ন আঁচনিত খৰচ কৰিবলগীয়া মুঠ ৫০ কোটি টকাৰ মাত্ৰ ১৪ কোটিহে ২৭৫ অনুচ্ছেদৰ আঁচনিৰ ভিতৰত পৰে। এই সম্পৰ্কত ভাৰত চৰকাৰৰ সৈতে লিখালিখি কৰি থকা হৈছে। আমাৰ কঠিন বিত্তীয় অৱস্থাৰ পৰিপ্ৰেক্ষিতত এই সম্পৰ্কে কোনো চূড়ান্ত সিদ্ধান্ত নোলোৱাত আৰু ২৭৫ অনুচ্ছেদৰ আঁচনি অনুসাৰে অনুদান হিচাপে পোৱা সুবিধাৰ পৰা বঞ্চিত হোৱাত আমাৰ সম্বলৰ ওপৰত বৰকৈ হেঁচা পৰিছে।

জানুৱাৰী মাহৰ শেষৰ ফালে ভাৰত চৰকাৰৰ বিত্ত মন্ত্ৰণালয়ৰ যুটীয়া সচিব শ্বিলঙলৈ আহে আৰু আমাৰ বিত্ত বিভাগৰ লগত আয়ৰ অৱস্থা, ব্যয় আৰু সম্বল সম্পৰ্কে বিস্তৃত পৰীক্ষা চলায়। ঘাটি বিত্তীয় ব্যৱস্থা পৰিহাৰ কৰাৰ কাৰণে উপায় উদ্ভাৱন কৰাই আছিল এই অধ্যয়নৰ উদ্দেশ্য। সেই অধ্যয়নৰ সন্দৰ্ভত ভাৰত চৰকাৰৰ সিদ্ধান্ত এতিয়াও অপেক্ষা কৰি থকা হৈছে।

বিত্ত আয়োগ

চতুৰ্থ বিত্ত আয়োগে কেতবোৰ চুপাৰিচ দিয়ে। ভাৰত চৰকাৰেও তাৰ ওপৰত সিদ্ধান্ত গ্ৰহণ কৰে। এই সিদ্ধান্তসমূহৰ ম্যাদ পাঁচ বছৰলৈ বাহাল থাকিব আৰু চতুৰ্থ পাঁচ-বছৰীয়া যোজনাৰ লগতে ইয়াৰো ম্যাদ শেষ হ'ব। কিন্তু ইতিমধ্যে যোজনা আয়োগ আৰু চৰকাৰে ১৯৬৬-৬৯ চনৰ তিনিখন বাৰ্ষিক যোজনাক তদৰ্থ বাৰ্ষিক যোজনা কৰিবলৈ সিদ্ধান্ত কৰিছে। চতুৰ্থ যোজনাখন ১৯৬৯-৭০ চনৰ পৰাহে আৰম্ভ হ'ব। ইয়াৰ উপৰিও বহুতো ৰাজ্যই ভাৰত চৰকাৰ আৰু ৰাজ্য চৰকাৰসমূহৰ মাজত বিত্তীয় সম্পৰ্কৰ পুনৰীক্ষণ আৰু পুনৰ পৰীক্ষাৰ বাবে হেঁচা দিছে। তদনুসাৰে, ভাৰত চৰকাৰে আন এটি বিত্ত আয়োগ গঠন কৰিবলৈ সিদ্ধান্ত লৈছে আৰু এইটো আশা কৰা হৈছে যে ইয়াৰ গাঁথনি আৰু বিচাৰ্য্য বিষয় সোনকালে চূড়ান্ত হৈ উঠিব। আমি আশা কৰোঁ যে নতুন বিত্ত আয়োগে চুপাৰিচ দিওঁতে অসমৰ বিশেষ অসুবিধাসমূহৰ কথা মনত ৰাখিব।

১৯৬৮-৬৯ চনৰ বাজেট

এই পটভূমিতে মই এতিয়া ১৯৬৮-৬৯ চনৰ বাবে আমাৰ বাজেট সদনৰ আগত দাঙি ধৰিব খুজিছোঁ।

নতুন আঁচনিৰ বহুতো তালিকা দাখিল কৰা হৈছিল যদিও মিতব্যয়িতাৰ তাগিদত চৰকাৰে মাথোন অপৰিহাৰ্য্য কেইটামান বিষয়হে গ্ৰহণ কৰে। তাৰ বাবে ১৯৬৮-৬৯ চনৰ ভিতৰত নতুন বিষয়ত হোৱা ব্যয় হিচাপে ২১·০০ লাখ টকাৰ ব্যৱস্থা ৰখা হয়।

ৰাজহৰ বাজেটত, ৰাজহ শিতানত নিৰ্দ্ধাৰিত আয় ধৰা হৈছে ৯০,৩০ লাখ টকা। চলিত বছৰৰ সংশোধিত নিৰ্দ্ধাৰণতকৈ আয়ৰ বৃদ্ধিও সেই হেতুকে প্ৰায় মূৰামূৰি।

১৯৬৮-৬৯ চনৰ বছৰটোত নিৰ্দ্ধাৰিত ৰাজহ ব্যয় ধৰা হৈছে ৯১,৬৮ লাখ টকা। এই টকা সংশোধিত নিৰ্দ্ধাৰণতকৈ মাত্ৰ ১৪০ লাখ টকা বেছি। অন্যান্য খণ্ডত মিতব্যয়িতা অৱলম্বন কৰাৰ ফলত ব্যয় কম হোৱা সত্বেও শিক্ষাৰ শিতানত অতিৰিক্ত ১৬০ লাখ টকাৰ ব্যৱস্থা ৰখা আৰু দৰমহাৰ বাৰ্ষিক বাঢ়ি (Annual Increments) মঞ্জুৰ কৰাৰ বাবেই যাইকৈ এইটো দেখা যায়।

সংশোধিত আয় ১,০৪,২৮ লাখ টকাৰ ঠাইত বছৰটোত মূলধন আয় ধৰা হৈছে ১,১৫,৬৪ লাখ টকা। ভাৰত চৰকাৰৰ পৰা অৰ্থোপায়ৰ আগধন শিতানত আৰু ভাৰতৰ ৰিজাৰ্ভ বেঙ্কৰ পৰা ঋণৰ শিতানত (ন্যূনতা) উচচতৰ ব্যৱস্থা ৰখা হেতুকেই বাজেটত উচচতৰ ব্যৱস্থা ৰখাৰ যাই কাৰণ।

চলিত বছৰৰ সংশোধিত সংখ্যা মাথোন ১,০৪,৩০ লাখ টকাৰ ঠাইত বছৰটোত মূলধন ব্যয় নিৰ্দ্ধাৰণ কৰা হৈছে ১,১৮,৬৬ লাখ টকা। ভাৰত চৰকাৰৰ অৰ্থোপায়ৰ আগধন পৰিশোধ কৰা আৰু ভাৰতৰ ৰিজাৰ্ভ বেঙ্কৰ অ'ভাৰড্ৰাফ্‌ট্ শোধোৱাৰ বাবে উচচতৰ ব্যৱস্থা ৰখাৰ বাবেই যাইকৈ এইটো পৰিলক্ষিত হয়।

বাজেটত দেখুওৱা হিচাপে ১৯৬৮-৬৯ চনৰ বছৰটো ১৩,৮২ লাখ টকাৰ ঘাটি উদ্বৃত্তৰে সামৰণি পৰিব বুলি আশা কৰা হৈছে।

ঘাটি অৱস্থা

মুঠতে ১৩,৮২ লাখ টকা ঘাটিৰ বাজেট এখন সদনৰ আগত দাঙি ধৰিবলগীয়া হোৱাত মই অত্যন্ত দুখ পাইছোঁ। এইটো উপলব্ধি কৰিব লাগিব যে ই মাথোন যোৱা কেইবছৰমান ধৰি হোৱা ঘাটি বিত্তীয় অৱস্থাৰে পুঞ্জীভূত ফল। যোৱা কেইবছৰমান ধৰি হোৱা ঘাটি আৰু আয় আৰু ব্যয়ৰ অনুপাতলৈ চালে চলিত বছৰৰ ঘাটি এটো অপ্ৰত্যাশিত কথা নহয়। এই ঘাটি পূৰণ কৰিবলৈ মই কোনো উপায় বিচাৰি পোৱা নাই। অতিৰিক্ত কৰ লগোৱাৰ সুবিধাও নায়েই বুলিব পাৰি। মই অ'ত ত'ত সামান্য-ভাৱে অলপ অদল-বদল কৰিবলৈ প্ৰস্তাৱ কৰিছোঁ। সেই উদ্দেশ্যে চলিত অধিবেশনত

সামান্য কেইটামান ব্যৱস্থা সদনৰ অনুমোদনৰ বাবে দাঙি ধৰিম। বিত্তীয় দৃষ্টিকোণৰ পৰা ইয়াৰ ফল অতি নগণ্য হ'ব। এই ক্ষেত্ৰত কেৱল তাৎপৰ্য্যপূৰ্ণ কথা হ'ল এয়ে যে ঘাটি বিত্তীয় ব্যৱস্থা পৰিহাৰ কৰিবলৈ অপ্ৰয়োজনীয় ব্যয় কৰ্ত্তন কৰাৰ আৰু আমাৰ সম্বল বৃদ্ধি কৰাৰ বাবে আমি যত্নৰ অকণো ক্ৰুটি কৰা নাই। নতুন বিত্ত আয়োগৰ পৰা আমি সুবিচাৰ নেপালে, ভাৰতৰ প্ৰায়বোৰ ৰাজ্যই দুৰ্ভাগ্যবশতঃ যি ঘাটি বিত্তীয় ব্যৱস্থা অৱলম্বন কৰিছে, সেই ঘাটি বিত্তীয় ব্যৱস্থা অৱলম্বন কৰাৰ বাহিৰে আন কোনো পথ মই দেখা নাই।

ৰাজ্যিক বিত্তীয় সম্পদৰ অৱস্থা তেনেই নিম্নগামী হোৱা, উন্নয়নৰ বাবে ক্ষিপ্ৰভাৱে প্ৰয়োজনীয় সম্পদ আৰু প্ৰাপ্ত সম্পদৰ মাজৰ ব্যৱধানো দূৰ কৰিব নোৱাৰা, ভাৰত চৰকাৰৰ পৰা ধন পোৱাটোও কঠিন হৈ পৰা আৰু আন্তঃৰাষ্ট্ৰীয় সাহায্যও হ্ৰাস পাই অহাৰ কাৰণে আমি অন্তৰদৰ্শী হোৱা উচিত আৰু মুদ্ৰাকেন্দ্ৰী অৰ্থনৈতিক প্ৰক্ৰিয়া অৱলম্বন নকৰাকৈ আমাৰ সম্পদ আহৰণ কৰিবলৈ যত্নপৰ হোৱা প্ৰয়োজন। সংগঠন আৰু পৰিচালনাৰ বাবে সমান্য প্ৰচেষ্টা চলায়েই সম্পদত পৰিণত কৰিব পৰা গ্ৰাম্য অঞ্চলৰ আহৰি সময়খিনি সদ্ব্যৱহাৰ কৰাই যে পঞ্চায়তসমূহ গঠন কৰাৰ অন্যতম উদ্দেশ্য আছিল সেইটো এই সদনৰ অবিদিত নহয়। কিন্তু দুৰ্ভাগ্যবশতঃ যোৱা কেইবছৰত পঞ্চায়ত-সমূহে মঞ্জুৰীৰ জৰিয়তে মুদ্ৰাকেন্দ্ৰী অৰ্থনীতিৰ পথহে বাচি লোৱা দেখা গৈছে। ফল-স্বৰূপে গঞা শ্ৰম-শক্তিৰ বাহি অংশ অকৰ্ম্মা আৰু অব্যৱহৃত হৈ পৰিছে। বৰ্ত্তমানে মুদ্ৰা দুৰ্লভ। সেয়েহে শ্ৰম-শক্তিলৈ দৃষ্টি দিয়াটো প্ৰকৃষ্ট সময়। ৰাস্তা, স্কুল আৰু তেনেজাতীয় আন আন বিষয়ৰ লগত আমাৰ গঞা ৰাইজ অপৰিচিত নহয়। তেওঁ-লোকে স্ব-ইচ্ছাই এইবোৰ কাম কৰি আহিছে। সোনকালে সম্পদ সৃষ্টি কৰাৰ বাবে আজি আমাৰ প্ৰয়োজন হৈছে পুখুৰী পৰিষ্কাৰ কৰি তাত মাছ পোহা, ৰাস্তাৰ দাঁতিত গছ ৰোৱা, বাৰী পতা, ঘাঁহ উৎপাদনৰ বাবে গাঁৱৰ ঘাঁহনি পথাৰ ব্যৱহাৰ কৰা, গাইগুটীয়া বা উমৈহতীয়াভাৱে দ্বিতীয় আৰু তৃতীয় শস্য কৰিবলৈ জলসিঞ্চনৰ ব্যৱস্থা কৰা, বেঙ্কৰ অৰ্থসাহায্য লৈ বা নোলোৱাকৈ হাঁহ-কুকুৰা পালনৰ বাবে উমৈহতীয়া পুঁজি গঠন কৰা আদিৰ দৰে ফলদায়ক কামত বাহি সময় ব্যৱহাৰ কৰা। বিপৰ্য্যয়েই মানুহৰ চৰম পৰীক্ষা। আমি যদি এই বিত্তীয় বিপৰ্য্যয়ক সৌভাগ্যলৈ ৰূপান্তৰিত কৰিব পাৰোঁ, তেনেহলে আমি অকতকাৰ্য্য নহ'ম।

এই বছৰ খেতি ভাল হোৱাৰ লগতে দামো উৎকৃষ্ট হোৱাৰ ফলত ভাৰতীয় কৃষক-সকলৰ হাতলৈ প্ৰায় এহেজাৰ কোটি উপকৰা ধন আহিব বুলি বিভিন্ন প্ৰকাৰে নিৰ্ণয় কৰা হৈছে। ইয়াৰে অসমৰ অংশ হ'ব প্ৰায় ৯০ কোটি টকা। কোনো কৰ-কাটলৰ যোগেদি এই উপকৰা ধন স্পৰ্শ কৰিবলৈ প্ৰস্তাৱ কৰা হোৱা নাই। আমাৰ অৰ্থনীতিৰ বৰ্ত্তমান অৱস্থাত এই ধন উন্নয়নৰ কামত বিনিয়োগ নহৈ যদি কেৱল ভোগতেই খৰচ হৈ যায় তেনেহলে বৰ দুখৰ কথা হ'ব। এই বছৰৰ বাহি যাতে অহা বছৰৰ বাহি বৃদ্ধি কৰাৰ ভিত্তিস্বৰূপ হয়, সেইবাবে যিসকল লোকৰ এই উপকৰা ধন পোৱাৰ সৌভাগ্য ঘটিছে তেওঁলোকে উন্নততৰ খেতি আৰু বহু শস্যৰ খেতি কৰাৰ বাবে সম্পদ বৃদ্ধি কৰিবলৈ এই উপকৰা ধন ব্যৱহাৰ কৰাটো বিজ্ঞজনোচিত কাম হ'ব। তেনে বাহি পুঁজি ট্ৰেক্টৰ ব্যৱহাৰ কৰা, পানী তুলি জলসিঞ্চনৰ ব্যৱস্থা কৰা, সুসংগঠিত ভাৱে সাৰৰ প্ৰয়োগ কৰা, উপকৰা আয় বঢ়োৱা আৰু কৰ্ম-সংস্থান যোগোৱা, হাঁহ-কুকুৰা, গাহৰি আৰু দুগ্ধশালাৰ উন্নয়ন, ঘাঁহৰ খেতি কৰা, বাগিছা পতা আদিৰ দৰে কামত ব্যৱহাৰ কৰিব পাৰি। কিন্তু ইয়াৰ বাবে এক বাতাবৰণৰ সৃষ্টি কৰিব লাগিব আৰু এইটো আশা কৰা হৈছে যে দলীয় আনুগত্য নিৰ্ব্বিশেষে সদস্যসকলে তেনে বাতাবৰণ সৃষ্টিত সহায় কৰিবলৈ সমৰ্থ হ'ব।

ৰাজ্যখনৰ বিত্তীয় অৱস্থা এক সুদৃঢ় ভেটিত প্ৰতিষ্ঠিত কৰাটো যে অতীৱ প্ৰয়োজনীয় কথা তাক মই দোহাৰিবৰ প্ৰয়োজন নেদেখো। আমাৰ ৰাজ্যখনৰ বিশেষ পৰিস্থিতি আৰু অসাধাৰণ সমস্যাসমূহৰ পৰিপ্ৰেক্ষিতত ভাৰত চৰকাৰ আৰু বিত্ত আয়োগৰ পৰা সুবিচাৰ পাম বুলি আমি যুক্তিসঙ্গত ভাৱে আশা কৰিব পাৰিলেও সেই লক্ষ্যত উপনীত হ'বলৈ আমি পাৰ্য্যমানে চেষ্টা কৰাটোও একান্ত প্ৰয়োজন। ৰাজ্যখনৰ নিম্নতম প্ৰয়োজনীয়তাৰ লগত সঙ্গতি ৰাখি সম্পদ বঢ়োৱা আৰু ব্যয় কমোৱাত গঠনমূলক পৰামৰ্শ আগবঢ়াবলৈ মই মাননীয় সদস্যসকলক অনুৰোধ কৰোঁ। ইয়াৰ বাবে যে ত্যাগ আৰু আত্মসংযমৰ প্ৰয়োজন হ'ব সেইটো নিঃসন্দেহ। কিন্তু ত্যাগ আৰু আত্মসংযমেই ভৱিষ্যত সমৃদ্ধিৰ একমাত্ৰ ভেঁটি। দুৰ্ব্বল ভেঁটিৰ ওপৰত প্ৰতিষ্ঠিত এই সমৃদ্ধি চূৰ্ণ-বিচূৰ্ণ হৈ পৰিব আৰু ই চৰম ধ্বংসও মাতি আনিব। উন্নতিৰ এই সৌধ নিৰ্ম্মাণ ধীৰ গতিৰে সুদৃঢ় ভেঁটিৰ ওপৰত প্ৰতিষ্ঠা কৰাটো উত্তম হ'ব যাতে ই অকল থিয় হৈয়ে নাথাকে, ইয়াৰ ওপৰত নিৰ্ম্মাণ কৰা গাঁথনিৰ ভৰো সহ্য কৰিব পাৰে। এই কামত মই সদনৰ ভিতৰত আৰু বাহিৰত সকলো লোককে অকুণ্ঠিত সহায় আৰু সহযোগ আগবঢ়াবলৈ আবেদন জনাওঁ। তেনে সহযোগ আৰু প্ৰচেষ্টাৰ বলত এই বিত্তীয় সঙ্কট অতিক্ৰম কৰি অসম যে এখন শক্তিশালী আৰু স্বচ্ছল ৰাজ্য হৈ উঠিব পাৰিব তাত মোৰ কোনো সন্দেহ নাই।

—জয়হিন্দ—

## পৰিশিষ্ট—"ক"

(হাজাৰ টকাৰ হিচাপত)

| শিতান | প্ৰকৃত ১৯৬৬-৬৭ | বাজেট ১৯৬৭-৬৮ | সংশোধিত ১৯৬৭-৬৮ | বাজেট ১৯৬৮-৬৯ |
|---|---|---|---|---|
| (১) | (২) | (৩) | (৪) | (৫) |
| আয় | | | | |
| আৰম্ভণিৰ উদ্বৃত্ত .... .... .... | (+)১,৮০,৬৩ | (—)৯৬,৪৮ | (—)১০,৯৮,৯৪ | (—)১০,০৭,৫৮ |
| ৰাজহ আয় .... .... .... .... | ৭৭,৬৮,৭৬ | ৮৬,৭৬,৪৫ | ৯০,১৫,২৭ | ৯০,৩০,১৭ |
| মূলধন আয় .... .... .... .... | ৯১,০২,২৬ | ৯৯,০৯,৫৫ | ১,০৪,২৮,৩৮ | ১,১৫,৬৪,২৭ |
| উপনিমিত্ত পুঁজি শিতানৰ আয় .... .... | ৪,৫৭,৯২ | ৬০,০০ | ৫৯,৬১ | .... |
| ৰাজহুৱা হিচাপ শিতানৰ আয় .... .... | ৩,৪৭,২৪,৮৫ | ৩,৩০,৭৭,৫৪ | ৩,৪৮,৩৩,৬৯ | ৩,৫২,৬৬,২৪ |
| মুঠ আয় .... .... | ৫,২০,৫৩,৭৯ | ৫,১৭,২৩,৫৪ | ৫,৪৩,৩৬,৯৫ | ৫,৫৮,৬০,৬৮ |
| সৰ্ব্বমুঠ .... .... | ৫,২২,৩৪,৪২ | ৫,১৬,২৭,০৬ | ৫,৩২,৩৮,০১ | ৫,৪৮,৫৩,১০ |

ব্যয়

| | | | | |
|---|---|---|---|---|
| ৰাজহ ব্যয় .... .... .... .... | ৯১ ৫৭,৫৭ | ৮৮,১০,৪০ | ৯০,২৮,০৯ | ৯১,৬৭,৭৬ |
| মূলধন ব্যয় .... .... .... .... | ৮৮,৮৪,৮৩ | ১,০৭,৭৯,৫৪ | ১,০৪,২৯,৫৯ | ১,১৮,৬৬,১৮ |
| উপনিমিত্ত পুঁজি শিতানৰ ব্যয় .... .... | ৪,৫৪,২৬ | .... | .... | .... |
| ৰাজহুৱা হিচাপ শিতানৰ ব্যয় .... .... | ৩,৪৮,৩৬,৭০ | ৩,৩০,৭৬,৩৭ | ৩,৪৭,৮৭,৯১ | ৩,৫২,০১,৪৩ |
| মুঠ ব্যয় .... .... | ৫,৩৩,৩৩,৩৬ | ৫,২৬,৬৬,৩১ | ৫,৪২,৪৫,৫৯ | ৫,৬২,৩৫,৩৭ |
| সামৰণিৰ উদ্বৃত্ত .... | (—)১০,৯৮,৯৪ | (—)১০,৩৯,২৫ | (–)১০,০৭,৫৮ | (—)১৩,৮২,২৭ |
| সৰ্ব্বমুঠ .... .... | ৫,২২,৩৪,৪২ | ৫,১৬,২৭,০৬ | ৫,৩২,৩৮,০১ | ৫,৪৮,৫৩,১০ |
| মুঠ ফলাফল— | | | | |
| বাহি (+) | | | | |
| ঘাটি (—) | | | | |
| (ক) ৰাজহ হিচাপত .... .... | (—)১৩,৮৮,৮১ | (—)১,৩৩,৯৫ | (—)১২,৮২ | (—)১,৩৭,৫৯ |
| (খ) ৰাজহ হিচাপৰ বাহিৰত .... .... | (+)১,০৯,২৪ | (—)৮,০৮,৮২ | (+)১,০৪,১৮ | (—)২,৩৭,১০ |
| (গ) আৰম্ভণিৰ উদ্বৃত্তৰ বাহিৰে প্ৰকৃত | (—)১২,৭৯,৫৭ | (—)৯,৪২,৭৭ | (+)৯১,৩৬ | (—)৩,৭৪,৬৯ |

## পৰিশিষ্ট—'খ'

### ১৯৬৮-৬৯ চনৰ বাৰ্ষিক যোজনা
### খণ্ড হিচাপে কৰা বণ্টন

( লাখ টকাৰ হিচাপত )

| উন্নয়নৰ শিতান | ১৯৬৮-৬৯ চনৰ সাম্প্ৰতিক বণ্টন |
|---|---|
| (১) | (২) |
| ১। কৃষি-উৎপাদন .... .... .... .... .... | ২০০.০০* |
| ২। ক্ষুদ্ৰ জলসিঞ্চন— | |
| (ক) কৃষি বিভাগৰ দ্বাৰা .... .... .... .... | ২৮.০০ |
| (খ) গড়কাপ্তানি বিভাগৰ দ্বাৰা ( বান-নিয়ন্ত্ৰণ আৰু জল-সিঞ্চন ) | ৪৫.০০ |
| ৩। ভূমি সংৰক্ষণ .... .... .... .... .... | ৮.০০ |
| ৪। এলেকা উন্নয়ন-কাৰ্য্যসূচী (Ayacut Development Programme) | ১.০০ |
| ৫। পশুপালন .... .... .... .... .... | ৩২.০০ |
| ৬। দুগ্ধশালা আৰু গাখীৰ-যোগান .... .... .... | ৮.০০ |
| ৭। বন বিভাগ .... .... .... .... .... | ২০.০০ |
| ৮। মীন মহল .... .... .... .... .... | ৭.০০ |
| ৯। পণ্যশালা .... .... .... .... .... | .... |
| ১ । কৃষি-আঁচনি .... | ৩৪৯.০০ |
| ১০। সমবায় .... .... .... .... .... | ১৫.০০ |
| ১১। সমূহীয়া উন্নয়ন .... .... .... .... .... | ৭০.০০ |
| ১২। পঞ্চায়ত .... .... .... .... .... | ৫.০০ |

* ৰাজহ বিভাগে কাৰ্য্যকৰী কৰা আঁচনিসমূহৰ ব্যৱস্থাও অন্তৰ্ভুক্ত ।

( লাখ টকাৰ হিচাপত )

| উন্নয়নৰ শিতান (১) | ১৯৬৮-৬৯ চনৰ সাম্প্ৰতিক বণ্টন (২) |
|---|---|
| ২ । সমবায় আৰু সমূহীয়া উন্নয়ন .... | ৯০.০০ |
| ১৩। মজলীয়া জলসিঞ্চন .... .... .... .... | ৭৩.০০ |
| ১৪। বানপানী নিয়ন্ত্ৰণ .... .... .... .... | ৩০০.০০ |
| ১৫। বিজুলী-শক্তি .... .... .... .... .... | ৬৫০.০০ |
| ৩ । জলসিঞ্চন আৰু বিজুলী-শক্তি .... | ১,০২৩.০০ |
| ১৬। বৃহৎ আৰু মাধ্যমিক উদ্যোগ .... .... .... | ১২৫.০০ |
| ১৭। খনিজ উন্নয়ন .... .... .... .... .... | ১০.০০ |
| ১৮। গ্ৰাম্য আৰু ক্ষুদ্ৰ উদ্যোগ— | |
| (ক) কুটীৰ আৰু ক্ষুদ্ৰায়তন উদ্যোগ.... .... .... | ২০.০০ |
| (খ) ৰেছম আৰু বয়ন .... .... .... .... | ১০.০০ |
| (গ) সমবায় তাঁত-শিল্প ...... .... .... .... | ৮.০০ |
| (ঘ) খাদী .... .... .... .... .... | ৪.০০ |
| ৪ । উদ্যোগ আৰু খনিখনন .... | ১৭৭.০০ |
| ১৯। আলিবাট .... .... .... .... .... | ১৩৫.০০ |
| ২০। পথ পৰিবহন .... .... .... .... .... | ১২.০০ |
| ২১। অন্যান্য পৰিবহন ( আভ্যন্তৰীণ জল পৰিবহন ) .... | ৬.০০ |
| ২২। পৰ্য্যটন .... .... .... .... .... | ২.০০ |
| ৫ । পৰিবহন আৰু যোগাযোগ .... | ১৫৫.০০ |
| ২৩। সাধাৰণ শিক্ষা .... .... .... .... .... | ১৬০.০০ |
| ২৪। কাৰিকৰী শিক্ষা .... .... .... .... .... | ২৫.০০ |
| ২৫। সাংস্কৃতিক কাৰ্য্যসূচী .... .... .... .... | ২.০০ |
| ২৬। স্বাস্থ্য আৰু পৰিয়াল পৰিকল্পনা .... .... .... | ১১০.০০ |

( লাখ টকাৰ হিচাপত )

| উন্নয়নৰ শিতান | ১৯৬৮-৬৯ চনৰ সাম্প্ৰতিক বণ্টন |
|---|---|
| (১) | (২) |
| ২৭। পানী-যোগান .... .... .... .... .... | ৪৫·০০ |
| ২৮। গৃহনিৰ্ম্মাণ .... ...... .... .... .... | ৫·০০ |
| ২৯। চহৰ উন্নয়ন .... .... .... .... .... | ৬·০০ |
| ৩০। অনুন্নত শ্ৰেণীসমূহৰ কল্যাণ সাধন (ভৈয়ামৰ জনজাতি, অনুসূচীত জাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীসমূহ)। | ৫৫·০০ |
| ৩১। সমাজ-কল্যাণ .... .... .... .... .... | ১০·০০ |
| ৩২। শ্ৰম আৰু শ্ৰমকল্যাণ— | |
| (ক) শ্ৰম .... .... .... .... .... | ২·৪০ |
| (খ) নিয়োগ .... .... .... .... .... | ০·১০ |
| (গ) কাৰিকৰ প্ৰশিক্ষণ .... .... .... .... | ৬·৫০ |
| (ঘ) কৰ্ম্মচাৰীৰ ৰাজ্যিক বীমা আঁচনি .... .... | ১·০০ |
| ৩৩। জন-সহযোগ .... .... .... .... .... | ০·৫০ |
| ৬। সমাজ সেৱা .... ... | ৪২৮·৫০ |
| ৩৪। পৰিসংখ্যা .... .... .... .... .... | ২·৫০ |
| ৩৫। তথ্য আৰু জনসম্পৰ্ক .... .... .... .... | ৮·০০ |
| ৩৬। মূল্যাঙ্কন কাৰ্য্যকলাপ .... .... .... .... | ১·০০ |
| ৩৭। অন্যান্য-- | |
| (ক) পৰিকল্পনা আৰু উন্নয়ন .... .... .... | ১·০০ |
| (খ) স্থানীয় নিকায় .... .... .... .... | ৪·৯০ |
| (গ) বিত্ত বিভাগৰ যোজনা সম্পদ শাখা .... .... | ০·১০ |
| ৭। বিবিধ .... .... | ১৭·৫০ |
| ৩৮। পাৰ্ব্বত্য অঞ্চলৰ আঁচনি .... .... .... .... | ৭০০·০০ |
| সৰ্ব্বমুঠ .... | ২,৯৪০·০০ |

AGP [Fin. (c)] 3/68—3,000—29-2-68.